শালা সিদ্ধি
(পঢ়াশালি সিদ্ধি)

উত্তৰণৰ বাবে মূল্যায়ন

# বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ















অনুবাদ ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা
আৰু প্ৰশাসন বিশ্ববিদ্যালয়
নতুন দিল্লী

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন বিষয়ক গোট


ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়
১৭-বি, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী- ১১০০১৬ (ভাৰত)
ইপিএবিএক্স নম্বৰ ঃ ২৬৫৬৫৬০০, ২৬৫৪৪৮০০
ফেক্স ঃ ৯১-০১১--২৬৮৫৩০৪১, ২৬৮৬৫১৮০
E-mail : usse@nuepa.org
Website : www.nuepa.org.www.nuepa.eduplan.nic.in



ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# ঘাই ক্ষেত্ৰ - প্ৰথম
# *Key Domain* I



## বিদ্যালয়ৰ সমলসমূহৰ সদ্ব্যৱহাৰ ঃ সহজলভ্যতা, পৰ্যাপ্ততা আৰু ব্যৱহাৰৰ উপযোগিতা

# ঘাই ক্ষেত্ৰ - প্ৰথম
# *Key Domain* I

## বিদ্যালয়ৰ সমলসমূহৰ সদ্ব্যৱহাৰ, সহজলভ্যতা, পৰ্যাপ্ততা আৰু ব্যৱহাৰৰ উপযোগিতা

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

ক্ৰিয়াশীল সম্পদসমূহে বিদ্যালয় এখনৰ সফল কাৰ্যক্ৰমণিকাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰতিখন বিদ্যালয়ৰ নিজ কাৰ্যক্ৰমণিকা পৰিচালনা আৰু সম্পাদনৰ কাৰণে বিভিন্ন ধৰণৰ সম্পদ, যেনে, — আন্তঃগাঁথনি, মানৱ সম্পদ, অৰ্থনৈতিক সা-সুবিধা আদিৰ প্ৰয়োজন। বিদ্যালয় এখনৰ কাৰ্যদক্ষ ক্ৰিয়াশীল সম্পদ বুলিলে সেইবিলাক সম্পদক বুজোৱা হয়, যিবোৰে শিকন প্ৰক্ৰিয়াক সুখজনক, নিৰাপদ আৰু চাপমুক্ত পৰিৱেশত উপলদ্ধ কৰাত সহায় কৰে। বিদ্যালয়ৰ সম্পদসমূহৰ মূল বৈশিষ্ট্য হৈছে — উপলব্ধতা আৰু কাৰ্য ক্ষমতা। উপলব্ধতাই ব্যৱহাৰকাৰীসকলৰ নিৰাপদ আৰু লাগতিয়াল সা-সুবিধাসমূহৰ প্ৰাপ্তি সহজ কৰি তোলা বুজায়। কাৰ্য ক্ষমতাই সম্পদসমূহৰ সৰ্বাধিক সদ্ উপযোগ কৰাটো বুজায়। সেয়েহে, বিদ্যালয় এখনৰ বাবে সহজলভ্য সম্পদসমূহৰ সৰ্বাধিক সদ উপযোগ কৰি শিকন প্ৰক্ৰিয়াক সুচল পৰিৱেশত সম্পাদন কৰাৰ লগতে বিদ্যালয়খনৰ নিৰাপত্তা আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ মান উন্নত পৰ্যায়ৰ কৰি ৰখাটো গুৰুত্বপূৰ্ণ।

## প্ৰতিফলক সংকেত
## (Reflective Prompts)

**প্ৰশ্ন ১ ঃ** বিদ্যালয় এখনৰ বাবে কি কি সম্পদ সুলভ আৰু পৰ্যাপ্ত ?

**প্ৰশ্ন ২ ঃ** বিদ্যালয় এখনৰ কাৰ্যদক্ষ সম্পদৰ গুণগত মানদণ্ড আৰু যোগ্যতা কি ?

**প্ৰশ্ন ৩ ঃ** বিদ্যালয়খনে কম্পিউটাৰ সম্পৰ্কীয় সম্পদৰ নিৰাপত্তাৰ কাৰণে কি কাৰ্য ব্যৱস্থা হাতত লৈছে?

## বাস্তৱিক তথ্য
## (Factual information)

(বিদ্যালয়ে বিচাৰিলে একোটা প্ৰশ্নৰ একাধিক উত্তৰ দিব পাৰে)

১. বিদ্যালয় চৌহদৰ মুঠ মাটিকালি আৰু ঘৰ বন্ধা ঠাইৰ মাটি কালি ———————————— (বৰ্গ মিটাৰ)

২. খেলপথাৰ (যদি আছে)ৰ মাটিকালি ———————————————————— (বৰ্গ মিটাৰ)

৩. যদি খেলপথাৰ নাই, বিদ্যালয়ৰ মুক্ত এলেকা ———————————————————— (বৰ্গ মিটাৰ)

৪. বিদ্যালয়ৰ মুঠ শ্ৰেণী ———————————— ৰ পৰা ———————————— লৈ

৫. বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰী——————— (৩০ ছেপ্টেম্বৰলৈ)

(i) প্ৰাথমিক শ্ৰেণী (ক) ল'ৰা ——— (খ) ছোৱালী ———

(ii) উচ্চ প্ৰাথমিক শ্ৰেণীত (ক) ল'ৰা ——— (খ) ছোৱালী ———

(iii) মাধ্যমিক শ্ৰেণীত (ক) ল'ৰা ——— (খ) ছোৱালী ———

৬. বিদ্যালয় গৃহৰ অৱস্থা ঃ

(ক) ভাল ☐ (খ) সামান্য মেৰামতিৰ দৰকাৰ ☐

(গ) বেছি মেৰামতিৰ দৰকাৰ ☐ (ঘ) বিদ্যালয় গৃহ নাই ☐

৭. খেলা-ধূলা, কলা শিক্ষা, কৰ্ম অভিজ্ঞতা আৰু অন্য সহঃ বিদ্যায়তনিক কাৰ্যাৱলীৰ তালিকা আৰু বিভিন্ন কাৰ্যাৱলীৰ আহিলাপাতি/সৰঞ্জামৰ তালিকা

৮. (ক) বিদ্যালয়ৰ মুঠ শ্ৰেণীকোঠাৰ সংখ্যা ——————————————————————

(খ) ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট ঠাই থকা শ্ৰেণীকোঠাৰ সংখ্যা (সৰ্বশিক্ষা/ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ আৰ্হি মতে) ☐

৯. বহি পঢ়িবলগীয়া শ্ৰেণীকোঠাৰ সংখ্যা, য'ত শিক্ষাৰ্থী কঠ/পাটিত বহে। ———

১০. শিক্ষাৰ্থীৰ কাৰণে বেঞ্চত/ চকী আৰু ডেস্ক থকা শ্ৰেণীকোঠাৰ সংখ্যা। ———

১১. অতিৰিক্ত বেঞ্চ/ চকী/ কঠ (পাটি)ৰ প্ৰয়োজন হোৱা শিক্ষাৰ্থীৰ সংখ্যা (যদি বৰ্তমানৰ সুবিধাসমূহ পৰ্যাপ্ত নহয়)।

১২. অন্যান্য কোঠাৰ সুবিধা ঃ (ক) প্ৰধান শিক্ষকৰ ☐ (খ) কৰ্মচাৰীবৰ্গৰ ☐ (গ) ছোৱালীৰ ☐

অন্য কিবা (উল্লেখ কৰিব) ——————————————————————————

১৩. পুথিভঁৰালৰ বাবে পৃথক কোঠা আছে নে?

আছে ☐ নাই ☐ যদি আছে, পৰিসৰ (বৰ্গ মিটাৰত) ————————————

১৪. পুথিভঁৰালত একে সময়তে বহি অধ্যয়ন কৰিব পৰা শিক্ষাৰ্থীৰ সংখ্যা ———————————

১৫. পুথিভঁৰাল কোনে পৰিচালনা কৰে ? —

(ক) পূৰ্ণকালীন গ্ৰন্থাগাৰিকে ☐ (খ) শিক্ষকে ☐ (গ) প্ৰধান শিক্ষকে ☐

(ঘ) অন্য কিবা ব্যৱস্থা (নিৰ্দিষ্টকৈ) ——————————————————————

১৬. বিদ্যালয়ে ক্ৰয় কৰা কিতাপ সাময়িক আলোচনী/পত্ৰিকাৰ সংখ্যা ঃ

(ক) অভিধান আৰু বিশ্বকোষ ☐

(খ) বাতৰি কাকত ☐

(গ) আলোচনী ☐

(ঘ) অন্য প্ৰসংগ পুথি/কিতাপ ☐

১৭. অভিধান বা বিশ্বকোষৰ বাহিৰে প্ৰতি ১০০ জন শিক্ষাৰ্থীৰ বাবে পুথিভঁৰালত থকা কিতাপৰ সংখ্যা ————

১৮. বিদ্যালয়ৰ পৰীক্ষাগাৰ ঃ

(ক) একত্ৰিত বিজ্ঞান পৰীক্ষাগাৰ ☐

(খ) বিভিন্ন উদ্দেশ্যৰ বাবে (পৰীক্ষাকাৰ্য প্ৰদৰ্শন, পৃথক পৰীক্ষাগাৰ) ☐

(গ) পৰীক্ষাগাৰত সা-সৰঞ্জাম ৰাখিবৰ বাবে কেৱল মাত্ৰ এটা চুক (corner) বা আলমাৰি ☐

(ঘ) পৰীক্ষাকাৰ্যৰ বাবে কোনো সা-সৰঞ্জাম নাই ☐

১৯. বিদ্যালয়ত থকা কম্পিউটাৰৰ সংখ্যা —

(ক) শিক্ষণ-শিকনৰ বাবে ☐ (খ) প্ৰশাসনৰ বাবে ☐

(গ) পুথিভঁৰালৰ বাবে ☐ (ঘ) কম্পিউটাৰ নাই ☐

২০. বিদ্যালয়ত উপলব্ধ ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰে—

(ক) কেৱল প্ৰধান শিক্ষকে ☐ (খ) কেৱল শিক্ষকসকলে ☐

(গ) শিক্ষাৰ্থীসকলে ☐ (ঘ) উপলব্ধ নহয় ☐

২১. অন্যান্য সা-সঁজুলিৰ উপলব্ধতা ঃ

(ক) ৰেডিঅ' ☐ (খ) দূৰদৰ্শন ☐

(গ) চি ডি/ডি ভি ডি প্লেয়াৰ ☐ (ঘ) এল চি ডি প্ৰজেক্টৰ ☐

(ঙ) বিদ্যুৎ উৎপাদনকাৰী যন্ত্ৰ (generator) ☐ (চ) অন্য কিবা (উল্লেখ কৰিব) —————

——————————————————

২২. ব্যৱহাৰযোগ্য শৌচালয়ৰ সংখ্যা —

(ক) ল'ৰাৰ বাবে শৌচাগাৰ ☐ (খ) ছোৱালীৰ বাবে শৌচাগাৰ ☐

(গ) বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে শৌচাগাৰ ☐ (ঘ) ল'ৰাৰ বাবে প্ৰস্ৰাৱগাৰ ☐

(ঙ) কৰ্মচাৰীৰ বাবে পৃথক শৌচাগাৰ ☐ (চ) শৌচাগাৰ নাই ☐

(ছ) মাত্ৰ এটা শৌচাগাৰ ☐

২৩. শিক্ষাৰ্থীৰ সংখ্যাৰ অনুপাতে পানীকলৰ সংখ্যা —

(ক) হাত ধোৱাৰ ☐ (খ) খোৱা পানীৰ (যদি পৃথক) ☐

২৪. খোৱা পানীৰ উৎস

(ক) দমকল/হেণ্ডপাম্প ☐ (খ) একেটা উৎসৰ পৰা টেপেৰে যোগান ☐

(গ) অন্যান্য (উল্লেখ কৰিব) ——————————————————————

২৫. বিদ্যালয়ৰ পানী বিশুদ্ধিকৰণৰ প্ৰক্ৰিয়া—

(ক) উতলোৱা ☐ (খ) ক্ল'ৰিণমুক্ত কৰা ☐

(গ) চেকন ☐ (ঘ) কোনো ব্যৱস্থা নাই ☐

(ঙ) অন্যান্য (উল্লেখ কৰিব) ——————————————————————

২৬. হাত ধোৱা ব্যৱস্থাৰ প্ৰকাৰ—

(ক) টেপ ☐ (খ) বাল্টি আৰু মগ ☐

(গ) কোনো সুবিধা নাই ☐ (ঘ) অন্যান্য (উল্লেখ কৰিব) ——————

২৭. (ক) ঘৰৰ ছাদত বা চাংবান্ধি বহুওৱা চৌব্বাচ্ছা (tank)ত পানী জমা কৰি ৰখা হয় ☐ নহয় ☐

(খ) পূৰ্বৰ বছৰবিলাকত কিমানবাৰ চাফা কৰা হৈছে? ————————————————————

২৮. বিদ্যালয় সভা অনুষ্ঠিত কৰা হয় ——

(ক) বাৰাণ্ডাত/ কৰিড'ৰত ☐ (খ) সভাগৃহত ☐

(গ) মুকলি ঠাইত ☐ (ঘ) নিৰ্ধাৰিত ঠাইত ☐

২৯. (i) বিদ্যালয়ৰ মধ্যাহ্ন ভোজন

(ক) বিদ্যালয়ত প্ৰস্তুত কৰা হয় ☐ (খ) বাহিৰৰ পৰা প্ৰেৰণ কৰা হয় (কোনো সংস্থাৰ দ্বাৰা) ☐

(ii) যদি বিদ্যালয়ত প্ৰস্তুত কৰা হয়, তেন্তে মধ্যাহ্ন ভোজন প্ৰস্তুত কৰিবলৈ পাকঘৰ বা কোনো কোঠাৰ ব্যৱস্থা আছে নে? আছে ☐ নাই ☐

৩০. খাদ্যখিনি যাতে সম্পূৰ্ণ স্বাস্থ্যসন্মত হয়, কোনো পোক-পৰুৱা/সৰীসৃপ আদিয়ে যাতে খাদ্যখিনি দূষিত নকৰে তাৰ বাবে সাৱধানতা অৱলম্বন কৰা হয় নে? হয় ☐ নহয় ☐

৩১. বিদ্যালয়ত বিদ্যুতৰ ব্যৱস্থা আছে নে? আছে ☐ নাই ☐

যদি আছে (ক) পাংখা থকা কোঠাৰ সংখ্যা ————

(খ) বিজুলী বাতিৰ সুবিধা থকা কোঠাৰ সংখ্যা ————

(বাল্‌ব চি এফ এল টিউবৰ দ্বাৰা)

৩২. প্ৰতিটো কোঠা ব্যৱহাৰ কৰি থকাৰ উপৰি বিভিন্ন উদ্দেশ্যত ব্যৱহাৰৰ বাবে বিদ্যালয় কোঠাৰ তালিকা (শ্ৰেণীকোঠাৰ বাহিৰে)

৩৩. ছাত্ৰ-ছাত্ৰীৰ বাবে উপলব্ধ উদগণিমূলক উপকৰণ, যেনে, - পাঠ্যপুথি, ইউনিফৰ্ম আদিৰ সবিশেষ-

(ক) বিনামূলীয়া পাঠ্যপুথি লাভ কৰা শিক্ষাৰ্থীৰ সংখ্যা ————————————————

(খ) বিনামূলীয়া ইউনিফৰ্ম লাভ কৰা শিক্ষাৰ্থীৰ সংখ্যা————————————————

(গ) বৃত্তি লাভ কৰা শিক্ষাৰ্থীৰ সংখ্যা ————————————————————

(ঘ) অন্যান্য উদগণি আৰু উদগণি লাভৰ যোগ্য শিক্ষাৰ্থীৰ সংখ্যা (উল্লেখ কৰিব) ————————

————————————————————————————————————

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| বিদ্যালয় চৌহদ | সভাৰ বাবে মুকলি ঠাই পৰ্যাপ্ত নহয়; কেঁচা/আধা পকা/তম্বুৰে তৈয়াৰী শ্ৰেণী গৃহ মাত্ৰ আছে, বিদ্যালয়ৰ চাৰিসীমাৰ বেৰ/দেৱাল নাই অথবা সম্পূৰ্ণ নহয়, মাজে মাজে ডাঙৰ ফাক আছে; চৌহদত কোনো বাগিচা বা গছ নাই | আধাসংখ্যক ছাত্ৰ-ছাত্ৰী একত্ৰিত হ'বৰ বাবে মুকলি আৰু নিৰ্মিত ঠাই পৰ্যাপ্ত কিন্তু সকলো শিক্ষাৰ্থীকে সামৰি ল'ব পৰাকৈ পৰ্যাপ্ত নহয়; চাৰিসীমাৰ দেৱাল অথবা জেওৰা আছে। কিন্তু গেট নাই। চৌহদত কোনো বাগিচা বা গছ নাই। | শিক্ষাৰ্থীসকলে মুক্ত বিচৰণ কৰিব পাৰে। মুকলি আৰু নিৰ্মিত ঠাই আছে। লগতে নিৰ্দিষ্ট সন্মিলনীৰ ঠাই আছে; চাৰিসীমাৰ গেট দেৱাল/জেওৰা আছে। ওখ গছ-গছনিৰ লগতে জোপোহা গছ আছে, সঠিকভাৱে প্ৰতিপাল কৰা বাগিচা আৰু ঘাঁহনি আছে। | মুকলি ঠাইখিনি মাত্ৰ সভাৰ বাবে ব্যৱহাৰ কৰা হয়, খেলপথাৰখন অসমান; চৌহদটো অপৰিষ্কাৰ আৰু চোৰাচিতাৰ অভাৱ, মজিয়া, ছাল, বেৰ, মুধচ, দৰ্জা, খিৰিকী ইত্যাদিৰ যথেষ্ট মেৰামতিৰ দৰকাৰ। | সভাৰ ঠাইখিনি/ সভাগৃহটো অন্যান্য কামৰ বাবেও যেনে — শাৰীৰিক ব্যায়াম, উৎসৱ পতা আদি কামত ব্যৱহাৰ কৰা হয়; খেলপথাৰখন সমান, মজিয়া, বেৰ, মুধচ, দৰ্জা ইত্যাদিৰ সামান্য মেৰামতিৰ দৰকাৰ আছে; সময়ে সময়ে চোৰাচিতা কৰি ব্যৱস্থা লোৱা হয়। | মুকলি ঠাই পৰ্যাপ্ত, পকীঘৰ পৰিষ্কাৰ আৰু সুন্দৰভাৱে ৰখা হয়। সময়মতে মেৰামতিৰ ব্যৱস্থা লোৱা হয়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| খেলপথাৰ আৰু ক্ৰীড়া সঁজুলি/সামগ্ৰী | খেলপথাৰ নাই; বিদ্যালয়খনে মাজে সময়ে চুবুৰীয়া বিদ্যালয়ৰ পথাৰ বা ৰাজহুৱা ঠাই ব্যৱহাৰ কৰে; খেলৰ বাবে কোনো সঁজুলি বা সামগ্ৰী নাই বা একেবাৰে কম সংখ্যকহে আছে। | সঠিক জোখৰ খেলপথাৰ নাই; কিছুমান খেলৰ বাবে ওচৰৰ বিদ্যালয়ৰ খেলপথাৰ মাজে সময়ে ব্যৱহাৰ কৰে; একেবাৰে কম সংখ্যক খেলৰ বাবেহে সঠিক সামগ্ৰী/সঁজুলি আছে। | বিদ্যালয়ৰ চৌহদৰ ভিতৰত সঠিক জোখৰ খেলপথাৰ আছে, বিভিন্ন ধৰণৰ খেলৰ বাবে উপযুক্ত সামগ্ৰী/সঁজুলি আছে। | শিক্ষাৰ্থীসকলে মাজে সময়ে সেইবিলাক খেলা-ধূলা কৰে যিবিলাকৰ বাবে কোনো সামগ্ৰী প্ৰয়োজন নহয় বা একেবাৰে কমসংখ্যক সামগ্ৰীৰহে প্ৰয়োজন আৰু কোনো ধৰণৰ তদাৰকৰ বা নিৰীক্ষণৰ ব্যৱস্থা নাই। | মাত্ৰ কেইটামান খেলৰ বাবেহে শিক্ষাৰ্থীসকলে খেলপথাৰখন ব্যৱহাৰ কৰে; খেলা-ধূলাৰ বাবে নিৰ্দিষ্ট সময় নিৰ্ধাৰণ কৰা থাকে, খেলপথাৰত খেলসমূহ সদায় নিৰীক্ষণ কৰা হয়, খেলৰ সামগ্ৰীসমূহ চোৱাচিতা কৰা হয় আৰু যেতিয়াই দৰকাৰ হয় পৰ্যাপ্ত পৰিমাণে যোগান ধৰা হয়, ক্ৰীড়া অনুষ্ঠানসমূহ নিজৰ বিদ্যালয়ৰ খেলপথাৰত বা বাহিৰত অনুষ্ঠিত কৰা হয়। | শিক্ষাৰ্থীসকলে বিভিন্ন খেলা-ধূলাত পৰিকল্পিত পদ্ধতিৰে অংশগ্ৰহণ কৰে; খেলৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা আছে; বিদ্যালয়ে সকলো খেল সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰি ৰাখে আৰু সামগ্ৰীসমূহ যেতিয়াই দৰকাৰ হয় তেতিয়াই পুনৰ যোগান ধৰে, প্ৰতি বছৰে আন্তঃবিদ্যালয় ক্ৰীড়া সমাৰোহ আয়োজন কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শ্ৰেণীকোঠা আৰু অন্যান্য কোঠাসমূহ | শ্ৰেণীকোঠাসমূহ সৰু আৰু শিক্ষাৰ্থীৰে ঠাহ খাই থকা; বিদ্যালয়ৰ মুৰব্বীৰ বাহিৰে অন্য কাৰো কোনো কোঠা নাই ; আচবাব (প্ৰাথমিক শ্ৰেণীৰ বাবে কঠৰ ব্যৱস্থা) আছে, কিন্তু পৰ্যাপ্ত নহয়। | কিছুমান শ্ৰেণীকোঠা শিক্ষাৰ্থীৰে ঠাহ খাই থকা, প্ৰধান শিক্ষকৰ বাবে সুকীয়া কোঠা আৰু শিক্ষকসকলৰ বাবে জিৰণি কোঠা আছে; আচবাব সমূহ বিদ্যালয়ৰ প্ৰয়োজন অনুসৰি যথোপযুক্ত। | সকলো শ্ৰেণী কোঠাতে শিক্ষাৰ্থীসকলৰ দলগত কামৰ আৰু অন্যান্য কামৰ বাবে পৰ্যাপ্ত ঠাই আছে; কাৰ্যালয়, গুদামঘৰ, শিল্প কলাৰ কোঠা আৰু সুকীয়া অতিৰিক্ত কোঠা আছে; প্ৰতিটো কোঠাতে যথেষ্ট পৰিমাণে বেঞ্চ, আৰু চকী আছে; শিক্ষকসকলৰ বাবে লকাৰ আৰু ৰেক আছে। | শ্ৰেণীকোঠাসমূহৰ লগতে অন্য কোঠাবোৰৰ বায়ু চলাচলৰ সুবিধা অতি নিম্নখাপৰ; প্ৰাকৃতিক/বৈদ্যুতিক পোহৰৰ ব্যৱস্থা পৰ্যাপ্ত নহয়; কিছুমান শ্ৰেণীকোঠাত নিম্ন মানদণ্ডৰ ব্লেকব'ৰ্ড আছে আৰু অতি কমসংখ্যক মেপ আৰু চাৰ্ট আঁৰি থোৱা আছে। আচবাবসমূহ অতি নিম্ন মানদণ্ডৰ আৰু সেইবিলাকৰ বদলি বা মেৰামতিৰ প্ৰয়োজন আছে। | অধিক সংখ্যক শ্ৰেণীকোঠাতে বায়ু চলাচলৰ সুবিধা আছে; প্ৰাকৃতিক পোহৰ আৰু বৈদ্যুতিক পাংখাৰ (প্ৰয়োজন অনুসাৰে) ব্যৱস্থা আছে; সৰহ সংখ্যক শ্ৰেণীকোঠাৰ বেৰত মেপ আৰু চাৰ্ট আঁৰি থোৱা আছে; আঁচবাবসমূহ আৰামদায়ক আৰু এইবোৰ শিক্ষাৰ্থীৰ প্ৰয়োজন পূৰণৰ বাবে উপযুক্ত। | প্ৰতিটো শ্ৰেণীকোঠাতে ভালদৰে বায়ু চলাচল কৰিব পাৰে আৰু পোহৰৰ ব্যৱস্থা আছে। অন্য কোঠাসমূহো সঠিকভাৱে সা-সৰঞ্জামেৰে সজ্জিত। পৰিবেশটো আকৰ্ষণীয় কৰি তুলিবলৈ আঁৰি থোৱা ছবি ব্যৱহাৰ কৰা হয়; আচবাবসমূহ সঠিকভাৱে আৰু মনোগ্ৰাহীভাৱে সজ্জিত । এইবিলাক ছাত্ৰ-ছাত্ৰীৰ বাবে বয়স অনুপাতিক আৰু বিশেষভাৱে সক্ষমসকলৰ বাবে অনুকূল। |
| বিদ্যুৎ আৰু আহিলাপাতি/ সঁজুলি | বিদ্যুৎ সৰবৰাহৰ কোনো ব্যৱস্থা নাই, বেটেৰিচালিত সামগ্ৰী, যেনে,- ৰেডিঅ' আদি আছে। | বিদ্যুতৰ যোগান অনিয়মীয়া; বিদ্যুৎ কৰ্তন/বিদ্যুৎ যোগানৰ কোনো বিকল্প ব্যৱস্থা নাই, প্ৰতিটো কোঠাতে লাইট আৰু বৈদ্যুতিক পাংখাৰ ব্যৱস্থা আছে; বিদ্যুৎ চালিত আহিলা (টি ভি ৰেডিঅ' ইত্যাদি) আছে। | বিদ্যালয়ৰ নিজাববীয়া বিদ্যুৎ শক্তি যোগান সহায়ক আহিলা আছে, যেনে,- বিদ্যুৎ কৰ্তনৰ সময়ত সহায়ক হোৱাকৈ জেনেৰেটৰ, ইনভাৰ্টাৰৰ ব্যৱস্থা আছে; প্ৰতিটো কোঠাত প্ৰয়োজনীয় বৈদ্যুতিক লাইট আৰু পাংখা আছে; ৰাইজক সম্বোধন কৰিবলৈ মাইক্ৰ'ফোনৰ ব্যৱস্থাও আছে। | কিছুমান বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰিবৰ বাবে বিদ্যালয়ে জেনেৰেটৰ/বেটেৰি আদি ভাড়ালৈ আনে। | বৈদ্যুতিক তাঁৰৰ সংযোগ আৰু ছুইছ বৰ্ডসমূহ ঠিক অৱস্থাত আছে, সময়ে সময়ে বৈদ্যুতিক আহিলাসমূহ (যেনে, - ফেন ইত্যাদি) মেৰামতি কৰি থকা হয়। | বৈদ্যুতিক বিজুতি ৰোধ কৰিবলৈ মিনিয়েচাৰ চাৰকিট ব্ৰেকাৰ ছুইচ (এম চি বি)ৰ ব্যৱস্থা আছে, বৈদ্যুতিক আৰু যন্ত্ৰচালিত আহিলা-পাতিসমূহ সময়মতে পৰীক্ষা আৰু চোৱাচিতা কৰি থকা হয় যাতে এইবোৰে সঠিকভাৱে কাম কৰি থাকে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| পুথিভঁৰাল | পুথিভঁৰালত কিতাপৰ সংখ্যা তাকৰ; পুথি ভঁৰালত অধ্যয়ন কক্ষ নাই। | পৰ্যাপ্ত সংখ্যক কিতাপ, আলোচনী, বাতৰি কাকত আছে আৰু নিয়মীয়াভাৱে শেহতীয়া সংখ্যা ৰখা হয়; অধ্যয়ন কক্ষ আৰু পুথিভঁৰালৰ কোঠা আছে, কিন্তু কোনো ই-কিতাপ বা ডিজিটেল সামগ্ৰী নাই। | বৃহৎ সংখ্যক কিতাপ আছে; সাময়িক পত্ৰিকা, আলোচনী, নিয়মিত ভাৱে ক্ৰয় কৰা হয়; অধ্যয়ন কক্ষৰ লগতে পৃথককৈ পুথিভঁৰালৰ কোঠা আছে; ই-কিতাপ আৰু ডিজিটেলাইজদ সামগ্ৰীও উপলব্ধ। | কিতাপসমূহ উপযুক্তভাৱে তালিকাভুক্ত কৰা হোৱা নাই; সময় সূচীত পুথিভঁৰালৰ বাবে কোনো নিৰ্দিষ্ট সময় ৰখা হোৱা নাই; কিতাপসমূহ ঘৰত পঢ়িবলৈ নিবলৈ অনুমতি দিয়া নহয়। | কিতাপসমূহ উপযুক্তভাৱে তালিকা কৰি সঠিক ঠাইত ৰখা হয় আৰু নিয়মিতভাৱে পঢ়িবলৈ দিয়া হয়; সময়সূচীত পুথিভঁৰাল পিৰিয়দ অন্তৰ্ভুক্ত কৰা আছে। যেতিয়াই সম্ভৱ হয় তেতিয়াই নতুন কিতাপ অন্তৰ্ভুক্ত কৰা হয়। | কিতাপসমূহ সঠিকভাৱে তালিকাভুক্ত কৰা হয়; কিতাপসমূহ প্ৰণালীবদ্ধভাৱে চেলফত সজাই ৰখা হয় আৰু সেইবোৰ নিয়মিতভাৱে শিক্ষাৰ্থী আৰু শিক্ষকসকলে ব্যৱহাৰ কৰে। পুথিভঁৰালত ই-কিতাপ আৰু ডিজিটেলাইজদ সামগ্ৰীও আছে। পুথিভঁৰালে পাঠ্যক্ৰম পৰিচালনাতো সহায় কৰে; শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ বয়স আৰু ভাষাগত পটভূমি আৰু শৈক্ষিক প্ৰয়োজনলৈ লক্ষ্য ৰাখি নিয়মিতভাৱে সঠিক বাচনি নীতি অনুসৰণ কৰি নতুন কিতাপ পুথিভঁৰাললৈ অনা হয়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| পৰীক্ষাগাৰ | আহিলাপাতি আৰু পৰীক্ষাগাৰৰ সামগ্ৰী ৰাখিবলৈ কিছু ঠাই আছুতীয়াকৈ ৰখা হয়। | বুনিয়াদী আহিলা পাতিৰ প্ৰদৰ্শনৰ ব্যৱস্থা আছে, বিজ্ঞান আৰু গণিতৰ বাবে সংযোজিত পৰীক্ষাগাৰ আছে; (উচ্চ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ বাবে প্ৰযোজ্য) | প্ৰয়োজনীয় সকলো পৰীক্ষাগাৰ আছে আৰু এইবোৰ প্ৰয়োজনীয় সকলো আহিলাপাতি সামগ্ৰীৰে সজ্জিত, ৰাজ্যিক নীতি-নিৰ্দেশনাই নিৰ্ধাৰণ কৰা মতে আহিলা পাতিবোৰ আছে; অনবৰতে পানী যোগান (running water) বিদ্যুৎ সৰবৰাহ চলি আছে। | শিক্ষকে কিছুমান পৰীক্ষা নিৰীক্ষা শ্ৰেণীকোঠাত কৰি দেখুৱায়; শিক্ষাৰ্থীসকলে কাচিৎহে পৰীক্ষা-নিৰীক্ষা কৰি প্ৰদৰ্শন কৰাৰ সুবিধা পায়। | পাঠ্যসূচীত অন্তৰ্ভুক্ত পৰীক্ষা-নিৰীক্ষাসমূহ শিক্ষকে শিক্ষাৰ্থীসকলক প্ৰদৰ্শনৰ সুবিধা কৰি দিয়ে; শিক্ষাৰ্থীসকলে পৰীক্ষাগাৰত পৰীক্ষা নিৰীক্ষা কৰি চাবলৈ মাজে সময়ে সুবিধা পায়; ৰক্ষণা বেক্ষণৰ সুবিধা আছে। | উল্লেখিত পৰীক্ষা নিৰীক্ষাসমূহ পৰীক্ষাগাৰত কৰি চাবলৈ শিক্ষাৰ্থীসকলক সুবিধা দিয়া হয়; শিক্ষকে নিৰ্দিষ্ট বিষয় পঢ়াই থাকোঁতে তাৰ লগত সংগতি থকা পৰীক্ষা নিৰীক্ষাবোৰ কৰি দেখুৱাবলৈ পৰীক্ষাগাৰ ব্যৱহাৰ কৰে। |
| কম্পিউটাৰ (য'ত সুবিধা আছে) | বিদ্যালয়ত শিক্ষণ-শিকনৰ বাবে কম্পিউটাৰ ব্যৱহাৰ কৰা নহয়; ডিজিটেল শিক্ষণৰ কোনো সামগ্ৰী নাই। | শিক্ষক শিক্ষাৰ্থীৰ বাবে বিদ্যালয়ত কেইটামান কম্পিউটাৰৰ ব্যৱস্থা আছে; কিছুমান চফ্টৱেৰ আৰু ডিজিটেল শিক্ষণ-শিকনৰ আহিলা উপলব্ধ; ইণ্টাৰনেটৰ কোনো সুবিধা নাই। | বিদ্যালয়ত কম্পিউটাৰ কোঠা আৰু যথেষ্ট পৰিমাণৰ কম্পিউটাৰ ইণ্টাৰনেট সেৱা আছে। শেহতীয়া সংস্কৰণৰ সৈতে সঠিক ডিজিটেল শিক্ষণ-শিকনৰ আহিলা আৰু চফ্টৱেৰ আছে। | শিক্ষক আৰু শিক্ষাৰ্থী কম্পিউটাৰ ব্যৱহাৰৰ সুবিধাৰ পৰা বঞ্চিত। | শিক্ষকে বিভিন্ন শ্ৰেণীত বিভিন্ন বিষয় পঢ়ুৱাবলৈ কম্পিউটাৰ আৰু ডিজিটেল আহিলা ব্যৱহাৰ কৰে, ছাত্ৰ-ছাত্ৰীক মাজে সময়ে কম্পিউটাৰ ব্যৱহাৰ কৰিবলৈ সুবিধা প্ৰদান কৰা হয়। | শিক্ষকে শিক্ষণ-শিকনৰ পৰিকল্পনা আৰু প্ৰয়োগ কৰোঁতে বিভিন্ন প্ৰযুক্তিগত আহিলাৰ, যথা,- 'কম্পিউটাৰ আৰু অনুসাংগিক ডিজিটেল সংযোগ' ঘটায় আৰু শিক্ষাৰ্থীৰ মান নিৰূপণৰ বাবেও কম্পিউটাৰ ব্যৱহাৰ কৰে; সকলো শিক্ষাৰ্থীয়ে কম্পিউটাৰ ব্যৱহাৰৰ সুবিধা পায়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| এঢলীয়া আৰোহণ পথ (Ramp) | ব্যৱস্থা নাই | আৰোহণ পথ আছে কিন্তু নিৰ্ধাৰিত নিয়ম অনুসৰি নহয়। | আৰোহণ পথত হাতেৰে ধৰি উঠাৰ সহায়ক খুটি (hand nail) আছে; নিৰ্ধাৰিত নীতি অনুসৰি উপৰিভাগ পিছল নোহোৱা, এঢলীয়া আৰু নিৰ্দিষ্ট উচ্চতাৰ হ'ব। | শাৰীৰিকভাৱে বাধাগ্ৰস্ত শিক্ষাৰ্থীৰ বাবে এঢলীয়া আৰোহণ পথ (ৰেম্প) নাই। | এঢলীয়া আৰোহণ পথ (ৰেম্প) ব্যৱহাৰ কৰোঁতে শাৰীৰিকভাৱে বাধাগ্ৰস্ত শিক্ষাৰ্থীয়ে আনৰ সহায় ল'ব লগা হয়। | এঢলীয়া আৰোহণ পথে (ৰেম্পে) শাৰীৰিকভাৱে বাধাগ্ৰস্ত শিক্ষাৰ্থীক অনায়াসে উঠাত সহায় কৰে আৰু তেওঁলোকে নিজাববীয়াকৈ ইয়াক ব্যৱহাৰ কৰিব পাৰে। |
| মধ্যাহ্ন ভোজন, ৰান্ধনি ঘৰ আৰু বাচন বৰ্তন (য'ত বিদ্যালয় চৌহদৰ ভিতৰত ৰন্ধা হয়) | খাদ্য ৰান্ধিবৰ বাবে পাকঘৰ বা নিৰ্দিষ্ট ৰান্ধনিশালৰ ব্যৱস্থা নাই; পাকঘৰ হিচাপে ব্যৱহাৰ কৰিবলৈ অস্থায়ী ছালি আছে; খাদ্য ৰন্ধা বাচন বৰ্তনবোৰ সঠিক নহয়; মধ্যাহ্ন ভোজনৰ বাবে কোনো বিশেষ ঠাই নাই। | খাদ্য ৰান্ধিবৰ বাবে ৰান্ধনিশাল বা পৃথক কোঠা আছে যদিও ঠাইখিনি পৰ্যাপ্ত নহয়; বাচন বৰ্তনৰ জোখ আৰু সংখ্যা অনুসৰি সঠিক, শিক্ষাৰ্থীয়ে বহি খাবলৈ নিৰ্দিষ্ট ঠাই আছে যদিও ঠাইখিনি পৰ্যাপ্ত নহয়। | ৰান্ধনিশাল আৰু বাচন বৰ্তন আৰু ৰন্ধা কাৰ্য কৰিবৰ বাবে ব্যৱহাৰ কৰা ঠাই যথেষ্ট পৰিমাণে আছে। শিক্ষাৰ্থীয়ে মধ্যাহ্ন ভোজন গ্ৰহণ কৰিবৰ বাবে প্ৰয়োজনীয় ঠাই আছে। | খাদ্য ৰান্ধোঁতে বাচন বৰ্তনবোৰ ঢাকি থবলৈ আৰু জমা কৰি ৰাখিবলৈ কোনো ব্যৱস্থা লোৱা নহয়; শিক্ষাৰ্থীয়ে খাদ্য গ্ৰহণ কৰা ঠাইখিনি স্বাস্থ্য সন্মত নহয়। | খাদ্য ৰন্ধা বাচন বৰ্তনবোৰ ছাফা থাকে আৰু ৰান্ধোঁতে/ ৰাখোঁতে সেইবিলাক ঢাকি ৰখা হয়; শিক্ষাৰ্থীয়ে খাদ্য গ্ৰহণ কৰা ঠাইখিনি স্বাস্থ্যসন্মত। | ৰান্ধনিশাল আৰু খাদ্য ৰন্ধা বাচন বৰ্তনবোৰ ব্যৱহাৰ কৰাৰ পাছতে চাফা কৰা হয়; ব্যক্তিগত স্বাস্থ্য ৰক্ষাৰ বাবে খাদ্য ৰন্ধা ব্যক্তিজনে বিশেষ ব্যৱস্থা লয়; খাদ্য গ্ৰহণ কৰিবৰ বাবে শিক্ষাৰ্থীসকল বহাৰ বিশেষ ব্যৱস্থা কৰা হয়; নিৰ্দিষ্ট শিক্ষকে মধ্যাহ্ন ভোজন আঁচনিখন নিয়মীয়াভাৱে নিৰীক্ষণ কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| খোৱা পানী | খোৱা পানীৰ ব্যৱস্থা আছে কিন্তু খোৱা পানী যোগান ব্যৱস্থা যথেষ্ঠ নহয় | প্ৰয়োজনীয় আৰু নিয়মিত খোৱা পানী যোগানৰ ব্যৱস্থা আছে, যদি অগভীৰ নলীনাদৰ পৰা পানী যোগান ধৰা হয় তেন্তে বিশুদ্ধ কৰি লোৱাৰ ব্যৱস্থা আছে। | বিশুদ্ধ খোৱা পানী নিয়মীয়াভাৱে যোগান ধৰা হয়; যদি প্ৰয়োজন হয় খোৱা পানীৰ বিশুদ্ধিকৰণৰ ব্যৱস্থা লোৱা হয়। | বিশুদ্ধতাৰ কোনো পৰীক্ষা-নিৰীক্ষা নকৰাকৈ উৎসৰ পৰা খোৱা পানী যোগান ধৰা হয়। | খোৱা পানীৰ বিশুদ্ধিকৰণ কৰা হয়, পানী জমা কৰি ৰখা পাত্ৰ নিয়মীয়াভাৱে পৰিষ্কাৰ কৰা হয়। | বিদ্যালয়ে বিশুদ্ধ খোৱাপানী নিয়মীয়াভাৱে যোগান ধৰে; খোৱাপানী যোগান ব্যৱস্থাৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখা হয়। |
| হাত ধোৱা ব্যৱস্থা | হাত ধোৱাৰ বাবে প্ৰয়োজনীয় পানী যোগানৰ ব্যৱস্থা নাই আৰু হাত ধোৱা আস্থানৰ সংখ্যা যথেষ্ট নহয়। হাত ধোৱা চাবোনৰ ব্যৱস্থা নাই। | প্ৰয়োজনীয় পানী যোগান ব্যৱস্থা আছে, কিন্তু হাত ধোৱা আস্থানৰ ব্যৱস্থা উপযুক্ত নহয়; চাবোন যোগানৰ ব্যৱস্থা যথেষ্ট নহয়) | নিয়মিতভাৱে আৰু যথেষ্ট পৰিমাণে পানী যোগান ধৰা হয়; হাত ধোৱা আস্থানৰ সংখ্যা সঠিক। হাত ধোৱা চাবোন যথেষ্ট পৰিমাণে আৰু নিয়মীয়াকৈ যোগান ধৰা হয়। | হাত ধোৱা আস্থানবোৰ কেতিয়াবাহে পৰিষ্কাৰ কৰা হয়, শিক্ষকে কেতিয়াবাহে হাত ধোৱাৰ গুৰুত্ব সম্পৰ্কে শিক্ষাৰ্থীক অৱগত কৰে; শিক্ষাৰ্থীসকলে কেতিয়াবাহে হাত ধোৱে বা প্ৰায়ে চাবোন অবিহনে হাত ধোৱে। | হাত ধোৱা আস্থানবোৰ আৰু পানী জমা ৰখা পাত্ৰবোৰ নিয়মিতভাৱে পৰিষ্কাৰ কৰি ৰখা হয়; বিদ্যালয় সভাৰ সময়ত শিক্ষকে হাত ধোৱাৰ গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰে; সময়ে সময়ে হাত ধোৱা কাৰ্য নিৰীক্ষণ কৰা হয়। | হাত ধোৱা আস্থানসমূহ প্ৰতিদিনে পৰিষ্কাৰ কৰি ৰখা হয়; বিদ্যালয়ে হাত ধোৱা আৰু স্বাস্থ্যবিধি ৰক্ষা কৰাৰ ফলক লগাই, শ্লোগান দি, গান বা নাটৰ জৰিয়তে সজাগতা গঢ়ি তুলিবলৈ উদ্যোগ গ্ৰহণ কৰে; হাত ধোৱাৰ অভ্যাস গঢ়িবলৈ আৰু ইয়াৰ গুৰুত্বৰ ওপৰত জোৰ দিবলৈ নিয়মিত সময়ত উপযুক্ত ব্যৱস্থা লয়; বিদ্যালয় প্ৰধানে শিক্ষাৰ্থীৰ ব্যক্তিগত স্বাস্থ্যবিধি নিয়মিতভাৱে নিৰীক্ষণ কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | | | | |
|---|---|---|---|---|---|---|
| | সহজলভ্যতা আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰ যোগ্যতা | | |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শৌচালয় | শৌচাগাৰ নাই অথবা শৌচালয়ৰ সংখ্যা যথেষ্ট নহয়; ছাত্ৰ-ছাত্ৰী আৰু বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক শৌচাগাৰৰ ব্যৱস্থা নাই। | ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পৃথক শৌচাগাৰৰ ব্যৱস্থা আছে; প্ৰস্ৰাৱগাৰৰ সংখ্যা (নীতি অনুসৰি) যথেষ্ট নহয় | ল'ৰা আৰু ছোৱালীৰ বাবে পৃথক পৃথককৈ প্ৰয়োজনীয় সংখ্যক শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰ আছে; বিশেষভাৱে সক্ষম শিক্ষাৰ্থীৰ বাবেও শৌচাগাৰৰ ব্যৱস্থা আছে। | শৌচাগাৰসমূহৰ অৱস্থা অতি দুখজনক আৰু নিয়মীয়াভাৱে পৰিষ্কাৰ কৰা নহয়, শৌচাগাৰ পৰিষ্কাৰ কৰি ৰাখিবলৈ আৰু ব্যৱহাৰৰ বাবে প্ৰয়োজনীয় পানী যোগানৰ ব্যৱস্থা নাই। | শৌচাগাৰ সমূহ সম্পূৰ্ণ কাৰ্যক্ষম আৰু প্ৰতিদিনে এবাৰকৈ হ'লেও পৰিষ্কাৰ কৰা হয়; এটা নিৰ্দিষ্ট সময়ৰ ব্যৱধানত শৌচাগাৰ পৰিষ্কাৰ কৰাৰ ব্যৱস্থা আৰু শৌচাগাৰত ব্যৱহাৰ কৰিবলৈ পৰ্যাপ্ত পানীৰ ব্যৱস্থা আছে; মাজে সময়ে শৌচাগাৰসমূহৰ মেৰামতিৰ বন্দোবস্ত কৰা হয়। | সকলোবোৰ শৌচাগাৰ কাৰ্যক্ষম আৰু সকলো সময়তে সঠিকভাৱে ব্যৱহাৰযোগ্য কৰি ৰখা হয়; নিয়মীয়াভাৱে শৌচাগাৰসমূহ পৰিষ্কাৰ কৰি ৰখাৰ ব্যৱস্থা লোৱা হয়; ব্যৱহাৰ কৰিবলৈ আৰু পৰিষ্কাৰ কৰি ৰাখিবলৈ পানী সকলো সময়তে থাকে; বিদ্যালয়ে শৌচাগাৰৰ পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু অনাময়ৰ ব্যৱস্থা ৰক্ষা কৰে। |

বিদ্যালয়ৰ প্ৰগতি

## প্ৰমাণৰ উৎস
## (Sources of evidence)

| | |
|---|---|
| প্ৰমাণ ঃ (নীতি/ নিৰ্দেশনা/ পঞ্জী/ চৰকাৰী আদেশ) | ➢ SSA Framework for Implementation Chapter -VI (pp 93-104)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➢ Framework for Implementation of RMSA : Chapter-IV (pp-22-28)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Framework_Final_RMSA_3.pdf)<br>➢ NCF-2005 Chapter-IV (pp 78-100)<br>(http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf)<br>➢ RTE Act-2009 Chapter -III (clause 6,7, 8 & 9 at pp 3-5), The Schedule (pp-12-13)<br>➢ Swachh Bharat Swachh Vidyalaya, 2014 (pp 1-29, 35-43)<br>http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Eng_Swachch-Bharat-Swachch-Vidhalaya.pd |
| বিদ্যালয়ত সহজলভ্যতা সম্পৰ্কে প্ৰমাণ | ➢ বিদ্যালয়তে সকলোধৰণৰ মেৰামতি/পৰিচালনাৰ ব্যৱস্থা লোৱা হয়।<br>➢ শেষৰ/অন্তিম সময়ত খেলপথাৰখন চোৰা-চিতা কৰা হয়।<br>➢ সকলো ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন পটভূমি/ পৃষ্ঠভূমি লৈ লক্ষ্য ৰাখি বিভিন্ন খেলাৰ- শাৰীৰিক শিক্ষা আৰু কলা শিক্ষা, কৰ্ম অভিজ্ঞতা আৰু আন সহ বিদ্যায়তনিক ক্ৰিয়াকলাপৰ আহিলা আৰু সা-সমগ্ৰীৰ যোগান ধৰা হয়।<br>➢ বাতৰি কাকত, সাময়িকী, আলোচনী, সামগ্ৰী, ই-কিতাপ ডিজিটেলাইজ্‌দ আৰু ডিজিটেল সামগ্ৰীৰ তালিকা<br>➢ জমা কৰা, তালিকা কৰা আৰু সংস্কৰণৰ পঞ্জীকৰণ<br>➢ সময়সূচীত বিশেষ গ্ৰন্থাগাৰ দৰ্শন আৰু অধ্যয়নৰ সময়ৰ নিৰ্ধাৰণ<br>➢ ইণ্টাৰনেটৰ সৈতে কম্পিউটাৰৰ সুবিধা<br>➢ সময়সূচীত কম্পিউটাৰ পিৰিয়দৰ অন্তৰ্ভুক্তি<br>➢ যোগ্যতাসম্পন্ন পৰীক্ষাগাৰ সহায়ক আৰু শিক্ষকৰ সৈতে পৰীক্ষাগাৰৰ ব্যৱহাৰ<br>➢ সকলো ধৰণৰ আহিলা-পাতি, অগ্নি নিৰ্বাপক আহিলাৰ ব্যৱহাৰ কৰা হয় আৰু প্ৰাথমিক চিকিৎসা ব্যৱস্থাৰ তালিকা ৰখা হয়।<br>➢ সম্ভাব্য সংকটজনক সামগ্ৰীৰ তালিকা, যেনে,- বৈদ্যুতিক আহিলা, পৰীক্ষাগাৰৰ ৰাসায়নিক দ্ৰব্য, টেপ, গেছ ষ্টফ, চাফ-চিকুণ কৰা সামগ্ৰী ইত্যাদি।<br>➢ নীতি নিয়মমতে শৌচাগাৰৰ পৰিষ্কাৰকৰণ আৰু পৰিচালনা।<br>➢ পানীৰ টেপৰ ওচৰত চাবোন/ হাত ধোৱা সামগ্ৰী উপলব্ধ।<br>➢ পানী বিশুদ্ধিকৰণৰ সুবিধা আৰু পানী টেংকী/ পানী জমা ৰখা ঠাই আদি শেষৰ বাৰ<br>➢ পৰিষ্কাৰ কৰাৰ সময়<br>➢ যোৱা বছৰ আয়োজিত কৰা বিভিন্ন ক্ৰিয়া/ সাংস্কৃতিক কাৰ্য ক্ৰমণিকাৰ নথি। |

**বিদ্যালয়ে সৃষ্টি কৰিবলগীয়া প্ৰমাণ (evidence)**

বিদ্যালয়ে তলত দিয়া আহিলা/ কলা-কৌশল ব্যৱহাৰৰ জৰিয়তে সৃষ্টি কৰিব পৰা প্ৰমাণ—

- বিদ্যালয়ৰ সম্পদসমূহৰ উপলব্ধতা আৰু উপযুক্ততাৰ পৰ্যৱেক্ষণ
- বিদ্যালয়ৰ সম্পদসমূহৰ উপলব্ধতা আৰু উপযুক্ততাৰ বাবে শিক্ষক, অভিভাৱক, শিক্ষাৰ্থী, বিদ্যালয় পৰিচালনা সমিতি, বিদ্যালয় উন্নতিকৰণ পৰিচালনা সমিতিৰ লগত আলোচনা

## উদ্ভাৱন
## Innovation (s)

## বিদ্যালয়ৰ সম্পদসমূহৰ সদ্ব্যৱহাৰ ঃ সহজলভ্যতা, পৰ্যাপ্ততা আৰু ব্যৱহাৰ উপযোগিতা

| ঘাই মাপকাঠি | উপলব্ধ আৰু পৰ্যাপ্ততা | | | গুণাগুণ আৰু ব্যৱহাৰযোগ্যতা | | |
|---|---|---|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| বিদ্যালয় চৌহদ | | | | | | |
| খেলৰ সামগ্ৰীৰ সৈতে খেলপথাৰ | | | | | | |
| শ্ৰেণীকোঠা আৰু অন্যান্য কোঠা | | | | | | |
| বিদ্যুৎ আৰু সদৃশ সামগ্ৰী | | | | | | |
| গ্ৰন্থাগাৰ | | | | | | |
| পৰীক্ষাগাৰ | | | | | | |
| কম্পিউটাৰ (য'ত সুবিধা আছে) | | | | | | |
| এঢলীয়া পথ | | | | | | |
| মধ্যাহ্ন ভোজন, পাকঘৰ, বাচন-বৰ্তন (বিদ্যালয় চৌহদত য'ত খাদ্য বান্ধে) | | | | | | |
| খোৱা পানী | | | | | | |
| হাত ধোৱা সুবিধা | | | | | | |
| শৌচাগাৰ | | | | | | |

**উন্নয়নৰ কাৰণে প্ৰস্তুতি**

**বিদ্যালয়ৰ সমলসমূহৰ সদ্ব্যৱহাৰ ঃ সহজলভ্যতা, পৰ্যাপ্ততা আৰু ব্যৱহাৰৰ উপযোগিতা**

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব- ১ | ব- ২ | ব- ৩ |
| বিদ্যালয় চৌহদ | | | | | | | | | |
| খেলৰ সা-সৰঞ্জমৰ সৈতে খেলপথাৰ | | | | | | | | | |
| শ্ৰেণীকোঠা আৰু অন্যান্য কোঠা | | | | | | | | | |
| বিদ্যুৎ আৰু সদৃশ সঁজুলি | | | | | | | | | |
| পুথিভঁৰাল | | | | | | | | | |
| পৰীক্ষাগাৰ | | | | | | | | | |

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব- ১ | ব- ২ | ব- ৩ |
| কম্পিউটাৰ (য'ত সুবিধা আছে) | | | | | | | | | |
| এঢলীয়া পথ (Ramp) | | | | | | | | | |
| মধ্যাহ্ন ভোজন পাক ঘৰ, বাচন-বৰ্তন (বিদ্যালয়ৰ চৌহদত য'ত ৰন্ধা হয়) | | | | | | | | | |
| খোৱা পানী | | | | | | | | | |
| হাত ধোৱা সুবিধা | | | | | | | | | |
| শৌচাগাৰ | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

# ঘাই ক্ষেত্ৰ - দ্বিতীয়

# *Key Domain II*



## শিক্ষণ-শিকন আৰু মান নিৰূপণ

# ঘাই ক্ষেত্ৰ - দ্বিতীয়
# *Key Domain* II

## শিক্ষণ-শিকন আৰু মানদণ্ড নিৰূপণ

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

শিক্ষণ-শিকন হৈছে সাফল্য প্ৰদৰ্শনৰ প্ৰধান ক্ষেত্ৰ আৰু ই হৈছে শিক্ষাৰ্থীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সাফল্য প্ৰাপ্তিৰ নিৰ্ধাৰক। কৌশলপূৰ্ণ প্ৰস্তুতি আৰু উৎকৃষ্ট শিকন পৰিবেশৰ সৃষ্টিৰ পৰাহে এটা ফলপ্ৰসূ শিক্ষণ-শিকন প্ৰক্ৰিয়া সম্ভৱ। ইয়ে এক সঠিক শিকন অভিজ্ঞতাৰ পৰিকল্পনাৰ আভাস দিয়ে আৰু বিভিন্ন ধৰণৰ শিক্ষণ-শিকন কৌশল অনুসৰণ কৰি শিকন কাৰ্য আগুৱাই নিয়ে। শিক্ষক এজনে শিক্ষাৰ্থীসকলৰ বিশেষ প্ৰেক্ষাপট/পটভূমি আৰু তেওঁলোকৰ শিকনৰ প্ৰয়োজনবোৰ বুজি পোৱাটোৱেই এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ সফলতাৰ মূল ছাবিকাঠি। মান নিৰূপণ হৈছে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা এৰাব নোৱাৰা দিশ আৰু সেয়েহে ই হৈছে ছাত্ৰ-ছাত্ৰীৰ আয়ত্তৰ পৰিধি নিৰ্ধাৰণৰ মূল সূচক। এইটোৱে শ্ৰেণীকোঠাত শিক্ষকসকলৰ অনুশীলন দক্ষতাৰ বলিষ্ঠ ভেটি গঢ়ি তোলে আৰু তেওঁৰ পাৰদৰ্শিতাৰ বা শিকন-দক্ষতাৰ সম্যক ধাৰণা দিয়ে। লগতে ই শিক্ষক এজনৰ নিজৰ বিষয় জ্ঞান, শিক্ষা কৌশল, শিক্ষকৰ শিক্ষণ-শিকন আৰু মান নিৰূপণৰ দৃষ্টিভংগী সম্পৰ্কে আভাস দিয়ে।

## প্ৰতিফলক সংকেত
## (Reflective Prompts )

**প্ৰশ্ন ১ ঃ** ছাত্ৰ-ছাত্ৰীৰ সামাজিক-সাংস্কৃতিক, অৰ্থনৈতিক পটভূমি আৰু তেওঁলোকৰ শিকন প্ৰয়োজনীয়তা সমূহৰ শিক্ষকজনে কিমান দূৰ বুজি পায়?

**প্ৰশ্ন ২ ঃ** দৰকাৰী বিষয়-জ্ঞান আৰু শিক্ষা বিজ্ঞানৰ কৌশল সম্পৰ্কে শিক্ষকজনৰ কিমান গভীৰ জ্ঞান আছে?

**প্ৰশ্ন ৩ ঃ** শিক্ষাৰ্থী কেন্দ্ৰিক শিক্ষণ-শিকন প্ৰক্ৰিয়া ফলপ্ৰসূ কৰিবলৈ শিক্ষকে কিমান প্ৰচেষ্টা কৰে?

**প্ৰশ্ন ৪ ঃ** শিক্ষকসকলে কিমান ফলপ্ৰসূ হোৱাকৈ পাঠ পৰিকল্পনা কৰে আৰু সেই পৰিকল্পনা শ্ৰেণী কোঠাত কেনে ধৰণে প্ৰয়োগ কৰে?

**প্ৰশ্ন ৫ ঃ** শিক্ষাৰ্থীসকলৰ শিকন প্ৰয়োজনীয়তা আৰু প্ৰেক্ষাপটৰ ওপৰত গুৰুত্ব দি শিক্ষকসকলে কিমান ফলপ্ৰসূ হোৱাকৈ শিক্ষণ-শিকন কৌশল, আহিলা-পাতি ব্যৱহাৰ কৰে?

**প্ৰশ্ন ৬ ঃ** শিক্ষকসকলে নিজৰ শিক্ষণ-শিকন প্ৰক্ৰিয়া প্ৰতিফলিত হোৱাকৈ মান নিৰূপণ প্ৰক্ৰিয়া কিমান দূৰ ব্যৱহাৰ কৰে?

## বাস্তৱিক তথ্য
## (Factual Information)

**১. শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সামাজিক-সাংস্কৃতিক আৰু ঘৰুৱা পটভূমিৰ বিষয়ে কিদৰে তথ্য সংগ্ৰহ কৰে?**

(ক) বিদ্যালয়ৰ অভিলেখ ☐ (খ) অভিভাৱকৰ সৈতে ভাব বিনিময় ☐

(গ) ছাত্ৰ-ছাত্ৰীসকলক সুধি ☐

(ঘ) আন তথ্য (উল্লেখ কৰিব) ____________________

**২. শিক্ষকসকলৰ বিভিন্ন ধৰণৰ শিক্ষণ-শিকনৰ সমল লাভৰ সুবিধা**

(ক) সমলৰ বিষয়ে অজ্ঞাত ☐

(খ) সমলসমূহৰ বিষয়ে জ্ঞাত কিন্তু সমল লাভৰ সুবিধা নাই ☐

(গ) সমলৰ সুবিধা তেওঁলোকৰ আছে আৰু তেওঁলোকে ব্যৱহাৰ কৰে

(ঘ) সমল লাভৰ প্ৰতি উদাসীনতা ____________________

**৩. কিহৰ ওপৰত ভিত্তি কৰি শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ শিকনৰ প্ৰতি মনোভাৱ, অভিৰোচন আৰু ৰাপ নিৰূপণ কৰে?**

(ক) বিদ্যায়তনিক আৰু সহঃবিদ্যায়তনিক দিশত তেওঁলোকৰ আহৰণ ☐

(খ) শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সৈতে ভাব বিনিময়ৰ প্ৰমাণ ☐

(গ) অন্যান্য শিক্ষকৰ সৈতে কৰা আলোচনা ☐

(ঘ) শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰত ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা আচৰণ ☐

(ঙ) মান নিৰূপণ কৰিবলৈ অক্ষম ☐

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষকৰ শিক্ষাৰ্থীক বুজি পোৱা | ছাত্ৰ-ছাত্ৰীসকল যেনেকুৱা সামাজিক সাংস্কৃতিক আৰু অৰ্থনৈতিক পটভূমিৰ পৰা আহিছে তাৰ বিষয়ে শিক্ষকসকল অৱগত আৰু শিক্ষাৰ্থীসকলৰ ঘৰুৱা পৰিস্থিতি আৰু শিকনৰ স্তৰ সম্পৰ্কে তেওঁলোক জ্ঞাত। | শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক পটভূমি আৰু শিকন প্ৰয়োজনীয়তাৰ বিষয়ে বুজি পায় আৰু শিক্ষকসকলে সহ শিক্ষক, অভিভাৱক আৰু সমাজৰ লগত ভাব বিনিময় কৰি আৰু শ্ৰেণীকোঠাৰ অভিজ্ঞতাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ শিকন প্ৰয়োজনীয়তাৰ বুজ ল'বলৈ চেষ্টা কৰা | শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ পৰা প্ৰণালীবদ্ধভাৱে প্ৰতিপুষ্টি (feedback) বিচাৰে, ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিগত প্ৰয়োজনীয়তা, শিকনৰ দক্ষতা আৰু সামৰ্থ্যৰ বুজ লয়। |
| শিক্ষকৰ বিষয় আৰু শিক্ষাদান বিধিৰ জ্ঞান | শিক্ষকে কিছুমান ধাৰণা নিজে ভালদৰে বুজি নোপোৱা বাবে মাজে সময়ে শিক্ষা কাৰ্যত জটিলতা অনুভৱ কৰে; শিক্ষকসকলে বিষয়জ্ঞান আৰু শিক্ষা দান কৌশল উন্নত কৰিবলৈ সীমিত প্ৰচেষ্টা কৰে। | শিক্ষকসকলে সংশ্লিষ্ট বিষয়ৰ কিছুমান জটিল ধাৰণা বুজাওঁতে অসুবিধাৰ সন্মুখীন হয়; শিক্ষকসকলৰ সঠিক শিক্ষাৰ দানৰ কৌশলৰ অভাৱ, প্ৰশিক্ষণ কাৰ্যক্ৰমৰ সহায়ত তেওঁলোকে নিজৰ বিষয় জ্ঞান আৰু শিক্ষা দান কৌশল উন্নত কৰিবলৈ চেষ্টা কৰে। উদাহৰণ স্বৰূপে, শিক্ষকে শিক্ষণীয় বিষয়ৰ আলোচনা চক্ৰ, প্ৰশিক্ষণ প্ৰণালী আদিত যোগ দিয়ে। | শিক্ষকসকলৰ বিষয়জ্ঞান আৰু শিক্ষা বিজ্ঞানৰ কৌশলৰ ওপৰত দক্ষতা থকা বাবে কাচিতহে তেওঁলোক শ্ৰেণীকোঠাত পাঠদানৰ সময়ত জটিলতাৰ সন্মুখীন হয়। তেওঁলোকে নিজৰ জ্ঞান আৰু শিক্ষাদানৰ কৌশল উন্নত কৰিবলৈ নিজাববীয়া প্ৰচেষ্টাৰ লগতে প্ৰয়োজন মতে সহঃ শিক্ষকৰ সহায় লয়; বিদ্যালয়েও এই বিষয়ত উন্নতিকৰণৰ বাবে সহায়ৰ হাত আগবঢ়ায়। |

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিকনৰ বাবে পৰিকল্পনা | শিক্ষকসকলে পাঠ্যপুথিত থকা ধৰণেৰে পাঠ পঢ়ায়। পাঠ্যক্ৰম শেষ কৰাৰ ওপৰত নজৰ ৰাখে, তেওঁলোক পঢ়াবলগীয়া বিষয় সম্পৰ্কে আৰু শিক্ষাদানত শিক্ষণ-শিকনৰ সামগ্ৰীৰ ব্যৱহাৰৰ বিষয়ে জ্ঞাত। | শিক্ষকসকলে শিকন আৰু মান নিৰূপণৰ কৌশল আৰু ব্যৱহাৰ কৰিবলগীয়া শিক্ষণ-শিকন সামগ্ৰীৰ বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰে আৰু দিনপঞ্জীত লিপিবদ্ধ কৰি ৰাখে। স্থানীয় সমল ব্যৱহাৰ কৰি অতিৰিক্ত শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰে। | শিক্ষাৰ্থীৰ বিভিন্ন শিকন প্ৰয়োজন পূৰণ কৰিবলৈ প্ৰতিজন শিক্ষকে পাঠৰ পৰিকল্পনা কৰাৰ আৰু শিক্ষণক শিক্ষাৰ্থীকেন্দ্ৰিক কৰি তোলাৰ এটা পৰিৱেশ বিদ্যালয়ত আছে। শিক্ষকে সঠিকভাৱে শিক্ষণ-শিকন সামগ্ৰী ব্যৱহাৰ কৰে; শিক্ষণ শিকনক আনুসংগিক পটভূমি আৰু পৰিৱেশৰ সৈতে জড়িত কৰে; তেওঁ পৰ্যবেক্ষণ, আৱিষ্কাৰ, পৰ্যালোচনা, জটিল প্ৰতিফলন-সমস্যা সমাধান আৰু পুংখানুপুংখ অন্বেষণ ইত্যাদিৰ সঠিক পৰিকল্পনা কৰে আৰু ইয়াৰ পৰা শিক্ষণ ফলপ্ৰসূ কৰিবলৈ উপায় অৱলম্বন কৰে। |
| সুচল শিকন পৰিৱেশ | শিক্ষকসকলে শিক্ষাৰ্থীকলক নাম ধৰি সম্বোধন কৰে। শিক্ষণ শিকনৰ বাবে প্ৰয়োজনীয় ন্যূনতম সম্পদসমূহ উপলব্ধ কৰে। | শিক্ষকসকলে সকলো শিক্ষাৰ্থীক আস্বস্ত কৰি লয় আৰু শ্ৰেণীকোঠাৰ কাৰ্যাৱলীত অংশগ্ৰহণ কৰিবলৈ। অনুপ্ৰাণিত কৰে; তেওঁ ছাত্ৰ-ছাত্ৰীৰ কাৰণে দলবদ্ধ কাম কাজৰ পৰিকল্পনা তথা আয়োজন কৰে আৰু শিক্ষাৰ্থীৰ কাম আৰু চাৰ্ট (chart) ইত্যাদি বেৰত আঁৰি থয়। শিক্ষণ শিকন সামগ্ৰীবোৰ সকলোৰে বাবে উপলব্ধ হয়। | শিক্ষকসকলে শ্ৰেণীকোঠাত এটা সুচল আৰু পাৰস্পৰিক বাৰ্তালাপৰ পৰিৱেশ সৃষ্টি কৰে, সহপাঠীৰ পৰা শিক্ষণ আৰু পৰস্পৰৰ মাজত বাৰ্তালাপক উৎসাহিত কৰে, মনৰ ভাব প্ৰকাশৰ সুবিধা প্ৰদান কৰে। সকলো শিক্ষাৰ্থীৰে মতামতক শলাগি বিভিন্ন ধাৰণা সম্পৰ্কে মত বিনিময় কৰিবলৈ আৰু প্ৰশ্ন সুধিবলৈ উৎসাহিত কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শি ণ-শিকন প্ৰক্ৰিয়া | শিক্ষকে শ্ৰেণীকোঠাত পঢুৱাবলৈ কেৱল পাঠ্যপুথি আৰু ব্লেকব'ৰ্ড ব্যৱহাৰ কৰে; মাজে সময়ে ছাত্ৰ-ছাত্ৰীক ব্লেকব'ৰ্ডৰ পৰা টুকি ল'বলৈ দিয়ে; সময়ে সময়ে ছাত্ৰ-ছাত্ৰীক শ্ৰেণী-কৰ্ম আৰু গৃহ-কৰ্ম কৰিবলৈ দিয়ে। | ছাত্ৰ-ছাত্ৰীক আলোচনাত অংশগ্ৰহণ কৰোৱাবলৈ শিক্ষকে বিভিন্ন ধৰণৰ সহায়ক আহিলা ব্যৱহাৰ কৰে; বিভিন্ন ধাৰণাৰ জ্ঞান দিবলৈ শ্ৰেণীকোঠাত পৰীক্ষা-নিৰীক্ষা কৰিও দেখুৱায়; যিবিলাক ছাত্ৰ-ছাত্ৰীক অতিৰিক্ত সহায়ৰ প্ৰয়োজন, তেওঁলোকৰ বাবে বিশেষ প্ৰচেষ্টা হাতত লয়; গৃহ-কৰ্ম পৰীক্ষা কৰে আৰু সঠিক প্ৰতিপুষ্টি প্ৰদান কৰে। | শিক্ষকে অনুসন্ধান, পুংখানুপুংখ অন্বেষণ, আৱিষ্কাৰ, পৰীক্ষণ, সহ শিকনৰ জৰিয়তে স্বঃ শিকনৰ সুবিধা কৰি দিয়ে; ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কোঠাৰ আলোচনা-বিলোচনাত অংশগ্ৰহণ কৰাটো নিশ্চিত কৰে; প্ৰয়োজন সাপেক্ষে শিক্ষাৰ্থীৰ দ্বাৰা শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰাই লয়। |
| শ্ৰেণী কোঠা পৰিচালনা | শিক্ষসকলে ছাত্ৰ-ছাত্ৰীক ব্লেকব'ৰ্ডৰ ফালে মুখ কৰি শাৰী পাতি বহিবলৈ দি শ্ৰেণীকোঠা পৰিচালনা কৰে; এটা নিৰ্দিষ্ট ঠাইৰ পৰা ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা দিয়ে; ছাত্ৰ-ছাত্ৰীসকলে মাত্ৰ শুনি থাকে; ছাত্ৰ-ছাত্ৰীক নীৰৱে থাকিবলৈ দি শ্ৰেণীকোঠাৰ নিয়ম-শৃংখলা বজাই ৰাখে। | শিক্ষকে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিবলৈ ঠাইৰ সুব্যৱস্থা কৰি লয়; ছাত্ৰ-ছাত্ৰীক শিষ্টাচাৰী আৰু নিয়মানুবৰ্তী হোৱাত উৎসাহিত কৰে; শ্ৰেণীকোঠা পৰিচালনা কৰিবৰ বাবে শিক্ষকে ঠিক কৰি দিয়া নিয়মসমূহ ছাত্ৰ-ছাত্ৰীসকলে মানি চলে। | ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে সমূহীয়াভাৱে শ্ৰেণীকোঠা পৰিচালনাৰ নিয়মসমূহ নিৰ্ধাৰণ কৰে। শ্ৰেণীকোঠাত বহিবৰ বাবে কোনো ধৰা বন্ধা নিয়ম নাই। ছাত্ৰ-ছাত্ৰীসকলে নিয়োজিত হৈ থকা কাম-কাজত সুবিধা হোৱাকৈ আসন লয়; ছাত্ৰ-ছাত্ৰীসকলে স্ব-নিয়মানুবৰ্তীতা অৱলম্বন কৰে আৰু সামূহিকভাৱে প্ৰৱৰ্তন কৰা নীতি-নিয়মবোৰ মানি চলে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষাৰ্থীৰ মানদণ্ড নিৰূপণ | শিক্ষকে উপযুক্ত নীতি মতে ছাত্ৰ-ছাত্ৰীৰ মানদণ্ড নিৰূপণ কৰে। সাধাৰণতে পৰীক্ষাসমূহ মুখস্থ বিদ্যাৰ যোগেদি আৰু পাঠ্যপুথিৰ অনুশীলনী আৰু বিষয়বস্তুৰ পৰা আহৰণ কৰা তথ্যগত জ্ঞানৰ মানদণ্ড নিৰূপণ কৰিবলৈ পতা হয়। খতিয়ান পত্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সফলতাৰ বিষয়ে অভিভাৱকক অৱগত কৰোৱা হয়। | শিক্ষকসকলে নিৰ্ধাৰিত বিধি মতে কলা, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাকে ধৰি বিদ্যায়তনিক সকলো দিশৰ মান নিৰূপণ কৰিবলৈ বিভিন্ন ধৰণৰ কাৰ্যকলাপৰ ব্যৱহাৰ কৰে; শিক্ষকে অগ্ৰগতিৰ খতিয়ান পত্ৰত উন্নতিৰ দিশসমূহ উনুকিয়াই প্ৰতিপুষ্টি প্ৰদান কৰে। শিক্ষকসকলে নিয়মিতভাৱে ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ বিষয়ে অভিভাৱকক অৱগত কৰায়। | শিক্ষকে মান নিৰূপণ প্ৰক্ৰিয়াক শিক্ষণ শিকন প্ৰক্ৰিয়াৰ ওতঃপ্ৰোত অংশ বুলি ভাবে, শিক্ষাৰ্থীৰ পূৰ্বৰ অগ্ৰগতিৰ খতিয়ান পৰ্যালোচনা কৰে আৰু তাক বৰ্তমানৰ অগ্ৰগতিৰ স্তৰৰ লগত মিলাই চায়; অবিৰত ভাৱে মান নিৰ্ধাৰণ কৰে আৰু অগ্ৰগতি আৰু সাফল্যৰ প্ৰতিপুষ্টি প্ৰদান কৰে; ব্যক্তিগত আৰু সামাজিক গুণাগুণসমূহৰ লগত অন্যান্য বিদ্যায়তনিক দিশৰ পদ্ধতিগতভাৱে মান নিৰূপণ কৰে আৰু উৎকৰ্ষ সাধনৰ ব্যৱস্থা লয়; মান নিৰূপণৰ পৰা অভিজ্ঞতাৰ সহায়ত পোৱা পাঠ্যপুথি শিক্ষণ-শিকন উন্নত কৰিবলৈ ব্যৱহাৰ কৰে। |
| শিক্ষণ শিকন সামগ্ৰীৰ ব্যৱহাৰ | শিক্ষকে শ্ৰেণীকোঠাত পঢ়ুৱাবলৈ প্ৰধানকৈ পাঠ্যপুথি ব্যৱহাৰ কৰে; অন্য শিক্ষণ শিকন সামগ্ৰী কেতিয়াবাহে কোনো পৰিকল্পনা নোহোৱাকৈ ব্যৱহাৰ কৰে। | শিক্ষকে পাঠ্যপুথিৰ বাহিৰেও অন্য সম্পদ, যেনে- প্ৰসংগ পুথি, চাৰ্ট, নক্সা, মডেল, ডিজিটেল শিকনৰ সামগ্ৰীৰ টোপোলা (kit) স্থানীয় সম্পদ ব্যৱহাৰ কৰে; বিজ্ঞান, গণিত আৰু ভাষা পৰীক্ষাগাৰ আদি প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰে। বিদ্যালয়ে সমলৰ তালিকা প্ৰস্তুত কৰি সেইবোৰ শিক্ষকসকলে যেতিয়াই বিচাৰে তেতিয়াই পোৱাকৈ ৰাখে। | শিক্ষকে শিক্ষণ-শিকন সামগ্ৰীৰ ৰাজহুৱা সমল, তথা প্ৰযুক্তি সহায়ক সামগ্ৰী, বিজ্ঞানাগাৰ, গ্ৰন্থাগাৰ ইত্যাদিৰ সঠিক সমাহাৰ পাঠত ঘটায়। বিদ্যালয়ে অন্য বিদ্যালয়ৰ লগত সম্পদৰ ভাগ বিতৰণৰ বাবে যোগাযোগৰ ব্যৱস্থা লয়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
| --- | --- | --- | --- |
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| **শিক্ষকৰ নিজৰ শিক্ষণ শিকন অনুশীলনৰ অৱলোকন** | শিক্ষকসকলে মাজে সময়ে তেওঁলোকৰ নিজৰ শিক্ষণ-শিকন অনুশীলন আৰু শিক্ষাৰ্থীৰ অগ্ৰগতিৰ বিষয়ে চিন্তা কৰে। | শিক্ষকসকলে নিয়মীয়াকৈ তেওঁলোকৰ শিক্ষণ-শিকন অনুশীলনৰ বিষয়ে চিন্তা কৰে আৰু তাক নথিভুক্ত কৰি ৰাখে। তেওঁলাকে পাঠ পৰিকল্পনা, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ক্ৰিয়াশীলতাৰ ওপৰত পুনৰ চিন্তাচৰ্চা কৰে আৰু প্ৰয়োজন সাপেক্ষে উন্নতিৰ বাবে প্ৰচেষ্টা হাতত লয়। | ফলাফলৰ ভিত্তিত, শিক্ষকসকলে, ব্যক্তিগতভাৱে আৰু সামূহিকভাৱে, পৰিকল্পনা কৰা মতে শিক্ষণ-শিকন প্ৰক্ৰিয়া সাৰ্থক হৈছে নে নাই সেই কথা পুনৰ বিচাৰ কৰে আৰু দুয়োটাৰে মাজত থকা ব্যৱধান বিচাৰি উলিয়ায়; অৱলোকনৰ ওপৰত ভিত্তি কৰি বিকল্প শিক্ষণ অভিজ্ঞতা প্ৰদানৰ পৰিকল্পনা কৰে। |

## বিদ্যালয়ৰ প্ৰগতি

## প্ৰমাণৰ উৎসসমূহ

| | |
|---|---|
| প্ৰাসংগিক প্ৰমাণ (সাধাৰণ মান/ নিৰ্দেশনা/পঞ্জীয়ন চৰকাৰী আদেশ) | ➤ SSA Framework for Implementation Chapter –IV (pp 55–82)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➤ NCF–2005 Chapter–II (pp 12–34), Chapter –III (pp 35–77) and Chapter –IV (pp 78–100)<br>(http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf)<br>➤ RTE Act-2009 Chapter -IV (clause 24 at p.8), Chapter-V (clause 29 at p.9)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf)<br>➤ Learning Indicators for Elementary and Secondary for all subjects developed by NCERT<br>(http://www.ncert.nic.in/departments/nie/dee/publication/pdf/LI_Final_Copy_Revised_29.12.14.pdf)<br>➤ ADEPTs (Advancement of Educational Performance through Teacher Support : An MHRD 3- UNICEF Initiative)<br>(http://prayatna.typepad.com/files/adepts.pdf)<br>➤ PINDICS (Performance Indicators for Elementary School Teacher), NCERT (2013)<br>(http://www.ncert.nic.in/pdf_files/PINDICS.pdf)<br>➤ Teachers Manual Formative Assessment (Science), CBSE (2010) (p. vii)<br>(http://www.cbse.nic.in/cce/cce-manual/CBSE-FA-Class-IX%20(Science)%20Final.pdf) |
| বিদ্যালয়ত সহজলভ্য সহায়ক প্ৰমাণ | ➤ বিদ্যালয়ে প্ৰস্তুত কৰা আৰু মজুত ৰখা শিক্ষাৰ্থীৰ সবিশেষ বিৱৰণি<br>➤ শিক্ষক শিক্ষাৰ্থীৰ ঘৰলৈ শিক্ষক যোৱাৰ খতিয়ান<br>➤ শিক্ষকে অংশগ্ৰহণ কৰা চাকৰিকালীন প্ৰশিক্ষণ, আলোচনা, শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুতিৰ কৰ্মশালাৰ খতিয়ান।<br>➤ পাঠ পৰিকল্পনা আৰু শিক্ষণ পৰিকল্পনা (যদি আছে)<br>➤ বিদ্যালয়ে ক্ৰয় কৰা আলোচনী/পত্ৰিকাৰ তালিকা<br>➤ শিক্ষকে পোৱা/ প্ৰস্তুত কৰা শিক্ষণ-শিকন সামগ্ৰীৰ তালিকা<br>➤ প্ৰকল্প পৰীক্ষণ কৰিবলৈ দিয়া বিদ্যায়তনিক কাম, ক্ষেত্ৰ ভ্ৰমণৰ প্ৰতিবেদনৰ নমুনা<br>➤ শিক্ষাৰ্থীৰ অগ্ৰগতিৰ খতিয়ান/ ক্ৰমবৰ্ধনশীল খতিয়ান<br>➤ মান নিৰূপণৰ খতিয়ান, নম্বৰ/ গ্ৰেডৰ উল্লেখ থকা অবিৰত সামগ্ৰিক মূল্যায়নৰ পঞ্জী<br>➤ শিক্ষকৰ আলোচনা চক্ৰ/ কৰ্মশালা ইত্যাদিলৈ বৰঙণি<br>➤ শিকন সমল, যেনে- উৎস পুথি (resource) আৰু অন্য আৰ্হিস্বৰূপ আহিলাৰ সংগ্ৰহ।<br>➤ বিদ্যালয়ে স্থানীয় কোনো ব্যক্তি, শিল্পীৰ পৰা পোৱা সেৱাৰ তথ্য<br>➤ শিক্ষাৰ্থীৰ উপস্থিতিৰ খতিয়ান<br>➤ ছাত্ৰ-ছাত্ৰীৰ গৃহকাৰ্য, শ্ৰেণীকাৰ্য, প্ৰশ্নকাকতৰ নমুনা,<br>➤ শিক্ষা শিকনৰ ওপৰত বিদ্যালয়ৰ মুৰব্বী, কেন্দ্ৰ সমল সমন্বয়ক (CRC), খণ্ড সমল সমন্বয়ক (BRC) বা আন কোনো নিৰীক্ষকে দিয়া পৰামৰ্শৰ তথ্য। |

| বিদ্যালয়ে সৃষ্টি কৰিবলগীয়া প্ৰমাণ | বিদ্যালয়ে তলত দিয়া আহিলা/ পদ্ধতিৰ জৰিয়তে প্ৰমাণ সৃষ্টি কৰিব পাৰে —<br>➢ শিক্ষকে প্ৰস্তুত কৰা পাঠ পৰিকল্পনা আৰু তেওঁলোকৰ শ্ৰেণীকোঠাৰ কাৰ্য-কলাপৰ বিষয়ে বিদ্যালয়ৰ মুৰব্বীয়ে কৰা নিৰীক্ষণৰ তথ্য<br>➢ শিক্ষণ শিকন প্ৰক্ৰিয়াৰ বাবে অভিভাৱক আৰু শিক্ষাৰ্থীৰ লগত কৰা মত বিনিময়<br>➢ ছাত্ৰ-ছাত্ৰীৰ লগত বিদ্যালয়ৰ মুৰব্বীৰ ভাব বিনিময়ৰ তথ্য |
|---|---|

## উদ্ভাৱন
## Innovation(s)

# সঁহাৰি আধাৰক (Response Matrix)

## শিক্ষণ-শিকন আৰু মানদণ্ড নিৰূপণ

| ঘাই মাপকাঠি | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| শিক্ষকসকলে শিকাৰুক কিমান বুজি পাইছে | | | |
| বিষয় আৰু শিক্ষণ বিষয়ৰ ওপৰত শিক্ষকৰ জ্ঞান | | | |
| শিক্ষণৰ পৰিকল্পনা | | | |
| শিকন পৰিৱেশ সুচলকৰণ | | | |
| শিক্ষণ-শিকন প্ৰক্ৰিয়া | | | |
| শ্ৰেণীকোঠা পৰিচালনা | | | |
| শিকাৰুৰ মানদণ্ড নিৰূপণ | | | |
| শিক্ষণ-শিকন সমলৰ সদ্-উপযোগ | | | |
| শিক্ষকৰ নিজৰ শিক্ষণ-শিকন আভাসৰ ওপৰত চিন্তা চৰ্চা | | | |

## উন্নয়নৰ বাবে পৰিকল্পনা

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| শিক্ষকসকলে শিকাৰুক কিমান বুজি পাইছে | | | | | | | | | |
| বিষয় বা শিক্ষা বিষয়ৰ ওপৰত শিক্ষকৰ জ্ঞান | | | | | | | | | |
| শিক্ষণৰ পৰিকল্পনা | | | | | | | | | |
| শিকন পৰিৱেশ সুচলকৰণ | | | | | | | | | |
| শিক্ষণ-শিকন প্ৰক্ৰিয়া | | | | | | | | | |

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ/সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| শ্ৰেণীকোঠা পৰিচালনা | | | | | | | | | |
| শিকাৰুৰ মানদণ্ড নিৰ্ধাৰণ | | | | | | | | | |
| শিক্ষণ-শিকন সমলৰ ব্যৱহাৰ | | | | | | | | | |
| শিক্ষকৰ নিজৰ শিক্ষণ-শিকন অভ্যাসৰ ওপৰত চিন্তা চৰ্চা | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

# ঘাই ক্ষেত্ৰ - তৃতীয়

# *Key Domain* III



## শিক্ষাৰ্থীৰ প্ৰগতি, প্ৰাপ্তি আৰু বিকাশ

# ঘাই ক্ষেত্ৰ - তৃতীয়

# *Key Domain* III

## শিক্ষাৰ্থীৰ প্ৰগতি, প্ৰাপ্তি আৰু বিকাশ

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

ভাল স্কুলীয়া শিক্ষাৰ প্ৰাথমিক উদ্দেশ্য হৈছে, শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশ। এই বিকাশে শিক্ষাৰ্থীৰ প্ৰজ্ঞাত্মক, আৱেগিক আৰু মনোপেশীয় ক্ষেত্ৰক সামৰি লয়। শিক্ষাৰ্থীসকলক পাঠ্যক্ৰমৰ সকলো ক্ষেত্ৰত অংশগ্ৰহণ কৰাত উদগণি দি, দীৰ্ঘ সময় ধৰি তেওঁলোকৰ প্ৰগতি অবিৰতভাৱে নিৰীক্ষণ কৰি এই লক্ষ্যত উপনীত হ'ব বিচাৰে। বিদ্যায়তনিক প্ৰগতিৰ উপৰি ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবেও উদগণি দিয়ে। সহঃ বিদ্যায়তনিক ক্ষেত্ৰত উন্নতিৰ বাবে বিভিন্ন ধৰণৰ সুবিধা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা, পাৰস্পৰিক আৰু সামাজিক কৌশলৰ বিকাশ নিশ্চিত কৰাটোও ইয়াৰ ভিতৰত সন্নিবিষ্ট হৈ আছে। শিকনৰ সকলো ধৰণৰ বাঞ্ছনীয় ফলাফল এই ক্ষেত্ৰটোৱে সাঙুৰি লয়।

## প্ৰতিফলক সংকেত
## (Reflective Prompts)

**প্ৰশ্ন ১ ঃ** শিক্ষাৰ্থীসকল সময়মতে আৰু নিয়মিতভাৱে বিদ্যালয়লৈ আহে নে?

**প্ৰশ্ন ২ ঃ** বিদ্যালয়ে কেনেদৰে উপস্থিতি নিৰীক্ষণ কৰে আৰু দীঘলীয়া সময়ত অনুপস্থিতিৰ বাবে হ'ব লগা শিকনৰ ক্ষতি কি ধৰণেৰে পূৰণ কৰাৰ ব্যৱস্থা লয়?

**প্ৰশ্ন ৩ ঃ** বিভিন্ন ধৰণৰ শিক্ষণৰ কাৰ্য ক্ৰমনিকাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ কিদৰে সুনিশ্চিত কৰে?

**প্ৰশ্ন ৪ ঃ** ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিভাক বিদ্যালয়ে কিদৰে চিনাক্ত কৰে আৰু কেনেদৰে তাৰ উৎকৰ্ষ সাধনৰ চেষ্টা কৰে?

**প্ৰশ্ন ৫ ঃ** বিদ্যালয়ে কিদৰে শিক্ষাৰ্থীৰ প্ৰাপ্তিৰ মান নিৰূপণ কৰে আৰু পাঠ্যক্ৰমত আশা কৰা ধৰণেৰে কিদৰে এটা শ্ৰেণীৰ পৰা আনটো শ্ৰেণীলৈ তেওঁলোকৰ উত্তৰণ সুনিশ্চিত কৰে?

**প্ৰশ্ন ৬ ঃ** বিদ্যালয়ে কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ বিদ্যায়তনিক প্ৰগতি ধাৰাবাহিকভাৱে নিৰীক্ষণ কৰে?

**প্ৰশ্ন ৭ ঃ** বিদ্যালয়ে কিদৰে শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশ সুনিশ্চিত কৰে আৰু লগতে এই দিশসমূহৰ প্ৰগতি নিৰীক্ষণ কৰে?

## বাস্তৱিক তথ্য ঃ
## (Factual Information)

(বিদ্যালয়ে এটাতকৈ অধিক বিকল্প উত্তৰ দিব পাৰে)

১. চলিত শিক্ষিত বৰ্ষত বিদ্যালয়ৰ উপস্থিতিৰ গড় ______________________

২. সময় মতে আৰু নিয়মিতভাৱে বিদ্যালয়ত উপস্থিতিৰ বাবে বিদ্যালয়ে শিক্ষাৰ্থীক দিয়া (যদি দিয়ে) পুৰস্কাৰৰ প্ৰকাৰ ______________________

______________________

______________________

৩. বিদ্যালয়ত সময় মতে আৰু নিয়মিত উপস্থিতিৰ পৃষ্ঠপোষকতা কৰিবলৈ লোৱা ব্যৱস্থাৰ অভিলেখ—

(ক) পিতৃ-মাতৃ/অভিভাৱকৰ সৈতে পতা সভাৰ বিৱৰণি ☐

(খ) বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনিয়মীয়া উপস্থিতিৰ বিষয়ে পিতৃ-মাতৃ/অভিভাৱকসকলক সোঁৱৰাই দি প্ৰেৰণ কৰা পত্ৰ ☐

(গ) অন্যান্য (উল্লেখ কৰিব)______________________

(ঘ) কোনো নথি নাই ☐

৪. শিক্ষাৰ্থীৰ উপস্থিতিৰ পঞ্জীয়ন তালিকা নিয়মীয়া কৰি ৰখা হয় নে? হয় ☐ নহয় ☐

৫. (ক) প্ৰতি মাহতে শিক্ষাৰ্থীৰ উপস্থিতিৰ গড় গণনা কৰা হয় নে? হয় ☐ নহয় ☐

(খ) প্ৰতিমাহৰ উপস্থিতিৰ গড় প্ৰতিটো শ্ৰেণীৰে বেলেগে গণনা কৰা হয় নে? হয় ☐ নহয় ☐

৬. শিক্ষকে পাঠদান কৰিব নোৱাৰা কোনো শ্ৰেণীৰ বাবে বিকল্প ব্যৱস্থা—

(ক) অন্য শিক্ষকৰ শ্ৰেণীৰ লগত সংযোজিত কৰি লোৱা হয়। ☐

(খ) আজৰি হৈ থকা শিক্ষকৰ দ্বাৰা পাঠদানৰ ব্যৱস্থা কৰা হয়। ☐

(গ) কোনো ব্যৱস্থা লোৱা নহয়। ☐

(ঘ) অন্যান্য (উল্লেখ কৰিব)————————————————————

৭. (ক) বিদ্যালয়ে প্ৰতি শিক্ষাৰ্থীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ পৰীক্ষণ আৰু নিশ্চিতকৰণ কৰে নে? কৰে ☐ নকৰে ☐

(খ) যদি কৰে, তেন্তে

(i) বিদ্যালয় সভাত মাজে সময়ে প্ৰতি জন শিক্ষাৰ্থীৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাক ওপৰত গুৰুত্ব দিয়া হয়। ☐

(ii) শ্ৰেণীকোঠাত বা বিদ্যালয় সভাৰ সময়ত প্ৰতিদিনে শিক্ষাৰ্থীৰ স্পষ্টতাৰ পৰীক্ষণ আৰু স্বচ্ছতাৰ ওপৰত প্ৰশ্ন কৰা হয়। ☐

(iii) বিদ্যালয় সভাৰ সময়ত ব্যক্তিগত স্বচ্ছতাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়া হয়। ☐

(iv) অন্যান্য (উল্লেখ কৰিব)————————————————————

৮. শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবে বিদ্যালয়ে লোৱা কাৰ্যক্ৰমণিকাৰ তালিকা ————

————————————————————————————————

————————————————————————————————

৯. শিক্ষাৰ্থীৰ ব্যক্তিগত বিকাশক কিদৰে নিৰীক্ষণ কৰা হয়?

(ক) শিক্ষাৰ্থীক শ্ৰেণীকোঠাত আৰু তেওঁলোকে অংশগ্ৰহণ কৰা খেলা-ধূলা আৰু অন্যান্য সহঃ বিদ্যায়তনিক কাৰ্যৰ সময়ত পৰ্যৱেক্ষণ কৰি ☐

(খ) শিক্ষাৰ্থীৰ অংশগ্ৰহণ আৰু প্ৰাপ্তিৰ তথ্য সংৰক্ষণ কৰি ☐

(গ) ব্যক্তিগত আৰু সামাজিক বিকাশৰ বাবে কোনো প্ৰচেষ্টা লোৱা নহয়। ☐

(ঘ) অন্যান্য (উল্লেখ কৰিব) ————————————————

————————————————————————————————

১০. শিক্ষাৰ্থীৰ প্ৰাপ্তিক কি ধৰণে জোখা হয় আৰু বিভিন্ন সময়ত কিদৰে তেওঁলোকৰ প্ৰগতিৰ বিষয়ে জানিব পাৰি?

(ক) সময়ে সময়ে কৰা পৰীক্ষা ☐ (খ) ছমহীয়া পৰীক্ষা ☐

(গ) বছৰেকীয়া পৰীক্ষা ☐ (ঘ) নম্বৰৰ ওপৰত ভিত্তি কৰি প্ৰদান কৰা গ্ৰেড ☐

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষাৰ্থীৰ উপস্থিতি | শিক্ষকসকলে শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য নিয়মীয়াকৈ লয় আৰু সংৰক্ষণ কৰে। যিবোৰ ছাত্ৰ প্ৰায়েই অনুপস্থিত থাকে আৰু নিয়মীয়াকৈ নাহে তেওঁলোকক চিনাক্ত কৰে, শ্ৰেণী অনুসৰি শিক্ষাৰ্থীৰ উপস্থিতিৰ তালিকা বিদ্যালয়ৰ জাননী ফলকত আঁৰি ৰাখে, প্ৰায়ে অনুপস্থিত শিক্ষাৰ্থীৰ বিষয়ে অভিভাৱকক অৱগত কৰায়। | বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ বিষয়ে অভিভাৱকসকলক নিয়মীয়া তথ্য প্ৰদান কৰে, সঘন অনুপস্থিতি আৰু দীঘলীয়া সময়ৰ বাবে অনুপস্থিতিৰ কাৰণসমূহ চিনাক্ত কৰে, কম উপস্থিতিয়ে শিকনৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে শিক্ষাৰ্থী আৰু অভিভাৱক উভয়ৰ লগত আলোচনা কৰে, যেতিয়াই সঠিক বুলি ভাবে তেতিয়াই শিক্ষক ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ যায়। | বিদ্যালয়ে সকলো ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ তথ্য পৰ্যালোচনা কৰে। উচ্চ হাৰত অনুপস্থিতিৰ লগত কোনো বিশেষ শ্ৰেণীৰ শিক্ষাৰ্থীৰ অথবা বছৰটোৰ কোনো বিশেষ সময়ৰ বা কিবা সম্পৰ্ক আছে নেকি তাক সুনিশ্চিত কৰে; বিদ্যালয় পৰিচালনা সমিতি আৰু অভিভাৱকৰ সহায়ত সমস্যাটোৰ বুজ লয়, নিয়মিত আৰু সময়মতে উপস্থিতি নিশ্চিত কৰিবৰ বাবে শিক্ষাৰ্থী আৰু অভিভাৱক সকলক অনুপ্ৰাণিত কৰিবলৈ বিভিন্ন বিধান লয়, শিক্ষাৰ্থীৰ নিয়মানুৱৰ্তিতা আৰু নিয়মিত উপস্থিতিক প্ৰশংসা আৰু স্বীকৃতি দিয়ে। |
| ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ আৰু জড়িতকৰণ | শিক্ষাৰ্থীসকলে শিক্ষকৰ লগত কোনো ধৰণৰ মত বিনিময় নকৰাকৈ নীৰৱে শ্ৰেণী কোঠাত শুনি থাকে; বিদ্যালয়ে কিছুমান বাধ্যতামূলক অনুষ্ঠান আৰু সহঃ বিদ্যায়তনিক কৰ্ম সূচীৰ আয়োজন কৰে; সাধাৰণতে একেখিনি ছাত্ৰ ছাত্ৰীয়েই এই কাৰ্যসূচী সমূহত অংশগ্ৰহণ কৰে। | কিছুমান শিক্ষাৰ্থীয়েহে শ্ৰেণী কোঠাৰ আলোচনা আৰু মত বিনিময়ত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে, বিদ্যালয়ে বিভিন্ন ধৰণৰ সহঃ বিদ্যায়তনিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে, শিক্ষকসকলেও শিক্ষাৰ্থীসকলক এই কাৰ্যসূচীবোৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ অভিৰোচন কৰে, এক গৰিষ্ঠ সংখ্যক শিক্ষাৰ্থীয়ে এই কৰ্মসূচীত অংশগ্ৰহণ কৰে। | সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কোঠাৰ আলোচনাত অংশ গ্ৰহণ কৰে আৰু শিক্ষক আৰু সহঃপাঠীসকলৰ লগত মত বিনিময় কৰে। বিদ্যালয়ে শিক্ষাৰ্থীসকলৰ বিভিন্ন সহঃবিদ্যায়তনিক দিশত থকা প্ৰতিভা চিনাক্তকৰণ কৰে আৰু সেই দিশবোৰক অধিক পাৰদৰ্শী কৰি তুলিবলৈ সুবিধা আৰু প্ৰশিক্ষণ প্ৰদান কৰে; বিদ্যালয়ে আয়োজন কৰা বিভিন্ন অনুষ্ঠান আৰু সহঃ বিদ্যায়তনিক কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহেৰে আৰু উদ্যমেৰে অংশগ্ৰহণ কৰে। |

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষাৰ্থীৰ প্ৰগতি | বিদ্যালয়ে নিৰ্দেশনা অনুযায়ী, যথা নিৰ্ধাৰিত বিবৃতি পত্ৰত অথবা অবিৰত আৰু সামগ্ৰিক মূল্যায়ন পঞ্জী আদিত শিক্ষাৰ্থীৰ প্ৰগতিৰ অভিলেখ লিপিবদ্ধ কৰে আৰু একে ঠাইতে তথ্য ভাণ্ডাৰ হিচাপে ৰাখে। | বিদ্যালয়ে অবিৰতভাৱে শিক্ষাৰ্থীৰ ব্যক্তিগত প্ৰগতি পাঠ্যক্ৰমত আশা কৰা ধৰণে বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক দিশত হৈছে নে নাই অনুধাৱন কৰে। বিদ্যালয়ে শ্ৰেণী অনুসৰি আৰু বিভিন্ন বৰ্গৰ শিক্ষাৰ্থীৰ বাবে এক ক্ৰমবৰ্ধনশীল তথ্যসম্ভাৰ (date base) প্ৰস্তুত কৰে আৰু তাত প্ৰতিবছৰে শেহতীয়া তথ্যৰ অন্তৰ্ভুক্ত কৰে। | বিদ্যালয়ে প্ৰতিজন শিক্ষাৰ্থীৰ প্ৰতিটো বিষয় আৰু সহঃ বিদ্যায়তনিক দিশত প্ৰগতি সন্ধান আৰু নিৰীক্ষণ কৰে; শিক্ষাৰ্থীৰ বিভিন্ন শিকন আগ্ৰহৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ শিকনৰ আৰম্ভণিৰ পৰা সময়ে সময়ে তেওঁলোকৰ শিকনৰ বিভিন্নতা অনুযায়ী প্ৰস্তুত টোকাসমূহ বিশ্লেষণ কৰি ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী বা দলৰ প্ৰগতিৰ ধাৰা চিনাক্ত কৰে। এনে ধৰণে বিশ্লেষণ কৰি পোৱা তথ্যৰ ভিত্তিত শ্ৰেণীকক্ষৰ অভ্যসন কৰায় আৰু ৰাজ্যিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ অন্য শিক্ষাৰ্থীসকলৰ সমপৰ্যায়ৰ ফল লাভ নিশ্চিত কৰিবৰ প্ৰয়াস কৰে। |
| শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশ | ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত আৰু সামাজিক বিকাশৰ সূচকসমূহৰ বিষয়ে, যেনে - জাতীয়তাবাদৰ ভাৱ, সহিষ্ণুতা ধৰ্মনিৰপেক্ষ ব্যৱহাৰ, পাৰস্পৰিক সুসম্পৰ্ক আদিৰ বিষয়ে বিদ্যালয়খন অৱগত; বিদ্যালয়ে বিভিন্ন ধৰণৰ কাৰ্যসূচী , যেনে - প্ৰাতঃসভা, ৰাষ্ট্ৰীয় দিৱসসমূহৰ উদ্‌যাপন আৰু বাধ্যতামূলক উৎসৱসমূহৰ আয়োজন/উদ্‌যাপন কৰে। | শিক্ষকে সামাজিক আৰু পাৰস্পৰিক কৌশলসমূহৰ বিকাশ সাধন কৰিবলৈ শ্ৰেণীকোঠাত দলগত কৰ্মসূচীৰ আয়োজন কৰে; বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ সামাজিক আৰু ব্যক্তিগত বিকাশৰ প্ৰয়োজনীয়তাবোৰ আলোচনা কৰিবলৈ অভিভাৱক আৰু সমাজৰ লগত সভা অনুষ্ঠিত কৰে। | বিদ্যালয়ে শ্ৰেণীকোঠাৰ দৈনন্দিন কাৰ্যকলাপৰ লগত জীৱন শৈলীৰ কৌশল সংলগ্ন কৰে যাতে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল আৰু জটিল চিন্তাধাৰা, সমস্যা সমাধান, সিদ্ধান্ত গ্ৰহণ কৰিব পৰা ক্ষমতা, যোগাযোগ আৰু পাৰস্পৰিক কৌশলসমূহৰ বিকাশত অৰিহণা যোগাব পাৰে; শিক্ষকে বিভিন্ন সমল, যেনে - সাধু কথা, দৃশ্য-শ্ৰাব্যমান ফলক (clips), দৃশ্য ইত্যাদি সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত ব্যৱহাৰ কৰে যাতে উচিত প্ৰমূল্যবোধ গঢ়ি তুলিব পাৰি; শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ পৰা আশা কৰা ধৰণৰ ব্যৱহাৰ পোৱাৰ ওপৰত নজৰ ৰাখে; শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশত ঘৰ আৰু বিদ্যালয়ৰ ভূমিকাৰ বিষয়ে অভিভাৱকৰ লগত আলোচনা কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষাৰ্থীৰ ফল প্ৰাপ্তি | কমসংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে পাঠ্যক্ৰমিক উদ্দেশ্য জ্ঞান আৰু কৌশল সাধন কৰিব পাৰে। পাঠ্যক্ৰমৰ সকলো দিশত ছাত্ৰ-ছাত্ৰীয়ে কিমানখিনি আয়ত্ব কৰিব পাৰিছে তাক নিশ্চিত কৰিবলৈ বিদ্যালয়ে প্ৰতিটো শিক্ষাবৰ্ষৰ অন্তত স্তৰ নিৰ্ণয় কৰিবলৈ এৰকোটা মান নিৰূপণ পৰীক্ষা পাতে। | কিছুমান শিক্ষাৰ্থীয়ে প্ৰতিটো গ্ৰেডতে পাঠ্যক্ৰমিক উদ্দেশ্যসমূহ (জ্ঞান আৰু কৌশল) সাধন কৰিব পাৰে; কিন্তু, সৰহসংখ্যকে আশা কৰা পৰ্যায়ৰ গ্ৰেডতকৈ তলত নামমাত্ৰ ভাৱেহে আকাংক্ষিত ফল লাভ কৰে; বিদ্যালয়ে ফল প্ৰাপ্তিৰ পৰ্যায়ৰ উন্নত কৰিবলৈ নিদানমূলক ব্যৱস্থা গ্ৰহণ কৰে আৰু তাৰ দ্বাৰা শিক্ষাৰ্থীসকলক আনটো পৰ্যায়লৈ যাবলৈ প্ৰস্তুত কৰে। | সৰহসংখ্যক শিক্ষাৰ্থীয়ে আশা কৰাতকৈ উচ্চ পৰ্যায়ৰ গ্ৰেড লাভ কৰিবলৈ সমৰ্থ হয়; বিদ্যালয়ে শিক্ষাৰ্থীসকলৰ গ্ৰেডৰ পৰ্যায় উন্নত কৰি ৰাখিবলৈ অবিৰতভাৱে তেওঁলোকৰ শিক্ষণ পদ্ধতিৰ উৎকৰ্ষ সাধন কৰি থাকে। |

বিদ্যালয়ৰ প্ৰগতি

## প্ৰমাণৰ উৎস
## (Sources of Evidence)

| | |
|---|---|
| প্ৰাসংগিক প্ৰমাণ (নীতি/ নিৰ্দেশনা/ পঞ্জীয়ন/ চৰকাৰী আদেশ) | ➢ RTE Act, 2009 Chapter-V (clause 29 at p. 9)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf)<br>➢ Teachers Manual Formative Assessment (Science), CBSE (2010) (pp. iii-viii)<br>(http://www.cbse.nic.in/cce/cce-manual/CBSE-FA-Class-IX%20(Science)%20Final.pdf)<br>➢ NCF-2005 Chapter-II (pp. 12-34), & Chapter- IV (pp- 78-100)<br>➢ (http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf) |
| বিদ্যালয়ত উপলব্ধ সহায়ক প্ৰমাণ | ➢ শিক্ষাৰ্থীৰ উপস্থিতিৰ পঞ্জীয়ন<br>➢ দীঘলীয়া অনুপস্থিতি আৰু তাৰ বাবে কাৰ্য ব্যৱস্থা গ্ৰহণ<br>➢ নিয়মীয়া উপস্থিতি আৰু সময়ানুৱৰ্তিতাৰ বাবে ব্যৱস্থা গ্ৰহণ<br>➢ শিক্ষক সঘনাই অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ ঘৰলৈ যায় আৰু অভিভাৱকৰ সৈতে আলোচনা কৰে।<br>➢ খতিয়ান পত্ৰ আৰু অবিৰত সামগ্ৰিক মূল্যায়ন ইত্যাদি<br>➢ বিদ্যালয়ত আয়োজন কৰা অনুষ্ঠান, কাৰ্যসূচীৰ তালিকা<br>➢ সহ বিদ্যায়তনিক কৰ্মসূচী, খেলা-ধূলা, সাংস্কৃতিক কাৰ্যসূচী আদিত অংশগ্ৰহণ<br>➢ শিক্ষাৰ্থীৰ টোকাবহী, উত্তৰ কাকত আৰু প্ৰতিপুষ্টিৰ নমুনা শিক্ষাৰ্থীক প্ৰদান<br>➢ প্ৰাথমিক সহায়ক আৰু নিয়মীয়া বিৰতিৰ ভিত্তিত শিক্ষাৰ্থীৰ অগ্ৰগতিৰ খতিয়ান<br>➢ যিবিলাক শিক্ষাৰ্থীক বিশেষ দায়িত্ব দিয়া হৈছে তেওঁলোকৰ তালিকা<br>➢ বিদ্যালয়ৰ পাঠ্যপুথি/সময়সূচীত মূল্যবোধ আৰু জীৱন শৈলী শিক্ষাৰ পৰিসৰ<br>➢ মান নিৰ্ধাৰণৰ তথ্যৰ ক্ৰমবৰ্ধনশীল বিশ্লেষণ<br>➢ শিকাৰুৰ কৃতি প্ৰদৰ্শন সন্দৰ্ভত পিতৃ-মাতৃৰ লগত মত বিনিময়ৰ পঞ্জী |
| বিদ্যালয়ে সৃষ্টি কৰিবলগীয়া প্ৰমাণ | নিম্নলিখিত আহিলা/ কৌশলৰ আধাৰত প্ৰমাণ সমূহ সৃষ্টি কৰিব পাৰে ঃ<br>➢ বিদ্যালয়ৰ কৰ্মসূচীত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ বিষয়ে জানিবলৈ সহঃশিক্ষাৰ্থীসকলৰ পৰ্যৱেক্ষণ আৰু পাৰস্পৰিক ভাৱ বিনিময় |

## উদ্ভাৱন
## Innovation (s)

## শিক্ষাৰ্থীৰ প্ৰগতি, ফলপ্ৰাপ্তি, বিকাশ
(Learners' Progress, Attainment and Development)

| ঘাই মাপকাঠি | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| শিক্ষাৰ্থীৰ উপস্থিতি | | | |
| শিক্ষাৰ্থীৰ অংশগ্ৰহণ আৰু কামত লগা/ জড়িতকৰণ | | | |
| শিক্ষাৰ্থীৰ প্ৰগতি | | | |
| শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশ | | | |
| শিক্ষাৰ্থীৰ ফলপ্ৰাপ্তি | | | |

## উন্নয়নৰ কাৰণে প্ৰস্তুতি (Planning for Improvement)

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব- ১ | ব- ২ | ব- ৩ |
| শিক্ষাৰ্থীৰ উপস্থিতি | | | | | | | | | |
| শিক্ষাৰ্থীৰ অংশগ্ৰহণ আৰু কামত লগা/ জড়িতকৰণ | | | | | | | | | |
| শিক্ষাৰ্থীৰ প্ৰগতি | | | | | | | | | |
| শিক্ষাৰ্থীৰ ব্যক্তিগত আৰু সামাজিক বিকাশ | | | | | | | | | |
| শিক্ষাৰ্থীৰ ফলপ্ৰাপ্তি | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

ঘাই ক্ষেত্ৰ - চতুৰ্থ

# Key Domain IV



## শিক্ষকৰ পাৰদৰ্শিতাৰ ব্যৱস্থাপনা আৰু বৃত্তিগত বিকাশ

# ঘাই ক্ষেত্ৰ - চতুৰ্থ
# Key Domain IV

## শিক্ষকৰ পাৰদৰ্শিতাৰ ব্যৱস্থাপনা আৰু বৃত্তিগত বিকাশ

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

উচ্চ গুণসম্পন্ন শিক্ষাৰ বাবে শিক্ষকৰ কৃতি বা সাফল্যৰ পৰিচালনা অতিশয় গুৰুত্বপূৰ্ণ কথা। শিক্ষকৰ শিক্ষাদান যোগ্যতা আৰু শিক্ষণ কৌশল চিনাক্তকৰণৰ ই এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া। এটা প্ৰণালীবদ্ধ দৃষ্টিভংগীৰে শিক্ষকৰ কৃতি বা সাফল্য পুনঃ নিৰীক্ষণ আৰু শিক্ষণ ক্ষমতা বৃদ্ধিৰ কাৰ্যক্ৰমৰ মাজেদি এই প্ৰক্ৰিয়া সম্পাদিত হয়। এই প্ৰক্ৰিয়া ফলপ্ৰসূ বা সাৰ্থক কৰিবলৈ হ'লে এদল নৱনিযুক্তি শিক্ষকক এই কাৰ্যক্ৰমত অন্তৰ্ভুক্ত কৰি ল'ব লাগিব আৰু তেওঁলোকক শিকাৰুসকলৰ আৰু বিদ্যালয়ৰ বিস্তৃত তথ্য বিবৰণী আৰু পৃষ্ঠভূমিৰ বিষয়ে অৱগত কৰি লব লাগিব। ইয়ে শিক্ষকৰ পাঠ্যক্ৰম প্ৰত্যাশাৰ উপলব্ধি সম্ভৱ কৰি তোলে আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াক শিকাৰুৰ শিকন অৱশ্যকতা পূৰণ কৰিব পৰাকৈ গঢ় দিয়াত সহায় কৰে। শিকন-কৃতি বা সাফল্য নিশ্চিতকৰণৰ কাৰণে, শিক্ষকৰ শিক্ষণৰ বৃত্তিগত মান উন্নত কৰিবৰ কাৰণে, শিকনত দলগত উদ্যম (teams sprit) প্ৰতিষ্ঠাপনৰ কাৰণে আৰু বিদ্যালয়ৰ সৰ্বাংগীন উন্নতি সাধনৰ কাৰণে শিক্ষকৰ শিক্ষণ কৃতি বা সাফল্য নিৰৱচ্ছিন্নভাৱে পৰ্যৱেক্ষণ কৰা অতিশয় আৱশ্যকীয় কথা।

## প্ৰতিফলক সংকেত
## (Reflective promts)

**প্ৰশ্ন ১ ঃ** বিদ্যালয়ে নতুন শিক্ষকৰ দিকদৰ্শনৰ বাবে কি কৌশল ল'ব?

**প্ৰশ্ন ২ ঃ** বিদ্যালয়ে শিক্ষকৰ অনুপস্থিতিৰ ওপৰত নজৰ ৰাখিবলৈ আৰু শিক্ষকৰ অনুপস্থিতিত শ্ৰেণী পৰিচালনা কৰিবলৈ কি কৰ্মপন্থা হাতত লয়?

**প্ৰশ্ন ৩ ঃ** শিক্ষকে পৰিবৰ্তিত পাঠ্যক্ৰম প্ৰত্যাশাৰ কিমানখিনি আয়ত্ত কৰিছে আৰু সেই অনুসৰি সিহঁতৰ শ্ৰেণীকক্ষৰ অভ্যাসন কিমান সলনি কৰিছে?

**প্ৰশ্ন ৪ ঃ** বিদ্যালয়ে কেনেদৰে শিক্ষকৰ শিক্ষণ-কৃতি তথা সাফল্যৰ নিৰীক্ষণ কৰে আৰু তেওঁলোকৰ শিকন দক্ষতাৰ নিৰবচ্ছিন্ন বিকাশ নিশ্চিত কৰে আৰু তেওঁলোকৰ বৃত্তিগত বিকাশৰ কাৰণে কেনে ধৰণৰ সুবিধা দিয়ে?

**প্ৰশ্ন ৫ ঃ** বিদ্যালয়ে কেনেকৈ শিক্ষকৰ শিক্ষণত সাফল্যৰ লক্ষ্য নিৰ্ণয় কৰে আৰু তেওঁলোকৰ ওপৰত দায়িত্ব আৰু কৰ্তব্য ন্যস্ত কৰে?

## বাস্তৱিক তথ্য
## (Factual Information)

(বিদ্যালয়ে এটাতকৈ অধিক বিকল্প উত্তৰ দিব পাৰে)

১. বিদ্যালয়ত শিক্ষকৰ সংখ্যা

(ক) মঞ্জুৰীকৃত শিক্ষকৰ সংখ্যা ____________ (খ) স্থানাভিসিক্ত শিক্ষকৰ সংখ্যা ____________

২. স্থানাভিসিক্ত শিক্ষকৰ সংখ্যা

(ক) স্থায়ী ____________ (খ) ঠিকাভিত্তিক/তদৰ্থভাৱে নিযুক্ত____________

(গ) আংশিক সময় কাম কৰা ____________ (ঘ) অতিথি শিক্ষক ____________

(ঙ) অন্য কোনোবা ____________

৩. প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ সংখ্যা

(ক) প্ৰশিক্ষণ থকা শিক্ষক ____________ (খ) প্ৰশিক্ষণ নথকা শিক্ষক ____________

৪. বিদ্যালয়ৰ নৱ নিযুক্তি শিক্ষকৰ প্ৰাৰম্ভিক প্ৰশিক্ষণ বা দিক দৰ্শন দিয়া হয়—

(ক) 'বিশেষ প্ৰশিক্ষণ' কাৰ্যক্ৰম সংগঠিত কৰি ☐

(খ) প্ৰধান অথবা জ্যেষ্ঠ শিক্ষকৰ লগত মুখামুখি আলোচনা অনুষ্ঠিত কৰি ☐

(গ) বিশেষ প্ৰশিক্ষণ দিয়া নহয় আৰু নতুন শিক্ষকে ক্ৰমান্বয়ে নিজে নিজে প্ৰশিক্ষণৰ দিক দৰ্শন লাভ কৰে ☐

(ঘ) অন্য কিবা কৌশলৰ অৱলম্বন কৰি (অনুগ্ৰহ কৰি উল্লেখ কৰক) ____________

____________________________________________

৫. বিদ্যালয়ে শিক্ষকৰ উপস্থিতিৰ অভিলেখ ৰাখে নে, লগতে অনুপস্থিতিৰ কাৰণ টোকা কৰে নে?

হয় ☐ নহয় ☐

(i) যদি ৰাখে, অনুপস্থিতিৰ কাৰণৰ তালিকা (উদাহৰণস্বৰূপে- ছুটী, প্ৰশিক্ষণলৈ প্ৰেৰণ নতুবা অন্য কাৰণ, বিশদভাৱে উল্লেখ কৰিব।

________________________________________

________________________________________

(ii) পাছত, এই তথ্যৰ সহায়ত শিক্ষকৰ উপস্থিতিৰ গড় হিচাপ কেনেকৈ উলিওৱা হয়?

________________________________________

________________________________________

(iii) বিদ্যালয়ে শিক্ষক আৰু অইন কৰ্মচাৰীৰ অকৰ্তৃত্বশীল অনুপস্থিতিৰ ক্ষেত্ৰত কেনেকুৱা পদক্ষেপ গ্ৰহণ কৰে?

________________________________________

________________________________________

৬. বিদ্যালয়ে অনুপস্থিত শিক্ষকৰ শ্ৰেণীসমূহৰ পৰিচালনাৰ কাৰণে কেনে বিকল্প ব্যৱস্থা গ্ৰহণ কৰে।

(ক) শিক্ষক সলনি কৰি ☐

(খ) একাধিক শ্ৰেণী লগ কৰি ☐

(গ) ওপৰৰ শ্ৰেণীৰ ছাত্ৰক পঢ়ুৱাবলৈ দি ☐

(ঘ) শ্ৰেণীৰ কোনো বিকল্প ব্যৱস্থাপনা কৰা নহয় ☐

৭. কিহৰ ভিত্তিত শিক্ষকৰ শিক্ষণ সাফল্য বা কৃতি নিৰূপণ কৰা হয়?

(ক) বাৰ্ষিক গোপনীয় বিৱৰণ ☐

(খ) বিদ্যালয়ৰ প্ৰধানৰ পৰ্যৱেক্ষণ ☐

(গ) শিকাৰুৰ উত্তৰণ বা আয়ত্তকৰণ ☐

(ঘ) পিতৃ-মাতৃ/বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰতিপুষ্টি ☐

(ঙ) সমনীয়া/অন্য শিকাৰুৰ প্ৰতিপুষ্টি ☐

(চ) অন্য কিবা, (অনুগ্ৰহ কৰি উল্লেখ কৰক) ____________________

________________________________________

________________________________________

________________________________________

৮. শিক্ষকৰ সাফল্য বা কৃতিৰ অবিৰত উন্নয়ন সাধনৰ কৌশল—

| কাৰ্যক্ৰমৰ নাম | সময় | উপস্থিত থকা শিক্ষকৰ নাম |
|---|---|---|
| (বাধ্যতামূলক) | | |
| (অইন কিবা) | | |

৯. শ্ৰেণীকোঠাত শিক্ষণৰ উপৰিও শিক্ষকৰ ওপৰত ন্যস্ত আন দায়িত্বৰ তালিকা।

| কৰ্তব্য/দায়িত্ব | ন্যস্ত শিক্ষকৰ নাম |
|---|---|
| | |

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
| **নতুন শিক্ষকৰ দিক্-দৰ্শন বা প্ৰশিক্ষণ** | বিদ্যালয়ে নতুন শিক্ষকক বিদ্যালয়ত থকা সা-সুবিধাৰ তথ্য আহৰণৰ কাৰণে আৰু বিদ্যালয়খনৰ অভ্যাসন ৰীতি-নিৰীক্ষণ কৰিবলৈ পূৰ্ণ সুযোগ দিয়ে। | বিদ্যালয় প্ৰধানে নতুন শিক্ষকক তেওঁৰ দায়িত্ব শিকাই দিয়ে আৰু বিদ্যালয়ত কি কি সুবিধা আছে জনাই দিয়ে; সাধাৰণতে নতুন শিক্ষকক বুজাই বঢ়াই লবলৈ বা দিক দৰ্শন দিবলৈ অইন শিক্ষকৰ সহায় লয়। | নতুন শিক্ষকক তেওঁৰ ভূমিকা আৰু দায়িত্ব, বিদ্যালয়ৰ বিধি-বিধান, শিকাৰুৰ বিৱৰণ, পাঠ্যক্ৰমত অন্তৰ্ভুক্ত বিষয়বস্তু, বিদ্যালয় পৰিচলনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ ভূমিকা আৰু বিভিন্ন আঁচনি/পৰিকল্পনাৰ বিদ্যালয়ত প্ৰয়োগ আদিৰ বিষয়ে দিক দৰ্শন দিবলৈ বিশেষ প্ৰশিক্ষণৰ আঁচনি প্ৰণালীবদ্ধভাৱে সংগঠিত কৰা হয়। |
| **শিক্ষকৰ উপস্থিতি** | বিদ্যালয়ে শিক্ষকৰ উপস্থিতিৰ লগতে অনুপস্থিতিৰ কাৰণৰ অভিলেখ ৰাখে; সাধাৰণতে শিক্ষকৰ অনুপস্থিতিত শ্ৰেণী চলাবলৈ বিদ্যালয়ৰ কোনো ব্যৱস্থা লোৱা নহয়। | বিদ্যালয়ে প্ৰণালীবদ্ধভাৱে উপস্থিতিৰ অভিলেখ ৰাখে, আৰু অকৰ্তৃশীল অনুপস্থিতি পৰ্যবেক্ষণ কৰি বিহিত ব্যৱস্থা লয়; যদি আৱশ্যক হয় শ্ৰেণীত পাঠদান যাতে ব্যাহত নহয় তাৰ বাবে নিশ্চিত ব্যৱস্থা লয়। | শিক্ষকৰ ছুটীত, দীঘল আৰু অকৰ্তৃত্বশীল অনুপস্থিতিত শ্ৰেণী পৰিচালনাৰ ব্যৱস্থা থাকে; প্ৰয়োজন হ'লে বিদ্যালয়ৰ অন্য শ্ৰেণীৰ বা বাহিৰৰ শিক্ষক আনি শিক্ষকবিহীন শ্ৰেণীত পঢ়ুওৱা বন্দোবস্ত কৰে আৰু দৰকাৰ হ'লে তেওঁলোকক উপযুক্ত দিক দৰ্শন দিয়ে। শিক্ষকসকলৰ মাজত সময়ানুবৰ্তিতা আৰু দায়বদ্ধতা গঢ়ি তোলে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শিক্ষকৰ ওপৰত দায়িত্ব ন্যস্তকৰণ আৰু শিক্ষণ সাফল্য লক্ষ্য নির্ধাৰণ | বিদ্যালয়ে শিক্ষকক এখন পূর্ব নির্ধাৰিত সময়-সূচী দিয়ে আৰু শিক্ষকে পাঠ্যক্রম সময় মতে সম্পূর্ণ কৰাটো বিচাৰে; লগতে তেওঁ তেওঁলোকৰ ওপৰত সময়ে সময়ে ন্যস্ত কৰা অইন কাম ঠিক মতে কৰিব বুলি আশা কৰে। | বিদ্যালয়ে শিক্ষকক তেওঁলোকৰ দায়িত্ব আৰু শিক্ষণ-সাফল্যৰ লক্ষ্য সমন্ধে কেতিয়াবা আনুষ্ঠানিকভাৱে আৰু কেতিয়াবা শিক্ষক সভাত অৱগত কৰে। পাঠ্যক্রম কিমানদূৰ সম্পূর্ণ কৰিছে বা ন্যস্ত কৰা দায়িত্ব আশা কৰা ধৰণে পালন কৰিছে নে নাই সেই কথা পুনঃ নিৰীক্ষণ কৰে আৰু পৰিচালনা কৰে। | বিদ্যালয়ে পাৰস্পৰিক আলোচনাৰ মাজেৰে শিক্ষকক দায়িত্ব দিয়ে, শিক্ষকৰ নিজৰ শিকন-সাফল্যৰ লক্ষ্য নির্ধাৰণৰ কাৰণে উৎসাহ যোগায় আৰু নতুন উদ্ভাৱন আৰু পৰীক্ষণৰ নতুন ধাৰণাৰ বাবে সুবিধা কৰি দিয়ে। শিক্ষকে নিজৰ প্রগতি নিজে পৰিচালনা কৰে। |
| পাঠ্যক্রম প্রত্যাশা পৰিবর্তন কৰাৰ কাৰণে শিক্ষকৰ প্রস্তুতি | শিক্ষা নীতি পৰিবর্তনৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ পাঠ্যক্রম আৰু পাঠ্যপুথিত প্রয়োজন সাপেক্ষে যে সময়ে সময়ে পৰিবর্তন সাধন কৰিব লাগে তাৰ প্রতি শিক্ষকসকল সজাগ। | শিক্ষকে পৰিবর্তিত পাঠ্যক্রম প্রত্যাশা উপলব্ধি কৰিবলৈ যত্ন কৰে, সেই অনুসৰি শিক্ষকে তেওঁৰ শিক্ষণ-শিকন প্রক্রিয়াক তাৰ লগত খাপ খুৱাই লয়। | পৰিবর্তিত পাঠক্রম প্রত্যাশা আৰু শ্রেণী কক্ষত ইয়াৰ প্রতিফলন সম্বন্ধে আলোচনা কৰিবলৈ আৰু পাৰস্পৰিক মত বিনিময় কৰিবলৈ বিদ্যালয়ে যথোচিত সুযোগ দিয়ে; বিদ্যালয়ৰ বিশেষ প্রয়োজন পূৰণ কৰিব পৰাকৈ সেইবোৰ গ্রহণ কৰি বিদ্যালয়ে শিক্ষকক উদগনি যোগায়। |
| শিক্ষকৰ শিক্ষণ-সাফল্যৰ পৰিচালনা | প্রধান শিক্ষকে বাধ্যতামূলক পৰিদর্শন টোকাত শিক্ষকৰ শিক্ষণ-সাফল্যৰ বুজ দিয়ে; নির্ধাৰিত নিয়ম মতে শিক্ষকৰ শ্রেণীকোঠাত উপস্থিতিৰ ওপৰত নজৰ ৰাখে আৰু মাজে সময়ে শিক্ষণ দক্ষতা পর্যবেক্ষণ কৰে। | বিদ্যালয়ৰ প্রধানে শিক্ষকৰ শিক্ষণ-সাফল্যৰ পুনঃনিৰীক্ষণ কৰে। তেওঁলোকক প্রতিপুষ্টি প্রদান কৰে; শিক্ষকেও শ্রেণীকোঠাৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি নিজৰ শিক্ষণ-সাফল্যৰ পুনঃনিৰীক্ষণ কৰে আৰু ক'ত ক'ত বিকাশ সাধনৰ অৱকাশ আছে তাক চিনাক্ত কৰে। | বিদ্যালয়ৰ প্রধানে শিকাৰুৰ বিকাশৰ আৰু সাফল্যৰ ওপৰত ভিত্তি কৰি শিক্ষকৰ শিক্ষণ-সাফল্য পুনঃ নিৰীক্ষণ কৰে আৰু শিক্ষকৰ লগত তাৰ পর্যালোচনা কৰে। তেওঁ শিকাৰুৰ পিতৃ-মাতৃৰ লগতো এই কথা আলোচনা কৰে। শিক্ষকসকলে সমূহীয়াভাৱে তেওঁলোকৰ নিজৰ শিকন-সাফল্য অনুধাৱন কৰে আৰু উন্নতিৰ বাবে কৌশল উদ্ভাৱন কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
| শিক্ষকৰ বৃত্তিগত বিকাশ | সকলো শিক্ষকেই যাতে সেৱা-কালীন প্ৰশিক্ষণ কাৰ্যক্ৰমত অংশগ্ৰহণ কৰে সেই কথা বিদ্যালয়ৰ প্ৰধান শিক্ষকে নিশ্চিত কৰে। | বিদ্যালয়ে শিক্ষকসকলক উদগণি যোগায়, নিয়মীয়াকৈ তেওঁলোকৰ কাৰণে লাভজনক বিভিন্ন প্ৰশিক্ষণত অংশগ্ৰহণৰ সুবিধা কৰি দিয়ে আৰু শিক্ষকসকল সন্মুখীন হোৱা নানান সমস্যাৰ সমাধানৰ কাৰণে বিভিন্ন অনুষ্ঠান আৰু বিশেষজ্ঞৰ পৰামৰ্শ লাভৰ সুবিধা কৰি দিয়ে। | বিদ্যালয়ে শিক্ষকৰ শৈক্ষিক সাফল্যৰ অবিৰত পৰ্যৱেক্ষণৰ সুবিধা কৰি দিয়ে নতুন ধাৰণা আৰু অনুশীলনৰ পৰীক্ষামূলক প্ৰয়োগৰ বাবে শিক্ষকক সহায় কৰে, শিক্ষক প্ৰশিক্ষণৰ সময়ত আহৰণ কৰা জ্ঞান সম্বন্ধে সমূহীয়াভাৱে আলোচনা কৰে; অৰ্জিত জ্ঞান আৰু কৌশল কেনেকৈ সু-সমন্বিত কৰিব পাৰি আৰু শ্ৰেণীত শিক্ষণ কৌশল উন্নত কৰাৰ কাৰণে প্ৰয়োগ কৰিব পাৰি তাৰ ওপৰত সামূহিকভাৱে বিচাৰ বিবেচনা কৰে। |

বিদ্যালয়ৰ প্ৰগতি

## প্ৰমাণৰ উৎস
## (Sources of Evidence)

| | |
|---|---|
| প্ৰমাণ (নিৰ্ধাৰিত নীতি নিয়ম/ নিৰ্দেশনা/ পঞ্জী/চৰকাৰী আদেশ | ➢ RTE Act 2009 অধ্যায়- IV (দফা ২৪, পৃষ্ঠা- ৮)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf)<br>➢ সৰ্বশিক্ষা অভিযানৰ প্ৰয়োগ ঃ অধ্যায়- IV (পৃষ্ঠা ৭০-৮০)<br>➢ http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➢ ৰাষ্ট্ৰীয় শিক্ষা মিচনৰ (RMSA) প্ৰয়োগৰ অভিযোজনা; অধ্যায়- V (পৃষ্ঠা ৩৬-৩৭)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Framework_Final_RMSA_3.pdf)<br>➢ (NCERT) শিক্ষক শিক্ষাৰ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ অভিযোজনা; ২০০৯ অধ্যায়- IV (পৃষ্ঠা ৬৩-৭৪)<br>➢ ADEPTS (শিক্ষক -সহায়ৰ যোগে দিয়া শৈক্ষিক কৃতিৰ বিকাশ), এটি মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ উদ্যোগ Unicef অধ্যায় IV<br>(http://prayatna.typepad.com/files/adepts.pdf)<br>➢ PINDICS (প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সাফল্যৰ সূচক) NCERT (২০১৩) পৃষ্ঠা ১-১২)<br>(http://www.ncert.nic.in/pdf_files/PINDICS.pdf)<br>➢ NCF-২০০৫ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, (অধ্যায়- IV, পৃষ্ঠা ১০৭-১১৪)<br>(http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf) |
| বিদ্যালয়ত উপলব্ধ সহায়ক প্ৰমাণ | ➢ নিয়মাৱলীৰ/দায়িত্বৰ তালিকা, শিকাৰুৰ সবিশেষ, বিৱৰণ, পাঠ্যক্ৰমৰ প্ৰত্যাশা, প্ৰসংগভিত্তিক শিক্ষণ-শিকনৰ অভ্যাস, (SMC/SDMC)ৰ ভূমিকা, বিভিন্ন ধৰণৰ আঁচনি, পৰিকল্পনা, কাৰ্যসূচী, বিদ্যালয়ত প্ৰচলিত শিক্ষণ প্ৰথা ইত্যাদি<br>➢ নতুন শিক্ষকৰ বাবে প্ৰাৰম্ভিক বিশদ দিক দৰ্শন কাৰ্যসূচী<br>➢ নিৰবচ্ছিন্ন বৃত্তিমূলক বিকাশ/শিক্ষকে অংশগ্ৰহণ কৰা প্ৰশিক্ষণৰ কাৰ্যসূচী<br>➢ শিক্ষকৰ গড় উপস্থিতি আৰু শিক্ষকৰ ছুটীৰ আবেদন<br>➢ শিক্ষকৰ অনুপস্থিতিত শ্ৰেণী পৰিচালনাৰ বিকল্প ব্যৱস্থা, এজনৰ ঠাইত আন এজন শিক্ষক প্ৰতিষ্ঠাপনৰ পঞ্জী<br>➢ সকলো শিক্ষকৰ আৰু অইন সদস্যৰ স্ব-মূল্যায়নৰ প্ৰতিবেদন<br>➢ বছৰেকীয়া আঁচনি অনুশীলনৰ অংশ হিচাপে শিক্ষকৰ নিজৰ শিক্ষণ সাফল্যৰ লক্ষ্য<br>➢ বছৰৰ বিভিন্ন সময়ত পাঠ্যক্ৰমৰ কিমানখিনি সামৰা হ'ল তাৰ তথ্য, চাকৰিৰ সময়ছোৱাৰ ভিতৰত শিক্ষকে লাভ কৰা ডিগ্ৰী<br>➢ শিক্ষকৰ শিক্ষণ-সাফল্যৰ ওপৰত প্ৰতিপুষ্টি আৰু পৰামৰ্শ<br>➢ বিদ্যালয়ৰ বিকাশৰ আঁচনিত শিক্ষকৰ বিকাশৰ ধাৰা<br>➢ শিক্ষকে অংশগ্ৰহণ কৰা চাকৰিকালীন প্ৰশিক্ষণ কাৰ্যক্ৰম; পূৰ্ব প্ৰস্তুত সময়সূচী<br>➢ শিক্ষকৰ ওপৰত কৰ্তব্য ন্যস্ত কৰা নথি |
| বিদ্যালয়ে সৃষ্টি কৰিবলগীয়া প্ৰমাণ | আহিলা/পদ্ধতিৰ সহায়ত বিদ্যালয়ে নিম্নোক্ত প্ৰমাণ সৃজন কৰিব পাৰে।<br>➢ নতুন শিক্ষকৰ কাৰণে প্ৰাৰম্ভিক প্ৰশিক্ষণৰ সময়সূচী<br>➢ পাঠ্যক্ৰম, কৰ্মশালা, আলোচনা চক্ৰ, অভিনৱ পাঠ্যক্ৰমত অংশগ্ৰহণ কৰাৰ প্ৰমাণ পত্ৰৰ প্ৰতিলিপি |

## উদ্ভাৱন
## Innovation (s)

## সঁহাৰি আধাৰক
## (Response Matrix)

### পাৰদৰ্শিতাৰ ব্যৱস্থাপনা আৰু বৃত্তিগত বিকাশ

| ঘাই মাপকাঠি | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| **নতুন শিক্ষকৰ দিশ-দৰ্শন (orientation)** | | | |
| শিক্ষকৰ উপস্থিতি | | | |
| দায়বদ্ধতা নিৰ্ধাৰণ আৰু শিক্ষণ-সাফল্যৰ লক্ষ্য নিৰ্ধাৰণ | | | |
| পৰিবৰ্তিত পাঠ্যক্ৰম প্ৰতাশাৰ প্ৰতি শিক্ষকৰ প্ৰস্তুতি | | | |
| শিক্ষকৰ শিকন-সাফল্য পৰ্যৱেক্ষণ শিক্ষকৰ বৃত্তিগত বিকাশ | | | |
| **উন্নতি সাধনৰ পৰিকল্পনা (Planning for Improvment)** | | | |

## উন্নয়নৰ কাৰণে প্ৰস্তুতি

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| নতুন শিক্ষকৰ দিক্ দৰ্শন | | | | | | | | | |
| শিক্ষকৰ উপস্থিতি | | | | | | | | | |
| দায়বদ্ধতা নিৰ্ধাৰণ আৰু শিকন-সাফল্যৰ লক্ষ্য নিৰ্ধাৰণ | | | | | | | | | |
| পৰিবৰ্তিত পাঠ্যক্ৰম প্ৰত্যাশাৰ প্ৰতি শিক্ষকৰ প্ৰস্তুতি, শিক্ষণ সাফল্য | | | | | | | | | |

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব- ১ | ব- ২ | ব- ৩ |
| শিক্ষণ সাফল্য পৰ্যৱেক্ষণ | | | | | | | | | |
| শিক্ষকৰ বৃত্তিগত বিকাশ | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

## ঘাই ক্ষেত্ৰ - পঞ্চম

# *Key Domain* V



# বিদ্যালয় নেতৃত্ব আৰু পৰিচালনা

ঘাই ক্ষেত্ৰ - পঞ্চম
*Key Domain* V

# বিদ্যালয় নেতৃত্ব আৰু পৰিচালনা

## ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

সক্রিয় বিদ্যালয়-নেতৃত্ব আৰু পৰিচালনাই উচ্চ গুণগত শিক্ষা প্ৰদানত এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিদ্যালয়ৰ ধনাত্মক ৰূপান্তৰণৰ হেতুকে কিছুমান অতি-সক্রিয় কাৰ্যক্ৰমক সামৰিবৰ অৰ্থে বিদ্যালয়- নেতৃত্ব সাধাৰণ প্ৰশাসনীয় আৰু পৰিচালনাৰ দায়িত্বৰ গণ্ডীৰ পৰা বাহিৰলৈ ওলাই যায়। সদা-সক্রিয় বা অতি সক্রিয় কাৰ্যকলাপ বুলিলে শিকাৰুৰ শ্ৰেণীকক্ষত কৃতি বা সফলতাৰ উৎকৰ্ষ সাধনৰ বাবে বিদ্যালয়ে এখন ভৱিষ্যদৰ্শী কাৰ্যক্ৰমণিকা গ্ৰহণ কৰা আৰু বিদ্যালয়ৰ সকলো ধৰণৰ পৰিকল্পনাকে ইয়াৰ লগত তালমিল খুৱাই লোৱাটোকে বুজায়। ইয়ে শিক্ষাদান প্ৰক্ৰিয়াৰ লগত জড়িত সকলো দাবীদাৰৰ মাজত প্ৰীতিপূৰ্ণ, সৌহাৰ্দমূলক সম্পৰ্ক স্থাপন কৰাৰ পোষকতা কৰে আৰু বিদ্যালয়ৰ পৰিকল্পনা, সিদ্ধান্ত গ্ৰহণ আৰু সাধাৰণ প্ৰশাসনত তেওঁলোকক জড়িত কৰাটো বিচাৰে। বিদ্যালয়-নেতৃত্বই বিদ্যালয়ৰ কাৰ্য-কলাপত সংশ্লিষ্ট জনসমষ্টিৰ তথা সমাজৰ ক্ৰমবৰ্ধমান অংশগ্ৰহণ আশা কৰে। ইয়ে নিৰবিচ্ছিন্ন শিক্ষায়তনিক অভিযোজন তথা নবীকৰণৰ জৰিয়তে শিক্ষণ আৰু শিকনৰ ক্ষেত্ৰত অবিৰত উন্নতিসাধনৰ বাবে প্ৰয়াস কৰে। বিদ্যালয়ক এজন শক্তিশালী আৰু উৎক্ষেপিত তথা স্বনামধন্য নায়কৰ প্ৰয়োজন, যিজন যথাৰ্থতে শিক্ষক, শিকাৰু, সমাজৰ বৰমূৰীয়াসকল আৰু মানৱ সম্পদক জীৱনৰ সকলো পৰিসৰতে উচ্চ গুণ আহৰণৰ কাৰণে একমুখী কৰি তুলিবলৈ বদ্ধপৰিকৰ।

## প্ৰতিফলক সংকেত
## (Reflective promts)

**প্ৰশ্ন ১ ঃ** বিদ্যালয়ৰ এনেকুৱা কোনো ভৱিষ্যৎ দৰ্শন বা উন্নয়নমূলক আঁচনি আছে নে, যিখন সকলোৱে বুজি পায় আৰু গ্ৰহণ কৰে?

**প্ৰশ্ন ২ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে এখন বিদ্যালয়ৰ দৈনন্দিন কাম-কাজ কিদৰে পৰিচালনা কৰে?

**প্ৰশ্ন ৩ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উন্নতি সাধনত বৰঙণি যোগায় নে আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে নে?

**প্ৰশ্ন ৪ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয়ৰ উন্নয়নমূলক প্ৰয়োজনবোৰ ভালকৈ চিহ্নিত কৰি লৈ আৰু নিৰৱচ্ছিন্ন উন্নয়নৰ কাৰণে প্ৰয়োজনীয় পৰিৱৰ্তন সাধন কৰে নে?

**প্ৰশ্ন ৫ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে কেনেকৈ শিক্ষণ-শিকন প্ৰক্ৰিয়া ক্ৰিয়াশীলভাৱে পৰিচালনা কৰে আৰু পুঁজি, মানৱ সম্পদ আৰু অন্য সম্পদৰ সদ্ব্যৱহাৰ কৰে?

**প্ৰশ্ন ৬ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে কেনেকৈ ইমান ভালকৈ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উন্নতিৰ বাটকটীয়া হয় আৰু শিক্ষকৰ শিক্ষণ সাফল্যৰ অভিবৃদ্ধি নিশ্চিত কৰে?

**প্ৰশ্ন ৭ ঃ** বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয় উন্নতি সাধনৰ নিমিত্তে অইন কৰ্মচাৰীৰ লগত কেনেকৈ এটি সুস্থ সম্পৰ্ক বজাই ৰাখে?

## বাস্তৱিক তথ্য
## (Factual Information)

(বিদ্যালয়ে এটাতকৈ অধিক বিকল্প উত্তৰ দিব পাৰে)

১। বিদ্যালয়ৰ কিবা ভৱিষ্যৎ দৰ্শন আছে নে? আছে ☐ নাই ☐

যদি আছে, ভৱিষ্যতে বিদ্যালয়ৰ উন্নয়নৰ কাৰণে কোনবোৰ মূল বিষয়বস্তু?

২। যোৱা বছৰৰ বিদ্যালয় উন্নয়নৰ আঁচনি উপলব্ধ নে? হয় ☐ নহয় ☐

যদি হয়,

৩। যোৱা বছৰৰ বিদ্যালয় উন্নয়ন আঁচনি কাৰ্যকৰী কৰা হৈছিল নে? আছিল ☐ নাছিল ☐

যদি হৈছিল, সেই বছৰ কিমানখিনি সাধন কৰিব পৰা গৈছে আৰু কোনবোৰ কাৰণৰ বাবে ই আধৰুৱা হৈ থাকিল?

৪। (i) কোনবোৰ ক্ষেত্ৰত বিদ্যালয়ৰ মুৰব্বীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে?

(ক) বিত্ত পৰিচালনা ☐ (খ) তথ্য আৰু যোগাযোগ প্ৰযুক্তি ☐

(গ) বিদ্যালয়-নেতৃত্ব ☐ (ঘ) অন্যান্য (অনুগ্ৰহ কৰি উল্লেখ কৰক)

(i) কেতিয়া আৰু ক'ত তেখেতে প্ৰশিক্ষণ গ্ৰহণ কৰিছে?

৫। বিদ্যালয়ৰ মুৰব্বীয়ে সাধাৰণতে কেনেকৈ দৈনন্দিন বিদ্যালয় পৰিচালনাৰ সিদ্ধান্ত লয়?

(ক) তেওঁৰ নিজৰ মতে ☐

(খ) কেইজনমান শিক্ষকৰ লগত আলোচনা কৰি ☐

(গ) সকলো শিক্ষকক লগত লৈ ☐

(ঘ) শিক্ষক, পিতৃ-মাতৃ আৰু SMC ক লৈ ☐

৬। শিক্ষকলৈ প্ৰেৰণ কৰা সিদ্ধান্তসমূহ স্পষ্টভাৱে বুজি পায়

(ক) সকলো শিক্ষকে ☐ (খ) সৰহ সংখ্যক শিক্ষকে ☐

(গ) কেইজনমান শিক্ষকে ☐ (ঘ) কেনো শিক্ষকে নুবুজে ☐

৭। বিদ্যালয় মুৰব্বীয়ে কিমান সঘনে আঁচনি কাৰ্যকৰণৰ পুনঃ নিৰীক্ষণ কৰে আৰু প্ৰগতিৰ হিচাপ কৰে, বিশেষকৈ অগ্ৰাধিকাৰ প্ৰদত্ত ক্ষেত্ৰত?

(ক) নিয়মিতভাৱে ☐ (খ) মাজে সময়ে ☐

(গ) কাচিৎ কেতিয়াবা ☐ (ঘ) পুনঃ নিৰীক্ষণ নকৰে ☐

৮। বিদ্যালয়ৰ মুৰব্বীয়ে বিভিন্ন কামৰ কাৰণে দল গঠন কৰে নে আৰু তেওঁলোকক বিশেষ দায়িত্ব দিয়ে নে?

হয় ☐ নহয় ☐

যদি হয়, এই দলবোৰ কোন আৰু তেওঁলোকক কোনবোৰ কামত নিয়োজিত কৰা হয়?

৯। বিদ্যালয়ৰ মুৰব্বীয়ে শিক্ষকৰ দক্ষতা কেনেকৈ পৰিচালনা কৰে?

(ক) শিক্ষকৰ ব্যক্তিগত প্ৰগতি আলোচনাৰ সহায়ত ☐

(খ) সময়ে সময়ে শিকাৰুৰ মূল্যায়নৰ (Test) প্ৰগতি পুনঃ নিৰীক্ষণৰ দ্বাৰা ☐

(গ) শিক্ষকে শ্ৰেণী কোঠাত কেনেকৈ শিক্ষণ দিয়ে তাক মাজে সময়ে নিৰীক্ষণ কৰি ☐

(ঘ) অন্যান্য (অনুগ্ৰহ কৰি উল্লেখ কৰক)

১০। বিদ্যালয়ৰ মুৰব্বীয়ে শিক্ষাৰ্থীৰ শিক্ষাত অগ্ৰগতি কেনেকৈ পৰিচালনা কৰে?

(ক) প্ৰতিটো শ্ৰেণীতে শিকাৰুৰ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ টোকা পুনঃ নিৰীক্ষণৰ সহায়ত ☐

(খ) শিকাৰুৰ শিকন পাৰদৰ্শিতাৰ বিষয়ে শিক্ষকসকলৰ লগত আলোচনাৰ দ্বাৰা ☐

(গ) শিকাৰুকৰ পৰীক্ষাৰ ফলাফলৰ বিষয়ে শিক্ষকৰ লগত আলোচনা কৰি আৰু এটি পৰিৱৰ্তনৰ টোকা লিখি অথবা দীৰ্ঘ সময়ৰ শেষত দেখুওৱা ফলাফল চাই ☐

(ঘ) বিদ্যালয়ৰ মুৰব্বীয়ে প্ৰগতিৰ পুনঃ নিৰীক্ষণ নকৰে ☐

(ঙ) শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰগতি তেওঁলোকৰ স্তৰতে পৰিচালনা কৰে ☐

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| ভৱিষ্যৎ দৰ্শনৰ ভিত্তি স্থাপন আৰু দিশ নিৰূপণ | স্থিৰ কৰি থোৱা নিয়মাৱলীৰ ওপৰত ভিত্তি কৰি বিদ্যালয় মুৰব্বীয়ে বিদ্যালয় উন্নয়ন পৰিকল্পনা কৰে আৰু বিদ্যালয়ৰ অইন কৰ্মকৰ্তাই পৰিকল্পনা তথা উন্নয়নত কোনো ধৰণৰ অংশ গ্ৰহণৰ সুবিধা নেপায়। | বিদ্যালয়-প্ৰধানে বিদ্যালয়ৰ ভৱিষ্যৎ দৰ্শন সম্পৰ্কীয় লক্ষ্যৰ বিকাশ সাধন কৰে। বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুতি আৰু কামৰ অগ্ৰাধিকাৰ নিৰূপণত শিক্ষকসকলক অন্তৰ্ভুক্ত কৰা হয় । বিদ্যালয়ৰ প্ৰধানে বেছি ভাগ শিক্ষকক বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ কাৰ্যকৰণৰ দায়িত্ব দিয়ে আৰু কাৰ্যকৰণৰ দিশসমূহ সুচল কৰি দিয়ে। | বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয় পৰিচালনাৰ সকলো অংশীদাৰকে প্ৰচলিত অভ্যাসন পৰম্পৰা, নীতি আৰু কাৰ্যক্ৰমক চকুৰ আগত ৰাখি, এটা ভৱিষ্যৎ লক্ষ্য যুগুত কৰাৰ কাৰণে নিয়োজিত কৰে, যিবিলাক পিছত ভালদৰে নথিভুক্ত কৰা হয়। বিদ্যালয় পৰিচালনাৰ অংশীদাৰসকলে যৌথভাৱে বিদ্যালয় উন্নয়ন পৰিকল্পনা (SDP) প্ৰস্তুত কৰে আৰু ইয়াৰ ভৱিষ্যৎ লক্ষ্যৰ লগত সংগতি ৰক্ষা কৰে। আৱশ্যকীয় কামৰ বাবে যথাযথ অগ্ৰাধিকাৰ নিৰ্ণয় কৰা হয়; সকলো শিক্ষকে নিৰ্দিষ্ট কৰি দিয়া ভূমিকা আৰু দায়িত্ববোধ বুজি পায় আৰু ইপ্সিত অগ্ৰগতি নিশ্চিত কৰিবৰ অৰ্থে কাম কৰে। সময়ে সময়ে ভৱিষ্যৎ লক্ষ্য আৰু বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ পৰ্যালোচনা নিয়মিতভাৱে কৰা হয়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
| পৰিবৰ্তন আৰু উন্নতিৰ পৰিচালনা | বিদ্যালয়ৰ মুৰব্বীয়ে জানে যে কোনবোৰ বিষয়ত বিশেষ মনোযোগ দিয়া আৱশ্যক। তেওঁ চৰকাৰী নিৰ্দেশাৱলী আৰু তৎকালীন প্ৰয়োজন অনুসৰি সংশ্লিষ্ট বিষয়ৰ ওপৰত কাম কৰে। আৱশ্যকীয় পৰিবৰ্তনৰ কথা কাচিৎহে আলোচনা কৰা হয় আৰু সেইবোৰ কাম-কাজত প্ৰতিফলিত হয়। | বিদ্যালয় মুৰব্বীয়ে শিক্ষকৰ লগত আলোচনা কৰি বিদ্যালয়ৰ সবলতা চিনাক্ত কৰে, আৰু লগতে যি ক্ষেত্ৰসমূহৰ উন্নতিৰ আৱশ্যক সেইসমূহো চিনাক্ত কৰে। প্ৰয়োজনীয় পৰিৱৰ্তনৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে। কাম কৰিব লগা বিষয়সমূহ চিনাক্ত কৰে, আৰু সেইবোৰৰ ওপৰত উপযুক্ত কাৰ্যপন্থা হাতত লয়; প্ৰগতিৰ যুক্তিসংগতভাৱে হিচাপ আৰু প্ৰয়োজন সাপেক্ষে কাৰ্য পন্থা নিৰ্ধাৰণ কৰে; শিক্ষণ-শিকন আৰু অইন বিদ্যালয় অভ্যাসনৰ ক্ষেত্ৰত যি পৰিবৰ্তনৰ প্ৰতিফলন ঘটে তাৰ খতিয়ান ৰাখে। | বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয় পৰিচালনাৰ সকলো অংশীদাৰকে আৱশ্যক হৈ পৰা পৰিবৰ্তনৰ বিষয়ে অৱগত কৰে আৰু তেওঁলোকক সেই কথা ভালদৰে বুজাত সহায় কৰে; অংশীদাৰসকলৰ সৈতে একেলগে মিলি প্ৰাপ্ত প্ৰমাণ আৰু অইন উৎসসমূহৰ ওপৰত ভিত্তি কৰি লক্ষ্য সুনিশ্চিত কৰি লয় আৰু শিকাৰুৰ শিকনৰ উন্নতি সাধনৰ বাবে পূৰ্বানুমেয় ৰণকৌশল ঠিক কৰি লয়; পৰিবৰ্তন সাধনত অগ্ৰণী ভূমিকা লয় আৰু শিকাৰুৰ ক্ৰমবৰ্ধমান উন্নতি নিয়ন্ত্ৰণ কৰে, আৰু পৰিবৰ্তনক আদৰি লোৱাৰ ক্ষেত্ৰত, ব্যক্তিগত দায়িত্ব আৰু নেতৃত্বৰ ভূমিকা ভগাই দিয়ে; প্ৰমাণ আধাৰিত উন্নতি আৰু বিদ্যালয়ৰ অভ্যাসনৰ পৰিবৰ্তন সাধনৰ বাবে শিক্ষকক উৎসাহ যোগায়। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| **শিক্ষণ-শিকন পৰিচালনা** | বিদ্যালয়ৰ মুৰব্বীয়ে সকলো শ্ৰেণী নিয়মিতভাৱে চলি থকাটো নিশ্চিত কৰে, শিক্ষক অনুপস্থিতিত থাকিলে বিকল্প ব্যৱস্থাৰে শ্ৰেণীসমূহ চলাই নিজে চাৰিওফালে ঘূৰি চাই শ্ৰেণীকোঠাৰ শিক্ষণ ফলদায়ক কৰাটো নিশ্চিত কৰে; বিভিন্ন শ্ৰেণীত আৰু বিষয়ত শিকাৰুৰ কৃতি তথা সাফল্যৰ বিষয়ে তেওঁ সচেতন। | বিদ্যালয়ৰ মুৰব্বীয়ে বিভিন্ন শ্ৰেণীকোঠাৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সদায় নিৰীক্ষণ কৰে আৰু ব্যক্তিগতভাৱে শিক্ষকৰ সাফল্যৰ মৌখিকভাৱে প্ৰতিপুষ্টি যোগায়; বিভিন্ন শ্ৰেণী আৰু বিষয়ত শিকাৰুৰ কৃতি তথা সাফল্যৰ বিশ্লেষণ আৰু পুনঃনিৰীক্ষণ কৰে, সংশ্লিষ্ট শিক্ষক/বিষয় শিক্ষকৰ লগত এই একে কথাখিনি আলোচনা কৰে। | বিদ্যালয়ৰ মুৰব্বী আৰু শিক্ষকে একেলগে মিলি চলিত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ পৰ্যালোচনা কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰগতি আৰু উত্তৰণৰ লেখ লয়। শিকন সূচক, শিকাৰু কেন্দ্ৰিক শিক্ষাবিধি, শিক্ষণৰ অভিযোজনামূলক পদক্ষেপৰ পৰিপ্ৰেক্ষিতত প্ৰয়োজনীয় উন্নতি সাধনৰ বিষয়ে শিক্ষকসকলৰ লগত আলোচনা কৰে; অভিভাৱকৰ লগত ছাত্ৰৰ কৃতিৰ বিষয়ে কথা পাতে। |
| **বিদ্যালয়ৰ পৰিচালনা** | বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয়ৰ নিত্য-নৈমিত্তিক কামকাজ বিদ্যালয়ৰ কৰ্মচাৰী, বস্তু-বাহিনী, বিত্ত-পৰিচালনা কৰে, বিশেষ কেইজনমানৰ ওপৰত দায়িত্ব ন্যস্ত কৰে; নিজে সিদ্ধান্ত গ্ৰহণ কৰে; ওপৰ মহলৰ পৰা পোৱা আদেশ আৰু পৰামৰ্শ মতে কাম কৰে; সিদ্ধান্তৰ বিষয়ে সহযোগী শিক্ষকক অৱগত কৰে আৰু লগতে ওপৰৱালাৰ আদেশ আৰু পৰামৰ্শৰ কথা আলোচনা কৰে। | বিদ্যালয়ৰ মুৰব্বীয়ে আৰু সহকৰ্মীয়ে সদায় চলি থকা কাৰ্যবোৰ পৰিকল্পনা আৰু পৰিচালনা কৰে (বিদ্যালয়ৰ কৰ্মচাৰী, সা-সম্পদ আৰু বিত্তৰ কথা তাত অন্তৰ্ভুক্ত)। সিদ্ধান্ত গ্ৰহণত কৰ্মচাৰীসকলক অংশীদাৰ কৰে; তেওঁ বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ সবিশেষ সতীৰ্থকলক জনায় আৰু তেওঁলোকক সুস্পষ্ট নিৰ্দেশনা দিয়ে আৰু বিদ্যালয় কাৰ্যক্ৰমণিকাৰ সফল ৰূপায়ণৰ কাৰণে নেতৃত্ব বহন কৰে। | বিদ্যালয়ৰ মুৰব্বী আৰু সহকৰ্মীয়ে একেলগে বিদ্যালয়ৰ ভৱিষ্যৎ লক্ষ্যৰ বিকাশ ঘটায় আৰু অভিভাৱক আৰু শিকাৰুৰ সৈতে আলোচনাৰ মাধ্যমেৰে এক ৰণ-কৌশলৰ পৰিকল্পনা কৰে; সকলোৰে ঐক্যমতত আৰু পাৰদৰ্শিতাৰ ভিত্তিত সহকৰ্মীৰ মাজত দায়িত্ব ভগাই দিয়ে। পৰস্পৰৰ সহায়, পৰিচালনাৰে কাম কৰা হয় আৰু একেলগে কামৰ অগ্ৰগতিৰ মূল্যায়ন কৰা হয়। |

**বিদ্যালয়ৰ প্ৰগতি**

## প্ৰমাণৰ উৎস
## (Sources of Evidence)

| | |
|---|---|
| প্ৰাসংগিক প্ৰমাণ পূৰ্ব নিৰ্ধাৰিত মান/ উপদেশমূলক উক্তি/পঞ্জীয়ন/ চৰকাৰী আদেশ | ➢ সৰ্বশিক্ষা অভিযান মিছনৰ প্ৰয়োগিক অভিযোজনা, অধ্যায়- iv (পৃষ্ঠা ৭৭-৭৯)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➢ ৰাষ্ট্ৰীয় শিক্ষা মিছনৰ প্ৰয়োগিক অভিযোজনা, অধ্যায়- v (পৃষ্ঠা ৩৬-৩৭)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Framework_Final_RMSA_3.pdf)<br>➢ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ অভিযোজনা, অধ্যায়- v (পৃষ্ঠা ১০৪-১০৫)<br>(http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf)<br>➢ শিক্ষাৰ অধিকাৰ আইন-২০০৯, অধ্যায়- iv দফা ২১ আৰু ২২ পৃষ্ঠা নং ৭) আৰু vii দফা ৩৫ আৰু ৩৮ পৃষ্ঠা নং ১০-১১)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf)<br>➢ বিদ্যালয়ৰ নেতৃত্ব উন্নয়নৰ ৰাষ্ট্ৰীয় আঁচনিৰ আধাৰ আৰু পাঠ্যক্ৰমৰ অভিযোজনা<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SLDP_Framework_NCSL_NUEPA.pdf) |
| বিদ্যালয়ত পাব পৰা সহায়ক প্ৰমাণ | ➢ নথিভুক্ত/লিখিত/প্ৰদৰ্শিত বিদ্যালয়ৰ ভৱিষ্যতৰ বাবে লক্ষ্যৰ তথা একেলগে কৰিব খোজা কামৰ বিৱৰণ<br>➢ ভৱিষ্যতৰ ৰূপকল্প প্ৰস্তুতি আৰু পুনৰীক্ষণৰ লগত জড়িত সদস্যৰ অভিলেখ<br>➢ বিদ্যালয় উন্নয়ন পৰিকল্পনা(SDP)ৰ নকল<br>➢ বিদ্যালয় উন্নয়ন পৰিকল্পনা প্ৰস্তুতিত জড়িত সদস্যৰ অভিলেখ, অগ্ৰগতিৰ খতিয়ান, অগ্ৰাধিকাৰ দিবলগীয়া ক্ষেত্ৰসমূহৰ চিনাক্তকৰণ, কৰ্ম আঁচনিৰ প্ৰস্তুতি, সময় নিৰ্ধাৰণ আৰু কৃতিত্ব লাভৰ কাৰণে দায়িত্ব সমৰ্পণ<br>➢ লিখিত উন্নয়নমূলক পৰিকল্পনা সমূহৰ সদায় ঠিক প্ৰয়োগ হোৱা বা পৰিচালিত হোৱাৰ নিয়মিত পৰ্যবেক্ষণৰ অভিলেখ<br>➢ বিদ্যালয় পৰিচালনা সমিতিৰ সভাৰ বিস্তৃত বিৱৰণ<br>➢ বিদ্যালয়ৰ চলিত অভ্যসন আৰু প্ৰক্ৰিয়াৰ উন্নতিৰ বাবে পৰামৰ্শ বিচাৰি সকলো অংশীদাৰ/কৰ্মকৰ্তালৈ চিঠি<br>➢ বিদ্যালয়ত শিক্ষকৰ স্ব-মূল্যায়নকে ধৰি, শিক্ষকৰ মূল্য নিৰূপণ কৰা প্ৰক্ৰিয়াৰ লিখিত তথ্যৰ লগতে সমনীয়াৰ মূল্যায়ন, বিদ্যালয় মুৰব্বীৰ দ্বাৰা মূল্যায়ন, শিক্ষকৰ মাজত পাৰস্পৰিক আলোচনা আৰু সেই মৰ্মে উন্নয়নৰ বাবে সৰ্বসন্মত প্ৰতিপুষ্টিৰ লিখিত বিৱৰণ<br>➢ প্ৰতিজন শিক্ষকৰ হাতত পাঠ্যক্ৰমৰ মানদণ্ড আৰু প্ৰতিটো বিষয়ৰ ইপ্সিত ফলাফলৰ বিৱৰণ উপলব্ধতা<br>➢ বিভিন্ন বিষয়ত শিকাৰুৰ মাহেকীয়া উন্নতিৰ লিখিত তথ্য<br>➢ অভিভাৱক-শিক্ষকৰ মাজত হোৱা সকলোবোৰ সভাৰ তথ্য, শিকাৰুৰ সফলতাৰ ওপৰত শিক্ষকৰ মন্তব্যৰ তথ্য আৰু অভিভাৱকৰ লগত হোৱা আলোচনা মৰ্মে ওলোৱা বিষয়ৰ তথ্যসমূহৰ নথিভুক্তকৰণ |

| বিদ্যালয়ে সৃষ্টি কৰিবলগীয়া প্ৰমাণ | তলত উল্লেখিত কৌশল/ আহিলা ব্যৱহাৰ কৰি বিদ্যালয়ে প্ৰমাণ সৃষ্টি কৰিব পাৰে—<br>➢ বিদ্যালয়ৰ মুৰব্বীয়ে বিদ্যালয়ৰ সম্পদৰ বিষয়ে শ্ৰেণীকোঠা আৰু বিদ্যালয় নিৰীক্ষণৰ পৰিপ্ৰেক্ষিতত শিক্ষণ-শিকন প্ৰক্ৰিয়া সম্পৰ্কে প্ৰস্তুত কৰা লিখিত বিৱৰণী<br>➢ শিক্ষকৰ শিকন-সফলতাৰ ওপৰত যুগুত কৰা প্ৰতিপুষ্টিৰ লিখিত তথ্য |
|---|---|

## উদ্ভাৱন
## Innovation(s)

## বিদ্যালয়-নেতৃত্ব আৰু পৰিচালনা

| ঘাই মানদণ্ড | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| ভৱিষ্যৎ ৰূপকল্প নিৰ্মাণ আৰু দিশ নিৰ্ধাৰণ | | | |
| পৰিবৰ্তন আৰু উন্নতিৰ গতি-নিৰ্দেশ | | | |
| শিক্ষণ-শিকনৰ গতি-নিৰ্দেশ | | | |
| বিদ্যালয় পৰিচালনাৰ গতি-নিৰ্দেশ | | | |

## উন্নয়নৰ কাৰণে প্ৰস্তুতি

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| ভৱিষ্যৎ লক্ষ্য নিৰ্মাণ আৰু দিশ নিৰ্ধাৰণ | | | | | | | | | |
| পৰিবৰ্তন আৰু উন্নতিৰ গতি-নিৰ্দেশ | | | | | | | | | |
| শিক্ষণ শিকনৰ গতি-নিৰ্দেশ | | | | | | | | | |
| বিদ্যালয় পৰিচালনাৰ গতি-নিৰ্দেশ | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

# ঘাই ক্ষেত্ৰ - ষষ্ঠ
# *Key Domain* VI



## অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য আৰু নিৰাপত্তা

# ঘাই ক্ষেত্ৰ - ষষ্ঠ
# Key Domain VI

## [ অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য আৰু নিৰাপত্তা ]

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

'সকলো শিশুৱে শিকিব পাৰে'— এই ধাৰণাটোৱেই হৈছে 'শিক্ষাৰ সাৰ্বজনীনকৰণ'ৰ মূলমন্ত্ৰ। শিক্ষাৰ অধিকাৰ আইন (RTE)এও এই ধাৰণাটোতে বিশ্বাসযোগ্যতাৰ মোহৰ মাৰি দি প্ৰতিষ্ঠা কৰিছে যে সকলো শিশুৱেই লিংগ, বৰ্ণ, আৰ্থ-সামাজিক পটভূমি ইত্যাদি নিৰ্বিশেষে শিক্ষা গ্ৰহণ কৰিব পাৰে। ইয়াৰ দ্বাৰা ইয়াকে বুজোৱা হৈছে যে বিভিন্ন পটভূমিৰ পৰা অহা শিশুক একে ধৰণৰ পঢ়াশলীয়া শিক্ষাৰ পৰিসীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজন। এই অন্তৰ্ভুক্তিকৰণে কেৱল 'সকলোৰে অন্তৰ্ভুক্তি'কে নুবুজায়, ই সকলো শিশুৰ সম সুবিধাৰ কথাকো সূচায় আৰু তাৰ দ্বাৰা 'সমতা নীতি' অনুসৰণ কৰাটো নিশ্চিত হয়। ইয়াৰ বাহিৰেও সকলো শিশুক সমানে অন্তৰ্ভুক্ত কৰাটোৱে সকলো শিকাৰুৰ শাৰীৰিক আৰু আৱেগিক কল্যাণ নিশ্চিত কৰিব পৰা নিৰাপদ আৰু সুস্থ বাতাবৰণৰ সৃষ্টি কৰাটো দাবী কৰে। গতিকে, এই বিষয়টোৱে বিদ্যালয়ৰ স্বাস্থ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা, শাৰীৰিক আৰু মনোস্তাত্ত্বিক দিশসমূহৰ ওপৰত আলোকপাত কৰে। ই শিক্ষক, অভিভাৱক, বৃহত্তৰ সমাজ ব্যৱস্থাৰ অংশীদাৰসকলৰ সকলোকে সামৰি এটা সৰ্বনিহিত, সৰ্বাত্মক সুস্থ পৰিবেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

## প্ৰতিফলিত সংকেত
**(Reflective promts)**

**প্ৰশ্ন ১ ঃ** বিদ্যালয়ে 'অন্তৰ্ভুক্তিকৰণ' শব্দটোৰ অৰ্থ কি বুজে?

**প্ৰশ্ন ২ ঃ** বিদ্যালয়ে কিদৰে শাৰীৰিক আৰু আৱেগিক সুৰক্ষাৰ এটা পৰিৱেশ গঢ় দিয়ে?

**প্ৰশ্ন ৩ ঃ** বিদ্যালয়ে সু-স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ কাৰণে কি কি পদক্ষেপ লয়?

**প্ৰশ্ন ৪ ঃ** দুৰ্যোগ ব্যৱস্থাপনাৰ কাৰণে বিদ্যালয়ে কিদৰে নিজকে সাজু কৰি লয়?

**প্ৰশ্ন ৫ ঃ** বিদ্যালয়ে চৌহদৰ বাহিৰত ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা কিদৰে নিশ্চিত কৰে?

**প্ৰশ্ন ৬ ঃ** দুৰ্যোগ ব্যৱস্থাপনাৰ কাৰণে বিদ্যালয়ে কিদৰে নিজকে প্ৰস্তুত কৰে?

## বাস্তৱিক তথ্য ঃ
**(Factual Information)**

১। শিক্ষাৰ্থীৰ সংখ্যা

(ক) ছাত্ৰ __________ (খ) ছাত্ৰী __________ (গ) অন্যান্য __________

২। বিদ্যালয়ত নামভৰ্তি কৰা বিভিন্ন সম্প্ৰদায়ৰ শিক্ষাৰ্থীৰ সংখ্যা-

(ক) অনুসূচিত জাতি ______ (খ) অনুসূচিত জনজাতি _____ (গ) আন পিছ পৰা শ্ৰেণী ______

(ঘ) দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ/EWS ________________ (ঙ) সাধাৰণ _______ ________

(চ) বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশু ________________

৩। (ক) বিভিন্ন শ্ৰেণীৰ বিশেষভাৱে প্ৰয়োজনসম্পন্ন কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত নামভৰ্তি কৰিছে?

(খ) বিভিন্ন শ্ৰেণীৰ বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুৰ কিমান সংখ্যকে সহায় আৰু যন্ত্ৰপাতি পাই আছে?

৪। নিম্নলিখিত বিভাগত বৃত্তি পোৱা শিক্ষাৰ্থীৰ সংখ্যা—

(ক) বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশু __________

(খ) দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ শিশু/EWS _________ (গ) অনুসূচিত জাতি ___________

(ঘ) অন্যান্য পিছপৰা জাতি____________________ (ঙ) ছোৱালী ___________

(চ) অনুসূচিত জনজাতি ____________________

৫। (i) বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুৰ বাবে সমল ব্যক্তি উপলব্ধ হয়নে? হয় ☐ নহয় ☐

(ii) শিক্ষাৰ্থীৰ বাবে আয়োজন কৰা কাৰ্যাৱলীৰ ক্ষেত্ৰ ঃ

(ক) প্ৰাথমিক সহায় ☐

(খ) কিশোৰ শিক্ষা/যৌন শিক্ষা ☐

(গ) সম্পদৰ অপব্যৱহাৰ ☐

(ঘ) নিৰাপত্তাৰ কৃত্ৰিম অনুশীলন ☐

(ঙ) পথ সুৰক্ষা/যানবাহন নিয়ন্ত্ৰণৰ নিয়মাৱলী ☐

৬। জুই, ভূমিকম্প, বানপানী, ভূমিস্খলন আদিৰ সময়ত আবাস খালীকৰণ প্ৰস্তুতিৰ বাবে পৰিকল্পনা আছে নেকি? আছে ☐ নাই ☐

৭। যৌন আতিশায্য বা নিৰ্যাতন ৰোধৰ কাৰণে যদি সমিতি আছে তাৰ তালিকা প্ৰস্তুত কৰা।

________________________________________

৮। বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ লগত দিহা-পৰামৰ্শ প্ৰদানৰ কাৰণে সভাৰ আয়োজন কৰে নেকি? কৰে ☐ নকৰে ☐

৯। (ক) যোৱা বছৰৰ চিকিৎসাজনিত/স্বাস্থ্যৰ পৰীক্ষা কৰোৱা শিক্ষাৰ্থীৰ সংখ্যা

________________________________________

(খ) স্বাস্থ্য পৰীক্ষাৰ বাবে অন্তৰ্ভুক্ত কৰা বিষয়ৰ তালিকা

________________________________________

(গ) যোৱা বছৰ বিদ্যালয়ে আয়োজন কৰা শিবিৰৰ সংখ্যা ঃ

(i) চিকিৎসা/স্বাস্থ্য

(ii) হিম'গ্লবিন (HB) পৰীক্ষা শিবিৰ

(iii) পথ সুৰক্ষা সজাগতা কাৰ্যসূচী

(iv) স্বাস্থ্য, পৰিচ্ছন্নতা, অনাময়তাৰ সজাগতা সভা।

(ঘ) (i) চিকিৎসা/স্বাস্থ্য শিবিৰৰ বাবে স্বাস্থ্য কৰ্মী/ডাক্তৰ কিমান বাৰ আমন্ত্ৰণ কৰা হৈছে?

________________________________________

(ii) কৰ্মীসকলৰ/ডাক্তৰসকলৰ বিস্তৃত বিৱৰণ দিয়া।

________________________________________

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| অন্তৰ্ভুক্তি সংস্কৃতি | বিদ্যালয়ে এইটো সুনিশ্চিত কৰে যে জাতি, লিংগ, ভাষা, আৰ্থিক অৱস্থা, শাৰীৰিক বাধাগ্ৰস্থতা আদিৰ ওপৰত ভিত্তি কৰি নামভৰ্তিৰ পৰা কোনো শিশুকে যাতে বঞ্চিত কৰা নহয়; বিভিন্ন পটভূমিৰ অভিভাৱকসকলক পতিয়ন নিয়াই যে নিয়মিতভাৱে তেওঁলোকে শিশুসকলক বিদ্যালয়লৈ পঠোৱা উচিত। | শিক্ষকসকলে জাতি, লিংগ, বিভিন্ন সামাজিক, অৰ্থনৈতিক পটভূমি ইত্যাদি নিৰ্বিশেষে ল'ৰা-ছোৱালী, অভিভাৱক, সহপাঠী আৰু আন কৰ্মীবৃন্দৰ মাজত শ্ৰেণী কাৰ্যত বা আসন ব্যৱস্থাপনা কৰাত সমতা বজায় ৰাখে; ছাত্ৰীসকল আৰু পিছ পৰা শ্ৰেণীৰ শিক্ষাৰ্থীৰ ওপৰত অধিক মনোযোগ দিয়ে যাতে সমতা স্থাপন কৰি ৰাখিব পাৰি। | ভিন্ন মাত্ৰাৰ পাৰ্গতালি থকা আৰু ভিন্ন মূল্যবোধ প্ৰতিফলিত কৰা ভিন্ন পটভূমিৰ প্ৰয়োজনীয়তাৰ প্ৰতি বিদ্যালয়ে সঁহাৰি জনায়; শিক্ষাৰ্থীৰ শাৰীৰিক, আবেগিক শিকন পটুতা নিৰ্বিশেষে বিভিন্ন বিষয়ত তেওঁলোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰে; বিভিন্ন পটভূমিৰ অভিভাৱকসকলক বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় পৰিচালনা আৰু বিকাশ সমিতিৰ সভা আৰু বিদ্যালয়ৰ আন কাৰ্যসূচীত অংশ গ্ৰহণ কৰাত উৎসাহ যোগায়। |
| বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ অন্তৰ্ভুক্তি | শিক্ষকসকল ছাত্ৰ-ছাত্ৰীসকলৰ দৃশ্যমান অক্ষমতাৰ বিষয়ে অৱগত আৰু সেইবোৰৰ তথ্য তেওঁলোকে ৰাখে; পুঁজি আৰু সমলৰ সুবিধা থকা কামকাজৰ বাবে সহায়ৰ হাত আগবঢ়ায় আৰু সেইবোৰ কৰি দেখুৱায়। | অক্ষম ব্যক্তিৰ বাবে থকা আইনৰ বিষয়ে বিদ্যালয় অৱগত; বিশেষ প্ৰয়োজন সম্পন্ন শিশুক চিনাক্ত কৰি সহায় কৰিবলৈ উপলব্ধ সমল ব্যক্তিৰ সহায় লয়; শিক্ষকসকলে বিশেষ সঁজুলি আৰু পাঠ্যক্ৰমিক আহিলাৰ সহায়ত তেওঁলোকৰ প্ৰয়োজনবোৰ পূৰাবলৈ উদ্যম লয়; বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ বাবে সাধাৰণ পাঠ্যক্ৰমত সামান্য সাল-সলনি কৰি লয়, যথোপযুক্ত শিকন পদ্ধতি আৰু মান নিৰূপণ পদ্ধতি ব্যৱহাৰ কৰে আৰু এইটো নিশ্চিত কৰে যে অভিভাৱকৰ লগত মিলিতভাৱে নিৰ্ণয় কৰা লক্ষ্যত উপনীত হ'ব পৰাকৈ বিশেষ প্ৰয়োজন সম্পন্ন শিশুসকলে শিকি আছে। | বিদ্যালয়ে বিশেষভাৱে প্ৰয়োজন সম্পন্ন শিশুসকলৰ চিনাক্তকৰণ আৰু আনুসংগিক সহায়ৰ বাবে সমাজ আৰু বেচৰকাৰী সংস্থাসমূহক নিয়োজিত কৰে। নিয়মিতভাৱে বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুসকলৰ অগ্ৰগতি পৰ্যৱেক্ষণ কৰে আৰু তথ্য গোটায়। সাধাৰণ শ্ৰেণীকোঠাত আনসকলৰ লগত বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুক অন্তৰ্ভুক্ত কৰে; ইয়াৰ বাবে প্ৰশিক্ষণৰ দ্বাৰা শিক্ষকৰ ক্ষমতা বঢ়ায়। শিক্ষকে তেওঁলোকৰ সন্মুখত বিশেষভাৱে প্ৰয়োজনসম্পন্ন থকা মানুহৰ সাফল্যৰ উৎসাহজনক কাহিনী বৰ্ণনা কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| শাৰীৰিক নিৰাপত্তা | বিদ্যালয়ে পথ সুৰক্ষা নীতি আৰু বিদ্যালয় গৃহৰ নিৰাপত্তাৰ কথা সম্বলিত প্ৰচলিত আইন অনুসাৰে থাকিবলগীয়া বিদ্যালয় সুৰক্ষাৰ ব্যৱস্থাসমূহৰ অৱস্থিতিৰ তদাৰক কৰে; বৰ্তমানে থকা আৰু নিৰ্মীয়মাণ বিদ্যালয় গৃহৰ সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে; বিদ্যালয় গৃহ আৰু ইয়াৰ চৌপাশৰ প্ৰয়োজনীয় নিৰাপত্তাৰ ব্যৱস্থা নিশ্চিত কৰে; নিৰাপত্তা সম্পৰ্কীয় সামগ্ৰীসমূহৰ তালিকা আঁৰি ৰখা হয়, যেনে- জৰুৰীকালিন প্ৰস্থানৰ সুবিধা, জৰুৰীকালিন সংযোগী নম্বৰ, প্ৰাথমিক চিকিৎসাৰ টোপোলা, অগ্নি নিৰ্বাপক ব্যৱস্থা, ইত্যাদি। | বিদ্যালয়ে সুৰক্ষিত ভঁৰালৰ প্ৰতি আৰু ৰান্ধনি ঘৰ আৰু পৰীক্ষাগাৰত ব্যৱহৃত বিপদজনক সামগ্ৰীৰ সুৰক্ষিত ব্যৱহাৰৰ প্ৰতি মনোযোগ দিয়ে; সাক্ষাতকাৰীৰ প্ৰৱেশ আৰু প্ৰস্থানৰ ওপৰত নজৰ ৰাখে; বাধ্যতামুলক সুৰক্ষাৰ অনুশীলন কৰে, জৰুৰীকালিন অৱস্থাৰ সৈতে মোকাবিলা কৰিব পৰাকৈ স্থানীয় সংস্থাৰ সহায় লয়; বিষাক্ত জন্তু, সৰীসৃপ আৰু গৰাকীবিহীন কুকুৰৰ পৰা শিক্ষা গৃহটো ৰক্ষা কৰিবলৈ ব্যৱস্থা লয়; সুৰক্ষাৰ লগত জড়িত কাম কাজৰ বাবে বিশেষ সংস্থাৰ ওপৰত দায়িত্ব অৰ্পণ কৰে; দুৰ্ঘটনা প্ৰৱণ ঠাইবোৰ চিনাক্ত কৰে আৰু বিদ্যালয়খনক দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰিবলৈ দায়িত্বত থকা সংস্থাসমূহে ফলক আঁৰিছে নে নাই তাক সুনিশ্চিত কৰে; চৰম ব্যস্ততাৰ সময়খিনিত যানবাহন নিয়ন্ত্ৰক ব্যক্তিৰ উপস্থিতি নিশ্চিত কৰে, যাতে দুৰ্ঘটনা প্ৰৱণ ঠাই আৰু প্ৰয়োজনীয় সময়ত তেওঁলোক উপস্থিত থাকে। | বিদ্যালয়ে সকলোৱে মাজত বিদ্যালয় গৃহৰ দুৰ্যোগ ব্যৱস্থাপনা অনুশীলনৰ প্ৰতি সজাগতা সৃষ্টি কৰে, এটা সংগঠিত জৰুৰীকালীন সঁহাৰিৰ পৰিকল্পনা কৰে, য'ত যোগাযোগৰ ৰীতি আৰু ব্যৱস্থাপনা, যেনে- যোগাযোগ ৰক্ষা কৰা, শিক্ষা গৃহটো বিষাক্ত জন্তু আদিৰ পৰা ভয় মুক্ত কৰা ইত্যাদি অন্তৰ্ভুক্ত থাকে। এনেধৰণৰ পৰিকল্পনাৰ পুনৰীক্ষণ কৰা, প্ৰশিক্ষণ, আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰি বিদ্যালয়ে শিক্ষাৰ্থীসকলক নিৰাপত্তা আৰু সাৱধানতাৰ বিষয়ে জনাবলৈ চেষ্টা কৰে; শিক্ষণ-শিকনৰ লগত সজাগতা কাৰ্যসূচী আৰু নিৰাপত্তা অনুশীলন অন্তৰ্ভুক্ত কৰে; পৰিবহণ ব্যৱস্থাটো শিক্ষাৰ্থীৰ বাবে নিৰাপদ হোৱাটো নিশ্চিত কৰে; যানবাহন নিয়ন্ত্ৰণ সজাগতা অনুষ্ঠানসমূহতো অংশগ্ৰহণ কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| মনস্তাত্ত্বিক সুৰক্ষা | শিশুৰ শোষণ আৰু নিৰ্যাতন নীতিৰ বিষয়ে বিদ্যালয় সজাগ; শাৰীৰিক শাস্তি আৰু শাব্দিক গালি/তিৰস্কাৰ অনুমতি নিদিয়ে। | যৌন, শাৰীৰিক নিৰ্যাতনৰ লক্ষণসমূহ চিনাক্ত কৰিব পৰাকৈ বিদ্যালয়ৰ কৰ্মচাৰীসকলৰ প্ৰশিক্ষিত কৰে। "শুদ্ধ স্পৰ্শ" আৰু অশুদ্ধ স্পৰ্শৰ মাজত পাৰ্থক্য বুজিব পৰাকৈ বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰে। ডিজিটেল বা ডিজিটেল নোহোৱা শিকন সামগ্ৰীৰ পৰা চাব বা পঢ়িব লগা বিষয়বোৰ শিক্ষক কৰ্মচাৰীয়ে চালি জাৰি চায়।<br>কোনো শিশু যাতে অকলশৰীয়াকৈ অথবা আন্ধাৰ ঠাইত নাথাকে তাক নিশ্চিত কৰে; লগতে এইটো নিশ্চিত কৰে যে অতিৰিক্ত কামৰ বোজাৰ কাৰণে শিশুৰ ওপৰত যাতে কোনো বিৰূপ মানসিক প্ৰভাৱ নপৰে।<br>শিশু আৰু অভিভাৱকৰ অভিযোগ ভালদৰে জানিবলৈ এটা প্ৰক্ৰিয়া আছে আৰু বিদ্যালয়ত কৰ্মৰত সকলো প্ৰাপ্তবয়স্কৰ পটভূমিৰ পৰীক্ষা কৰা হয়। | বিদ্যালয়ে এটা সুসংগঠিত পদ্ধতি অৱলম্বন কৰে যিয়ে সকলো শিশুৰ আৱেগিক সুৰক্ষাক নিশ্চিত কৰে। আবেগিক সুৰক্ষা বুলিলে কথোপকথন আৰু আলোচনাৰ জৰিয়তে সজাগতা সৃষ্টি আৰু শিশুক শোষণ, যৌন শিক্ষা আৰু কৈশোৰ শিক্ষা আদিৰ বিষয়ে পৰামৰ্শ প্ৰদান আৰু পাৰস্পৰিক আলোচনাৰ জৰিয়তে সজাগতা সৃষ্টিৰ কথাকে বুজায়। লগতে বিদ্যালয়ে আৱেগিক নিৰাপত্তা সম্পৰ্কে থকা ৰাষ্ট্ৰীয় নীতিৰ নিয়মিতভাৱে পুনৰীক্ষণ কৰে; শিশু আৰু অভিভাৱকৰ লগত কথা পাতি পাঠ্যক্ৰম সম্বন্ধীয় বোজা আৰু শ্ৰেণী কোঠাৰ কামৰ হেচাৰ পৰা হোৱা অশান্তিৰ পৰা শিশুক মুক্ত কৰিবলৈ প্ৰয়াস কৰে। বিদ্যালয়ে শিশুক প্ৰতিকূল পৰিস্থিতিৰ সৈতে মুখামুখি হ'বলৈ শিকায় আৰু পূৰঠ বয়সৰ গোটৰ বাবে নিয়মীয়াভাৱে বৃত্তি বা নিয়োগ সম্পৰ্কীয় দিহা পৰামৰ্শ দানৰ ব্যৱস্থা কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
| স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা | বিদ্যালয়ে মাজে সময়ে ইয়াৰ চৌহদৰ চাফ-চিকুণতা আৰু স্বচ্ছতাৰ লগতে শিশুৰ ব্যক্তিগত পৰিচ্ছন্নতৰ পৰীক্ষা কৰে। আৱৰ্জনা পেলাবলৈ জাৰৰ পেলোৱা বাকচ দিয়ে। সকলো শিশুৰ উচ্চতা আৰু ওজনৰ মাপৰ তথ্য/নথি ৰাখে। | বিদ্যালয়ৰ স্বাস্থ্য, পৰিচ্ছন্নতা, স্বচ্ছতাৰ ওপৰত এটা নীতি আছে। বিদ্যালয়ে চাফ-চিকুণতা আৰু স্বচ্ছতাৰ সা-সুবিধাবোৰ নিশ্চিত কৰে; নিয়মিত পৰীক্ষা আৰু প্ৰচেষ্টাৰ জৰিয়তে মধ্যাহ্ন ভোজনৰ মান আৰু শিশুৰ ব্যক্তিগত পৰিষ্কাৰ স্বচ্ছতা নিশ্চিত কৰে। জাৰৰ নিষ্কাষণৰ বাবে সঠিক ব্যৱস্থা লয় আৰু সজাগতা গঢ়াৰ কাৰ্যসূচী অনুষ্ঠিত কৰে। শিশুৰ স্বাস্থ্যৰ বুজ লবলৈ শিশুৰ শ্ৰীবৃদ্ধিৰ তালিকা যুগুত কৰে আৰু প্ৰাথমিক স্বাস্থ্য পৰীক্ষাৰ সুবিধা প্ৰদান কৰে (দাঁত আৰু চকু পৰীক্ষাও অন্তৰ্ভুক্ত)। | শিশুৰ ব্যক্তিগত পৰিচ্ছন্নতা, বিদ্যালয়ৰ চাফ-চিকুণতা আৰু স্বচ্ছতাৰ স্থিতি বিদ্যালয় আৰু বিদ্যালয় পৰিচালনা সমিতিয়ে যুটীয়াভাৱে নিৰীক্ষণ কৰে। পিতৃ-মাতৃ/ অভিভাৱকৰ বাবে স্বাস্থ্য, পৰিচ্ছন্নতা আৰু স্বচ্ছতাৰ ওপৰত দিশ নিৰ্ণায়ক সভা/কৰ্মশালাৰ আয়োজন কৰে আৰু তালৈ স্বাস্থ্য কৰ্মী (ডাক্তৰ)ক মাতে। বিদ্যালয়ৰ নিৰীক্ষণ কৰা বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ ওপৰত অভিভাৱকক উপদেশ দিয়ে। শোষণৰ বলি হোৱা শিশুৰ বাবে বৃত্তিধাৰী চিকিৎসকৰ পৰামৰ্শৰ ব্যৱস্থা কৰে। |

**বিদ্যালয়ৰ প্ৰগতি**

## প্ৰমাণৰ উৎস
## Sources of Evidence

| | |
|---|---|
| প্ৰাসংগিক প্ৰমাণ পূৰ্ব নিৰ্ধাৰিত মান/ উপদেশমূলক উক্তি/পঞ্জীয়ন/ চৰকাৰী আদেশ | ➢ RMSA Framework, Chapter-IV (pp. 22-28), VI (pp. 42-47)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Framework_Final_RMSA_3.pdf)<br>➢ SSA, Framework, Chapter-III (pp. 23-53)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➢ NCF-2005 : Chapter-IV (pp. 78-100) (http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf)<br>➢ RTE Act- 2009 : Chapter-II (clause 3 at p. 3), IV (clause 17 at p. 6), VI (clause 31 at p. 9)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf)<br>➢ Swachh Bharat Swachh Vidyalaya, 2014 (pp 1-45)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Eng_Swachch-Bharat-Swachch-Vidhalaya.pdf)<br>➢ School Safety, National Disaster Management Division<br>(http://www.ndmindia.nic.in/School%20Safety%20Draft_Series1.0.pdf) |
| বিদ্যালয়ত প্ৰাপ্ত সহায়ক প্ৰমাণ | ➢ পটভূমিৰ বিস্তৃত বিৱৰণৰ সৈতে শিশুৰ নামভৰ্তিৰ তথ্য<br>➢ স্বাস্থ্য, পৰিচ্ছন্নতা, অন্তৰ্ভুক্তিৰ লগত সংগতি থকা প্ৰকল্পৰ তালিকা<br>➢ শিক্ষকে চিনাক্ত কৰা বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুৰ প্ৰয়োজনীয় বস্তুৰ তালিকা<br>➢ বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুৰ প্ৰয়োজন থকা আৰু উপলব্ধ পাঠ্যক্ৰম সম্বন্ধীয় আহিলা, সা-সৰঞ্জামৰ তথ্য/নথি<br>➢ নিৰ্দিষ্ট কাম, কাৰ্যাৱলী আৰু অনুষ্ঠানৰ তালিকা য'ত বিদ্যালয়ত অভিভাৱকসকলক অন্তৰ্ভুক্ত কৰা হয়<br>➢ বিদ্যালয়ে আঁৰি থোৱা সংবেদনশীল, স্বাস্থ্য আৰু সুৰক্ষা সমন্ধীয় তথ্যৰ নমুনা, যেনে- শিশু শোষণ, অসৎ স্পৰ্শ ইত্যাদি<br>➢ বিদ্যালয়ৰ জৰুৰীকালীন অৱস্থাৰ প্ৰতি সহাঁৰিৰ প্ৰস্তুতি<br>➢ শিক্ষাৰ্থী আৰু অভিভাৱকৰ আপত্তি, অভিযোগ, দুখ-কষ্ট গ্ৰহণৰ বাবে যথোপযুক্ত ব্যৱস্থা; বিদ্যালয়ত অভিযোগ বাকচৰ উপলব্ধতা<br>➢ শিক্ষাৰ্থীৰ লগত কথা পাতিবলৈ পতা প্ৰতিখন সভাৰ তথ্য/নথি<br>➢ শিশুৰ স্বাস্থ্য পৰীক্ষাৰ তথ্য/নথি<br>➢ গৃহ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ তথ্য/নথি<br>➢ চাফ-চিকুণতা পৰীক্ষণৰ তথ্য/নথি<br>➢ সুৰক্ষা, স্বাস্থ্য আৰু পৰিচ্ছন্নতাৰ ওপৰত ভিত্তি কৰি সজাগতা সৃষ্টিৰ বাবে আয়োজন কৰা অনুষ্ঠানৰ তথ্য/নথি। |
| **বিদ্যালয়ে কৰিবলগীয়া প্ৰমাণবোৰ** | তলত উল্লেখিত আহিলা/পদ্ধতিৰ জৰিয়তে বিদ্যালয়ে কৰিবলগীয়া প্ৰমাণবোৰ-<br>➢ স্বাস্থ্য, পৰিচ্ছন্নতা আৰু অন্তৰ্ভুক্তিৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ পৰ্যৱেক্ষণ<br>➢ সকলো শিশুৰ প্ৰয়োজন পূৰণৰ বাবে অভিভাৱক, শিক্ষাৰ্থী আৰু সমাজৰ লগত কৰা কথোপকথন |

## উদ্ভাৱন
## Innovation (s)

# সঁহাৰি আধাৰক
# (Response Matrix)

## অন্তৰ্ভুক্তি, স্বাস্থ্য আৰু নিৰাপত্তা

| ঘাই মানদণ্ড | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| সৰ্ব-সন্নিবিষ্ট সংস্কৃতি | | | |
| বিশেষভাৱে প্ৰয়োজনসম্পন্ন শিশুৰ অন্তৰ্ভুক্তি | | | |
| শাৰীৰিক নিৰাপত্তা | | | |
| মনোস্তাত্ত্বিক নিৰাপত্তা | | | |
| স্বাস্থ্য আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা | | | |

## উন্নতি সাধনৰ বাবে পৰিকল্পনা

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| সৰ্ব-সন্নিবিষ্ট সংস্কৃতি | | | | | | | | | |
| বিশেষভাৱে প্ৰয়োজনসম্পন্ন থকা শিশুৰ অন্তৰ্ভুক্তি | | | | | | | | | |
| শাৰীৰিক নিৰাপত্তা | | | | | | | | | |
| মনোস্তাত্ত্বিক নিৰাপত্তা | | | | | | | | | |
| স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ  ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

# ঘাই ক্ষেত্ৰ - সপ্তম
# *Key Domain* VII



## ৰাইজৰ গঠনমূলক সহযোগিতা

# ঘাই ক্ষেত্ৰ - সপ্তম
# *Key Domain* VII

## [ ৰাইজৰ গঠনমূলক সহযোগিতা ]

### ঘাই ক্ষেত্ৰৰ বিষয়ে এষাৰ

'সমাজ' বুলিলে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসমূহ, শিক্ষক, শিকাৰু, পিতৃ-মাতৃ/অভিভাৱক, স্থানীয় বাসিন্দা, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত ব্যক্তিসকল আৰু বেচৰকাৰী সংস্থাসমূহকে বুজায়। বিদ্যালয়ৰ উন্নয়নৰ বাবে ৰাইজৰ সৈতে একেলগে কাম কৰাটো এটা গুৰুত্বপূৰ্ণ কথা। শিকাৰুক গুণসম্পন্ন শিক্ষা প্ৰদান কৰিবলৈ আৰু বিদ্যালয়ৰ লক্ষ্যত উপনীত হ'বলৈ বিদ্যালয়ে সমাজৰ সহযোগিতা লাভ কৰিব লাগিব। বিদ্যালয়ৰ সৈতে সমাজৰ সক্ৰিয় সহযোগিতাই বিদ্যালয় সম্পদৰ সৰ্বোত্তম ব্যৱহাৰ, শিকাৰুৰ সামগ্ৰিক উন্নয়ন আৰু বিদ্যালয়ৰ সুপৰিচালনা সুনিশ্চিত কৰে। সেয়েহে, বিদ্যালয়ে সমাজৰ লগত এটা সুসম্পৰ্ক প্ৰতিষ্ঠা কৰা প্ৰয়োজন যিয়ে সমাজ আৰু বিদ্যালয় উভয়ৰে উপকাৰ সাধন কৰিব পাৰে। বিদ্যালয় পৰিচালনাৰ পৰিকল্পনা, ৰূপায়ণ, সম্পদৰ সংগঠিতকৰণ আৰু নিৰীক্ষণৰ ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰিবৰ বাবে প্ৰতিখন বিদ্যালয়তে বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি গঠন কৰা হৈছে। ইয়ে বিদ্যালয়ত নামভৰ্তি উন্নীতকৰণ, শিকাৰুক বিদ্যালয় এৰি নোযোৱাকৈ ধৰি ৰখা আৰু শিক্ষণ-শিকন আৰু শিকনৰ সুফল লাভৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## প্ৰতিফলক সংকেত
## (Reflective promts)

**প্ৰশ্ন ১ ঃ** বিদ্যালয় পৰিকল্পনা আৰু পৰিচালনাত বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে কেনেদৰে অবদান আগবঢ়ায়?

**প্ৰশ্ন ২ ঃ** বিদ্যালয়ত শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ উন্নয়ন আৰু শিকন ফললাভৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে কি ভূমিকা লয়?

**প্ৰশ্ন ৩ ঃ** সমাজৰ লগত বিদ্যালয়ে কি সংযোগ প্ৰতিষ্ঠা কৰিছে?

**প্ৰশ্ন ৪ ঃ** বিদ্যালয়ে উন্নয়নৰ বাবে সমাজৰ সম্পদসমূহক কি উপায়েৰে সংগঠিত কৰে?

**প্ৰশ্ন ৫ ঃ** সমাজে বিদ্যালয়ৰ সম্পদসমূহক সংগঠিত কৰাৰ ক্ষেত্ৰত গতিশীলতা প্ৰদান কৰে?

## বাস্তৱিক তথ্য
## (Factual Information)

(প্ৰয়োজন অনুসাৰে বিদ্যালয়ে এটাতকৈ বেছি বিকল্পৰ উত্তৰ দিব পাৰে)

১. বিদ্যালয় পৰিচালনা সমিতিৰ /বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ সদস্যৰ সংখ্যা ———

২. বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ গাঁথনি

(প্ৰতিটোৰ শাখা প্ৰতিনিধিৰ সংখ্যা বাকচত ভৰাওক)

(ক) পিতৃ-মাতৃ ———— (খ) শিক্ষক —— (গ) মহিলা ————

(ঘ) সংখ্যালঘু ———— (ঙ) স্থানীয় কৰ্তৃপক্ষ —— (চ) অনুসূচিত জাতি/অনুসূচিত জনজাতি —

৩. যোৱা শৈক্ষিক বৰ্ষত অনুষ্ঠিত কৰা সভাৰ সংখ্যা ———

৪. যোৱা শৈক্ষিক বৰ্ষৰ সভাৰ গড় উপস্থিতিৰ হাৰ ———

৫. প্ৰশিক্ষণ পোৱা বিদ্যালয় পৰিচালনা সমিতিৰ/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ সদস্যৰ সংখ্যা ———

৬. বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে যোৱা বছৰত সহযোগিতা প্ৰদান কৰা কাৰ্যাৱলী/দিশসমূহ

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| সংগঠন আৰু বিদ্যালয় পৰিচালনা সমিতি | পূৰ্বে নিৰ্ধাৰিত কাৰ্যসূচী নোহোৱাকৈ সভাবোৰ অনুষ্ঠিত কৰা হয়, কিছুসংখ্যক সদস্যহে সভাত উপস্থিত থাকে, বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে বিস্তৃতভাৱে বিত্ত আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত সিদ্ধান্ত লয়। | আগতীয়া জাননী যোগে বা নিৰ্দেশনা অনুসাৰে সভাবোৰ আহ্বান কৰা হয়। বেছিভাগ সদস্যই সভাত উপস্থিত থাকি সিদ্ধান্ত গ্ৰহণত অংশ গ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন সমিতিয়ে বিত্ত আৰু আন্তঃগাঁথনিৰ লগতে আন আন দিশসমূহৰ আলোচনাত অংশগ্ৰহণ কৰে। | বিদ্যালয় পৰিচালনা সমিতি /বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ সভাসমূহ নিয়মিত ৰূপে পতা হয় আৰু প্ৰয়োজনবোধ হ'লে অতিৰিক্ত সভাবো আয়োজন কৰা হয়। সুনিশ্চিত বিষয় আৰু পৰিকল্পনাসমূহ আলোচনা কৰা হয়। বিদ্যালয় পৰিচালনা সমিতিয়ে/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে নিজৰ সিদ্ধান্তসমূহৰ ৰূপায়ণ, পৰ্যৱেক্ষণ আৰু পৰ্যালোচনা কাৰ্যত সহায় কৰে। |
| বিদ্যালয় উন্নয়নত ভূমিকা | বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি বিদ্যালয় উন্নয়ন পৰিচালনা সম্পৰ্কত শিক্ষা অধিকাৰ আইন-২০০৯ (RTE Act, 2009) আৰু সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান সম্পৰ্কে জ্ঞাত আৰু তেওঁলোকে বিদ্যালয় পৰিচালনা সমিতিৰ/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ সভাত বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰে। | বিদ্যালয় পৰিচালনা সমিতি /বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিয়ে শিক্ষাৰ অধিকাৰ আইন-২০০৯ (RTE act-2009) আৰু সৰ্বশিক্ষা অভিযান/ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান বিধানসমূহৰ ৰূপায়ণ আৰু কাৰ্যকৰীকৰণ নিশ্চিত কৰে। বিদ্যালয় উন্নয়ন পৰিকল্পনা (SDP) ৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি শীঘ্ৰে কৰণীয় কাৰ্যাৱলীৰ পৰামৰ্শ আগবঢ়ায়। লগতে শিক্ষাৰ অধিকাৰ আইন-২০০৯ আৰু সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ তথ্য সমাজৰ লগত আদান-প্ৰদান কৰে। | বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি বিদ্যালয় মূল্যায়ন প্ৰক্ৰিয়াত অংশ লয়, অগ্ৰাধিকাৰ ভিত্তিত উন্নয়নৰ প্ৰয়োজনীয় দিশ চিনাক্তকৰণত সহায় কৰে। শিক্ষকৰ সৈতে যুটীয়াভাৱে বিদ্যালয় উন্নয়ন পৰিকল্পনা (SDP) প্ৰস্তুত কৰে আৰু ইয়াৰ ৰূপায়ণ আৰু সামগ্ৰিক উন্নয়ন নিৰীক্ষণ কৰে। |

| ঘাই মাপকাঠি | বিৱৰক (Descriptor) | | |
|---|---|---|---|
| | স্তৰ ১ | স্তৰ ২ | স্তৰ ৩ |
| বিদ্যালয় আৰু সমাজৰ সংযোগ | পিতৃ-মাতৃ আৰু সমাজৰ সদস্যসকলক বিদ্যালয়ৰ ৰাজহুৱা অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা হয়। বিদ্যালয়ে পিতৃ-মাতৃ সকলক বিদ্যালয়ত থকা সা-সুবিধা সম্পৰ্কে জনায় আৰু সাম্প্ৰতিক সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কে অৱগত কৰে। | বিদ্যালয়ে সমাজৰ সৈতে আন্তঃ যোগাযোগ স্থাপন কৰে আৰু শিক্ষাৰ্থীৰ আৰ্থ-সামাজিক পটভূমি, শিকাৰুৰ নামভৰ্তি, উপস্থিতি আদি পৰ্যালোচনা কৰে। বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়ৰ তত্বাৱধানৰ কাৰণে প্ৰয়োজনীয় সমল তথা ধন যোগান কৰে আৰু বিদ্যালয়ৰ সা-সুবিধাসমূহ উন্নত কৰে। বিদ্যালয় আৰু সমাজে যুটীয়াভাৱে বিদ্যালয়ত আৰু সমাজৰ কোনো স্থানত ৰাজহুৱা অনুষ্ঠান পাতে। | বিদ্যালয় আৰু সমাজে যুটীয়াভাৱে বিদ্যালয়ৰ প্ৰয়োজনসমূহৰ মূল্যাংকন কৰে, উপলব্ধ সমলসমূহৰ চিনাক্তকৰণ কৰে; বিদ্যালয়ৰ উন্নয়নৰ বাবে পৰিকল্পনা কৰে আৰু সমলৰ সৰ্বোত্তম প্ৰয়োগৰ বাবে অন্যান্য উৎস,- যেনে, বেচৰকাৰী সংস্থা, যৌথ সংগঠন, প্ৰাক্তন ছাত্ৰ আদিৰ ওচৰ চাপে। |
| শিকন সমলৰ ৰূপত সমাজ | বিদ্যালয়ে কোনো প্ৰতিষ্ঠান আৰু বিদ্যালয়ৰ সমীপৱৰ্তী কোনো চাবলগীয়া ঠাই ভ্ৰমণৰ সুবিধা প্ৰদানৰ বাবে সমাজৰ সহযোগিতা বিচাৰে। | বিদ্যালয়ে সমাজৰ লগত ভাব বিনিময় কৰে আৰু শিকাৰুৰ সুবিধাৰ্থে সমাজত মুখে মুখে চলি অহা ইতিহাস, সংস্কৃতি আৰু পৰম্পৰাগত জ্ঞান (লোকসংগীত, কলা আৰু শিল্প নৈপুণ্য, কৃষিজাত কাম-কাজ ইত্যাদি)ৰ কথা আলোচনা কৰে। বিদ্যালয়ে প্ৰখ্যাত ব্যক্তি, গুৰুত্বপূৰ্ণ ঠাই আৰু তেনে ঠাইৰ বৈশিষ্ট্য সম্পৰ্কে আলোকচিত্ৰ প্ৰদৰ্শন কৰে; শিকাৰুৰ সৈতে ভাব বিনিময় কৰিবৰ কাৰণে বিদ্যালয়ে স্থানীয় শিল্পীক নিমন্ত্ৰণ কৰি আনে। | বিদ্যালয়ে বিভিন্ন বিষয়ৰ শিক্ষণ-শিকনত স্থানীয় সমাজৰ জ্ঞান আৰু কলা-কৌশলক পৰিকল্পিত আৰু সংঘবদ্ধ ৰূপত সজ্জিত কৰি শিক্ষাৰ্থীসকলক বৃত্তিমুখী কৌশল শিকাবৰ কাৰণে গাঁওসমূহকে শিকন সমল হিচাপে ব্যৱহাৰ কৰে। |

| ঘাই মাপকাঠি | বিবৰক (Descriptor) | | |
|---|---|---|---|
| | **স্তৰ ১** | **স্তৰ ২** | **স্তৰ ৩** |
| **সমাজক সবল কৰা** | বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয় উন্নয়ন পৰিকল্পনা ৰূপায়ণৰ বাবে প্ৰয়োজন হোৱা অতিৰিক্ত সমল চিনাক্ত কৰে আৰু তেনে সম্ভাৱনীয়তা থকা উৎসসমূহ সংগ্ৰহ কৰে। | বিদ্যালয় পৰিচালনা সমিতিয়ে বিদ্যালয়ৰ সা-সুবিধা বৃদ্ধিৰ বাবে সমলসমূহ সংগঠিত কৰে; বিদ্যালয় আৰু সমাজে যুটীয়াভাৱে বিদ্যালয় চৌহদ আৰু সমাজৰ বিভিন্ন স্থানত অনুষ্ঠানৰ আয়োজন কৰে | সমল সংগ্ৰহৰ বাবে বিদ্যালয় আৰু সমাজে অন্যান্য উৎস, যেনে- বেচৰকাৰী সংস্থা, যৌথ সংগঠন, প্ৰাক্তন ছাত্ৰ আদিৰ সহায় লয়; বিদ্যালয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা, স্বাক্ষৰতা, লিংগ আৰু সামাজিক বৈষম্যৰ বিৰুদ্ধে অভিযান কাৰ্যসূচী লয়, বিদ্যালয়ৰ এনে সক্ৰিয় কাৰ্যই সমাজক জড়িতকৰণৰ বাবে এখন মঞ্চ তৈয়াৰ কৰে। |

**বিদ্যালয়ৰ প্ৰগতি**

## প্ৰমাণৰ উৎস
## Sources of Evidence

| | |
|---|---|
| প্ৰাসংগিক প্ৰমাণ পূৰ্ব নিৰ্ধাৰিত মান/ উপদেশমূলক উক্তি/পঞ্জীয়ন/ চৰকাৰী আদেশ | ➢ সৰ্বশিক্ষা অভিযানৰ ৰূপায়ণৰ আধাৰ/আধাৰ অধ্যায়-পঞ্চম (পৃঃ ৮৩-৯১), অধ্যায় নৱম (পৃঃ ১৩৭-১৩৯)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/SSA-Frame-work.pdf)<br>➢ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা আঁচনিৰ ৰূপায়ণৰ আধাৰ অধ্যায়-২ (পৃঃ ৭), অধ্যায় ৪ (পৃঃ ৬৫, পৃঃ ৭৯), অধ্যায়-৬ (পৃঃ ৪৩-৪৫), আৰু অধ্যায় ৭ (পৃঃ ৫৩-৫৭)<br>(http://mhrd.gov.in/sites/upload_files/mhrd/files/upload_document/Framework_Final_RMSA_3.pdf)<br>➢ ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ -২০০৫ ঃ অধ্যায়-২ (পৃঃ ৩০-৩৪), অধ্যায় ৪ (পৃঃ ৮৮-৮৯)<br>(NCF-2005: http://www.ncert.nic.in/rightside/links/pdf/framework/english/nf2005.pdf)<br>➢ শিক্ষা অধিকাৰ আইন ঃ অধ্যায়- ৩ (ধাৰা-১০ৰ পৃঃ ৫), অধ্যায়-4 (ধাৰা- ২১, ২২ৰ পৃঃ ৯৭) আৰু অধ্যায় -৭ (ধাৰা-৩৫, ৩৮ৰ পৃঃ ১০-১১)<br>(http://ssa.nic.in/rte-docs/free%20and%20compulsory.pdf) |
| বিদ্যালয়ত প্ৰাপ্ত সহায়ক প্ৰমাণ | ➢ বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ পঞ্জীয়নত নিম্নোক্ত উপাদানসমূহ সন্নিবিষ্ট থাকে ঃ<br>● সদস্যৰ নাম-তালিকাৰে সৈতে বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি গঠন<br>● সভাৰ কাৰ্যসূচী আৰু সবিশেষ<br>● সদস্যৰ উপস্থিতি<br>● বিগত সভাত গৃহীত সিদ্ধান্ত আৰু কামৰ পৰ্যালোচনা<br>● বিদ্যালয়ৰ মূল্যায়ন, নিৰীক্ষণ আৰু পৰিকল্পনা ৰূপায়ণত বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ অংশগ্ৰহণ<br>➢ সভাত উপস্থিতিৰ বাবে বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতিৰ সদস্যৰ সৈতে যোগাযোগৰ উপায় যথা আগতীয়া জাননী<br>➢ সমাজক জড়িতকৰণৰ সংকেত সন্নিবিষ্ট শিক্ষণ-শিকন পৰিকল্পনা<br>➢ বিদ্যালয় উন্নয়নৰ সা-সুবিধাৰ্থে বিভিন্ন ক্ষেত্ৰত ৰাইজ/সমাজৰ সহযোগিতা, যেনে-, তথ্য-প্ৰযুক্তিৰ সুবিধা, পুথিভঁৰাল, বিদ্যালয় বাগিচা ইত্যাদি।<br>➢ শিক্ষক ছুটীত থকা দিনত গাঁৱৰ বয়োজ্যেষ্ঠসকলে শিকাৰুসকলক সমাজৰ কাহিনী, স্থানীয় কলা, লোকগীত, লোক সংগীত, হস্তকলা, কৃষিকাৰ্য, স্থানীয় ইতিহাস ইত্যাদি অৱগত কৰিব আৰু পৰস্পৰে ভাবৰ আদান-প্ৰদান কৰিব।<br>➢ সংঘবদ্ধ হৈ বিভিন্ন ঠাই, ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, যেনে,- গাঁও পঞ্চায়ত, ডাকঘৰ আদি ভ্ৰমণ কৰিব, কৃষিভূমি পৰিদৰ্শন কৰিব আৰু এইবোৰ শিকাৰুৰ শিক্ষণ সমল হ'ব পাৰে। |

| বিদ্যালয়ে প্ৰয়োজনমতে সৃষ্টি কৰিবলগীয়া প্ৰমাণবোৰ | বিদ্যালয়ে নিম্নোক্ত উপায় বা কৌশলেৰে কাৰ্যসমূহ কৰিব পাৰে<br>➢ শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে নামভৰ্তি সন্দৰ্ভত কৰা জৰীপ<br>➢ বিদ্যালয় আৰু সমাজে অংশগ্ৰহণ কৰা কাৰ্যসূচীসমূহ<br>➢ সমাজৰ পৰা প্ৰাপ্ত সমন্বিত মতামত সমূহ<br>➢ দান, বৰঙণি আৰু সমাজ আৰু পঞ্চায়ত কাৰ্যালয়ৰ পৰা পোৱা সা-সুবিধাসমূহ |
|---|---|

## উদ্ভাৱন
## Innovation (s)

# সঁহাৰি আধাৰক
## (Response Matrix)

### ৰাইজৰ গঠনমূলক সহযোগিতা

| ঘাই মানদণ্ড | স্তৰ-১ | স্তৰ-২ | স্তৰ-৩ |
|---|---|---|---|
| সংগঠন আৰু বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি | | | |
| বিদ্যালয় উন্নয়নত ভূমিকা | | | |
| বিদ্যালয় আৰু সমাজৰ সংযোগ | | | |
| শিকন সমল হিচাপে সমাজ | | | |
| সমাজৰ সবলীকৰণ | | | |

## উন্নতি সাধনৰ বাবে পৰিকল্পনা

| ঘাই মাপকাঠি | স্তৰ | উন্নয়নৰ ক্ষেত্ৰ সীমা | উন্নয়নৰ ক্ষেত্ৰৰ অগ্ৰাধিকাৰ | | | প্ৰস্তাৱিত কাম | সময় সীমা সঠিক বছৰত (✓) চিন দিয়া | | |
|---|---|---|---|---|---|---|---|---|---|
| | | | নিঃ | মঃ | উঃ | | ব-১ | ব-২ | ব-৩ |
| সংগঠন আৰু বিদ্যালয় পৰিচালনা সমিতি/ বিদ্যালয় উন্নয়ন পৰিচালনা সমিতি | | | | | | | | | |
| বিদ্যালয় উন্নয়নত ভূমিকা | | | | | | | | | |
| বিদ্যালয় আৰু সমাজৰ সংযোগ | | | | | | | | | |
| শিকন সমল হিচাপে সমাজ | | | | | | | | | |
| সমাজৰ সবলীকৰণ | | | | | | | | | |

নিঃ - নিম্ন, মঃ - মধ্য, উঃ- উচ্চ  ব-১ = বছৰ-১ ব-২ = বছৰ-২, ব-৩ = বছৰ-৩

## টোকা



# বিদ্যালয়ৰ মূল্যায়ন ফলক
# (School Evaluation Dashboard)



বিদ্যালয়ৰ ইউ ডাইচ আই ডি ..........................................................................................................

বিদ্যালয়ৰ নাম .................................................. বিদ্যালয়ৰ প্ৰধান/অধ্যক্ষ..................................................

ঠিকনা ..........................................................................................................

অৱস্থিতি গ্ৰাম্য ☐ নগৰ ☐ জনজাতীয় ☐ শ্ৰেণী (কোন শ্ৰেণীত পঢ়ুৱায়) ____________

## শিকাৰুৰ সবিশেষ আৰু শিক্ষণৰ ফলাফল

### জনগাঁথনিৰ প্ৰতিচ্ছবি

| বৰ্গ | এছ চি | এছ টি | অ' বি চি | সাধাৰণ | সংখ্যালঘু | মুঠ |
|---|---|---|---|---|---|---|
| সংখ্যা | | | | | | |

### শ্ৰেণী অনুসৰি উপস্থিতিৰ বাৰ্ষিক হাৰ ...

| শ্ৰেণী | ল'ৰা | ছোৱালী | মুঠ |
|---|---|---|---|
| প্ৰথম | | | |
| দ্বিতীয় | | | |
| তৃতীয় | | | |
| চতুৰ্থ | | | |
| পঞ্চম | | | |
| ষষ্ঠ | | | |
| সপ্তম | | | |
| অষ্টম | | | |
| নৱম | | | |
| দশম | | | |
| একাদশ | | | |
| দ্বাদশ | | | |
| মুঠ | | | |
| মুঠ দিনৰ সংখ্যা | | | |

### ঘাই বিষয়ৰ পাৰদৰ্শিতা (বাৰ্ষিক)

| শ্ৰেণী | ঘাই বিষয়/ শাখা | মুঠ ছাত্ৰ-ছাত্ৰী | ছাত্ৰ–ছাত্ৰীৰ প্ৰত্যেক বিষয়ত শতকৰা হাৰ এ | বি | চি | ডি | ই | বিষয় অনুসৰি নিম্ন হাৰৰ ফলাফল |
|---|---|---|---|---|---|---|---|---|
| অষ্টম | ভাষা প্ৰথম | | | | | | | |
| | ভাষা দ্বিতীয় | | | | | | | |
| | গণিত | | | | | | | |
| | বিজ্ঞান | | | | | | | |
| | সমাজ বিজ্ঞান | | | | | | | |
| নৱম | ভাষা প্ৰথম | | | | | | | |
| | ভাষা দ্বিতীয় | | | | | | | |
| | গণিত | | | | | | | |
| | বিজ্ঞান | | | | | | | |
| | সমাজ বিজ্ঞান | | | | | | | |
| দশম | ভাষা প্ৰথম | | | | | | | |
| | ভাষা দ্বিতীয় | | | | | | | |
| | গণিত | | | | | | | |
| | বিজ্ঞান | | | | | | | |
| | সমাজ বিজ্ঞান | | | | | | | |
| একাদশ | কলা | | | | | | | |
| | বাণিজ্য | | | | | | | |
| | বিজ্ঞান | | | | | | | |
| | অন্যান্য | | | | | | | |
| দ্বাদশ | কলা | | | | | | | |
| | বাণিজ্য | | | | | | | |
| | বিজ্ঞান | | | | | | | |
| | অন্যান্য | | | | | | | |

* ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ প্ৰতি সঁহাৰিৰ মাপকাঠি —
  গ্ৰেড **A** ঘাই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ ৮১-১০০
  গ্ৰেড **B** ঘাই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ ৬১-৮০
  গ্ৰেড **C** ঘাই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ ৪১-৬০
  গ্ৰেড **D** ঘাই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ ৩৩-৪০ আৰু
  গ্ৰেড **E** ঘাই বিষয়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ ০২-৩২।

শিকনৰ ফলাফল (বাৰ্ষিক/একত্ৰিত প্ৰতিবেদন)

| শ্ৰেণী | ছাত্ৰ-ছাত্ৰীৰ শতকৰা হাৰ যিসকলে যথানুক্ৰমে শতকৰা হাৰত নম্বৰ লাভ কৰিছে <৩৩ | ৩৩-৪০ | ৪১-৫০ | ৫১-৬০ | ৬১-৭০ | ৭১-৮০ | ৮১-৯০ | ৯১-১০০ |
|---|---|---|---|---|---|---|---|---|
| প্ৰথম | | | | | | | | |
| দ্বিতীয় | | | | | | | | |
| তৃতীয় | | | | | | | | |
| চতুৰ্থ | | | | | | | | |
| পঞ্চম | | | | | | | | |
| ষষ্ঠ | | | | | | | | |
| সপ্তম | | | | | | | | |
| অষ্টম | | | | | | | | |
| নৱম | | | | | | | | |
| দশম | | | | | | | | |
| একাদশ | | | | | | | | |
| দ্বাদশ | | | | | | | | |

## শিক্ষকৰ সবিশেষ

প্ৰত্যেকটো বৰ্গত (Category) অন্তৰ্ভুক্ত শিক্ষকৰ সংখ্যা

| পুৰুষ প্ৰশিক্ষণ প্ৰাপ্ত | পুৰুষ প্ৰশিক্ষণ নথকা | মহিলা প্ৰশিক্ষণ প্ৰাপ্ত | মহিলা প্ৰশিক্ষণ নথকা | মুঠ প্ৰশিক্ষণ প্ৰাপ্ত | মুঠ প্ৰশিক্ষণ নথকা |
|---|---|---|---|---|---|
| | | | | | |

### শিক্ষকৰ উপস্থিতি

| ছুটীৰ | সুবিধা গ্ৰহণ কৰা শিক্ষকৰ সংখ্যা |
|---|---|
| দীঘলীয়া (এমাহতকৈ বেছি) | |
| কম দিনীয়া (এসপ্তাহৰ ভিতৰত) | |

## বিদ্যালয় মূল্যায়ন একত্ৰিত আধাৰ (School Evaluation Composite Matrix)

ঘাই মানৰ সংখ্যা ১২ টা

| ক্ষেত্ৰ-১ বিদ্যালয়ত থকা সমল; উপলব্ধতা, পৰ্যাপ্ত আৰু ব্যৱহাৰ | পৰ্যায় উপলব্ধতা আৰু পৰ্যাপ্ততা: নিজস্ব | বাহিৰৰ | পৰ্যায় গুণাগুণ আৰু ব্যৱহাৰযোগ্যতা: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|---|---|
| বিদ্যালয়ৰ চৌহদ | | | | | |
| খেলৰ সামগ্ৰী/সঁজুলি আৰু খেলপথাৰ | | | | | |
| বিদ্যুৎ আৰু বৈদুতিক আহিলাসমূহ | | | | | |
| শ্ৰেণী কোঠা আৰু আন কোঠাসমূহ | | | | | |
| গ্ৰন্থাগাৰ | | | | | |
| বিজ্ঞানাগাৰ | | | | | |
| কম্পিউটাৰ (সুবিধাৰ ব্যৱস্থা থকা) | | | | | |
| ৰেম্প | | | | | |
| মধ্যাহ্ন ভোজন, ৰান্ধনীঘৰ আৰু ৰন্ধনৰ সঁজুলি | | | | | |
| খোৱাপানী | | | | | |
| হাত ধোৱাৰ সুবিধা | | | | | |
| প্ৰসাধন ব্যৱস্থা | | | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা (উপলব্ধতা আৰু পৰ্যাপ্ততা)
পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

প্ৰতিটো পৰ্যায়ত থকা ঘাই মান সংখ্যা গুণাগুণ আৰু ব্যৱহাৰযোগ্যতা
পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৯ টা

| ক্ষেত্ৰ- ২ শিক্ষণ-শিকন আৰু মূল্যায়ন | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| শিকাৰুসকলৰ লগত শিক্ষকৰ বুজাবুজি | | | |
| বিষয় আৰু শিকন-শিক্ষণ পদ্ধতি সম্পৰ্কে শিক্ষকৰ জ্ঞান | | | |
| শিক্ষণৰ পৰিকল্পনা | | | |
| শিক্ষাৰ পৰিবেশ তৈয়াৰ কৰা | | | |
| শিক্ষণ-শিকন প্ৰক্ৰিয়া | | | |
| শ্ৰেণীকক্ষৰ ব্যৱস্থাপনা | | | |
| শিকাৰুৰ মান নিৰূপণ | | | |
| শিকন-শিক্ষণ সঁজুলিৰ প্ৰয়োগ | | | |
| শিকন-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষকৰ পাৰদৰ্শিতা | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৫ টা

| ক্ষেত্ৰ-৩ শিকাৰুৰ অগ্ৰগতি, অৰ্হতাপ্ৰাপ্তি আৰু বিভাগ | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| শিকাৰুৰ উপস্থিতি | | | |
| শিকাৰুৰ অংশগ্ৰহণ আৰু জড়িতকৰণ | | | |
| শিকাৰুৰ অগ্ৰগতি | | | |
| শিকাৰুৰ ব্যক্তিগত আৰু সামাজিক বিকাশ | | | |
| শিকাৰুৰ অৰ্হতাপ্ৰাপ্তি | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৬ টা

| ক্ষেত্ৰ-৪ শিক্ষকৰ পাৰদৰ্শিতা ব্যৱস্থাকৰণ আৰু পেছাগত উৎকৰ্ষ সাধন | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| নতুন শিক্ষকৰ পৰিশীলিতকৰণ | | | |
| শিক্ষকৰ উপস্থিতি | | | |
| দায়িত্ব প্ৰদান আৰু পাৰদৰ্শিতাৰ লক্ষ্য নিৰ্ধাৰণ | | | |
| সলনি হৈ থকা বিস্তৃত পাঠ্যক্ৰমৰ প্ৰত্যাশাৰ বাবে শিক্ষক প্ৰস্তুতিকৰণ | | | |
| শিক্ষকৰ পাৰদৰ্শিতা নিৰীক্ষণ | | | |
| শিক্ষকৰ পেছাগত বিভাগ | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৪ টা

| ক্ষেত্ৰ-৫ বিদ্যালয়ৰ নেতৃত্ব আৰু ব্যৱস্থাপনা | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| লক্ষ্য নিৰ্ধাৰণ আৰু দিশ নিৰ্ণয় | | | |
| পৰিৱৰ্তন আৰু উন্নয়নৰ নেতৃত্ব প্ৰদান | | | |
| শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিয়া | | | |
| বিদ্যালয় ব্যৱস্থাপনা আগবঢ়াই নিয়া | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৫ টা

| ক্ষেত্ৰ-৬ অন্তৰ্ভুক্তিকৰ স্বাস্থ্য আৰু সুৰক্ষা | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| সৰ্বাত্মক বাতাবৰণ | | | |
| বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ অন্তৰ্ভুক্তিকৰণ (CWSN) | | | |
| শাৰীৰিক সুৰক্ষা | | | |
| মানসিকভাৱে সুৰক্ষা | | | |
| শৰীৰ আৰু স্বাস্থ্য | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

ঘাই মানৰ সংখ্যা ৫ টা

| ক্ষেত্ৰ-৭ ৰাইজৰ ফলপ্ৰসূ অংশ গ্ৰহণ | পৰ্যায়: নিজস্ব | বাহিৰৰ | অগ্ৰাধিকাৰৰ ভিত্তিত উন্নয়নমূলক কাৰ্য: নিঃ মঃ উঃ |
|---|---|---|---|
| বিদ্যালয় পৰিচালনা সমিতি/বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতি SMC/SDMCৰ গঠন আৰু ব্যৱস্থাপনা | | | |
| বিদ্যালয় উন্নয়নত ভূমিকা | | | |
| বিদ্যালয়-ৰাইজৰ মাজত যোগাযোগ স্থাপন | | | |
| শিক্ষণ সমলৰূপে ৰাইজ | | | |
| ৰাইজৰ/সমাজ সৱলীকৰণ | | | |

প্ৰতিটো পৰ্যায়ত থকা ঘাই মানৰ সংখ্যা পৰ্যায় ১ ☐ পৰ্যায় ২ ☐ পৰ্যায় ৩ ☐

টোকা ঃ প্ৰতিটো মুখ্যমানৰ সঁহাৰিৰ আধাৰ ব্যৱহাৰ কৰি ১, ২, ৩ সংখ্যাৰে প্ৰতিটো ঘাই মানৰ বিপৰীতে পৰ্যায় উল্লেখ কৰিব।
অগ্ৰাধিকাৰ আৰু বিদ্যালয়ৰ প্ৰয়োজন অনুসৰি প্ৰতিটো ঘাই মান চিহ্নিত কৰি অগ্ৰাধিকাৰ লিখ— L/M/H*, L= নিম্ন (Low), M= মধ্যমীয়া (Medium) আৰু H = উচ্চতা (Height) এছ চি (অনুসূচিত জাতি), এছ টি (অনুসূচিত জনজাতি), অ'বিচি (অন্যান্য পিছপৰা শ্ৰেণী)
নিজস্ব; নিজস্ব মূল্যায়নত পৰ্যায়, বাহিঃ বহিঃ মূল্যায়নত পৰ্যায়।

## অবিৰত বিদ্যালয় উন্নয়নৰ পৰিকল্পনাৰ কাৰ্য ৰূপায়ণ

**অভিযানৰ বিবৃতি (Mission Statement)**

| উন্নয়নৰ ক্ষেত্ৰ (ঘাই মাপকাঠিত উল্লেখিত ধৰণে) | পৰিকল্পিত কাৰ্য | প্ৰয়োজনীয় সাহায্য | কাৰ্যব্যৱস্থা গ্ৰহণ |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

শালা সিদ্ধি
(পঢ়াশালি সিদ্ধি)

# উত্তৰণৰ বাবে মূল্যায়ন

# বিদ্যালয়ৰ মানদণ্ড
# আৰু মূল্যায়নৰ আধাৰ

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন বিষয়ক গোট
ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়
নতুন দিল্লী

অনুবাদ ঃ
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়
National University of Educational Planning and Administration (NUEPA)
(Declared by the Government of India under Section 3 of the UGC Act, 1956)

© NUEPA 2015

**প্ৰকাশ** ঃ নৱেম্বৰ, ২০১৫
**পুনৰ প্ৰকাশ** ঃ মাৰ্চ, ২০১৬ (২.৫ টি)

**অসমীয়া অনুবাদ**
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
**প্ৰকাশ** ঃ অক্টোবৰ, ২০১৬

# আগকথা

ৰাষ্ট্ৰীয় কাৰ্যসূচী বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বিভিন্নজনৰ সামগ্ৰিক প্ৰচেষ্টাৰ অংশীদাৰী অনুশীলন আৰু আলোচনাৰ ফলস্বৰূপে উদ্ভৱ হোৱা এক সহযোগিতামূলক প্ৰচেষ্টা।

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ ৰাষ্ট্ৰীয় আঁচনিয়ে 'উন্নয়নৰ বাবে বিদ্যালয় মূল্যায়ন'ৰ অভিযান হিচাপে অগ্ৰগতিৰ দিশত ৰাষ্ট্ৰীয় কাৰিকৰী দল National Technical Group (NTG)ৰ সদস্য, পাৰদৰ্শী ব্যক্তি, জিলা, খণ্ড আদি পৰ্যায়ৰ বিষয়া, বিদ্যালয়ৰ মুৰব্বী, শিক্ষক, শিক্ষকগোট, বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি আৰু ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয় National University of Educational Planning and Administration (NUEPA)ৰ আৰু ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ National Council Educational Research and Education (NCERT)ৰ পৰা গুৰুত্বপূৰ্ণ অৰিহণা আৰু সঁহাৰি লাভ কৰিছে। আমি এই সকলো অনুষ্ঠান আৰু ব্যক্তিলৈ তেখেতসকলৰ দূৰদৃষ্টিৰে আমাৰ প্ৰচেষ্টাক সবল কৰি তোলা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নক, দেশৰ সকলো শিশুকে গুণগত শিক্ষা প্ৰদান প্ৰক্ৰিয়াত আৰু বিদ্যালয়ৰ সৰ্বাত্মক বিকাশৰ অত্যাৱশ্যকীয় পূৰ্ব চৰ্ত হিচাপে স্বীকৃতি দিয়া বাবে ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ ওচৰত বিশেষভাৱে কৃতজ্ঞ। ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক আৰ গোবিন্দৰ দিহা-পৰামৰ্শ আৰু নিৰৱচ্ছিন্ন সহায়ৰ অবিহনে আমাৰ এই প্ৰচেষ্টাৰ প্ৰাৰম্ভণিয়ে হয়তো সম্ভৱ নহ'লহেঁতেন। বিদ্যালয়ৰ মূল্যায়নে বিকাশ আৰু উন্নয়নৰ পথ প্ৰশস্ত কৰিব বুলি তেখেতে পোষণ কৰা সবল মতামতৰ ভিত্তিত ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়ত বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন গোট স্থাপন কৰা হৈছে। তেখেতে এই গুৰুত্বপূৰ্ণ আঁচনিখনৰ বিকাশৰ সকলো প্ৰকাৰৰ সহায় সুবিধা প্ৰদান কৰি নেতৃত্ব দি অহা বাবে আমি তেখেতৰ ওচৰত ঋণী হৈ থাকিম।

# কৃতজ্ঞতা স্বীকাৰ

ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয় (NUEPA)ৰ সিদ্ধান্ত অনুসৰি আৰু সৰ্বশিক্ষা অভিযান, অসমৰ আৰ্থিক সাহায্যত ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে এই পুস্তিকাখনিৰ অনুবাদৰ কাম হাতত লয়। অসমৰ বিভিন্ন জিলাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়াসকলৰ সহায়ত ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে কৰ্মশালাৰ জৰিয়তে অতি কম সময়ৰ ভিতৰত এই পুস্তিকখনিৰ অনুবাদ কৰি উলিয়ায়। ভাৰতীয় ভাষা সংস্থান, মহীশূৰৰ প্ৰাক্তন অধ্যাপক ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই পুস্তিকাখনিৰ সম্পাদনাৰ কাম সুচাৰুৰূপে কৰে। তেখেতসকলৰ সময় সাপেক্ষ সহায়ৰ দ্বাৰা পুস্তিকাখনিৰ কাম অতি কম সময়ৰ ভিতৰতে সম্পন্ন কৰা হ'ল। এই প্ৰক্ৰিয়াৰ লগত জড়িত সকলোটিলৈ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনোৱা হ'ল। পুস্তিকাখনি অনুবাদ কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা আৰ্থিক সহায়ৰ বাবে সৰ্বশিক্ষা অভিযান অসমৰ সঞ্চালক মহোদয়ালৈ আমাৰ কৃতজ্ঞতা থাকিল। আশা কৰোঁ এই পুস্তিকাখনি অসমৰ বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ উন্নয়নৰ ক্ষেত্ৰত সহায়ক হ'ব।

**শ্ৰীমতী শেৱালি দেৱী শৰ্মা, এ চি এছ**
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## প্ৰস্তুতকৰ্তা

**বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন বিষয়ক গোট**
**ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয়**
**নতুন দিল্লী**

প্ৰফেচৰ প্ৰণতি পাণ্ডা, প্ৰফেচৰ আৰু মুৰব্বী (ইউ এছ এছ ই)
ড° সঞ্জীৱ কুমাৰ ঝা
শ্ৰীমতী অনু দাবাচ
শ্ৰীবিশ্ববাসু শ্বুৱেন
শ্ৰীৰূপেন্দ্ৰ প্ৰামাৰ
শ্ৰীমতী ৰিধি গৌড়

## বিশেষজ্ঞ ঃ

নেচনেল টেকনিকেল গ্ৰুপৰ সদস্যবৃন্দ
ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনিক বিশ্ববিদ্যালয়ৰ শিক্ষকসকল
ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদৰ শিক্ষকসকল
SCERTs, SIEs, SIEMATs, DIETs, DEOs, BEOs, School heads, teachers
সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ
বেচৰকাৰী সংগঠনসমূহ
শিক্ষক গোট

## অসমীয়া অনুবাদ

শ্ৰীৰঞ্জিত কুমাৰ কলিতা, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা, হাউলী
শ্ৰীনৱ কুমাৰ শৰ্মা, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও
ড° সুলেখা চক্ৰৱৰ্তী, প্ৰাক্তন ৰাজ্যিক মুখ্য আয়ুক্ত, ভাৰত স্কাউট আৰু গাইড
শ্ৰীদীপক কুমাৰ তালুকদাৰ, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও
শ্ৰীৰূপনাথ দাস, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও
শ্ৰীৰুকচানা শইকীয়া, আঁচনি আৰু পাণ্ডুলিপি প্ৰণেতা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, কাহিলিপাৰা, অসম
শ্ৰীপিয়ানু বৰুৱা, আঁচনি আৰু পাণ্ডুলিপি প্ৰণেতা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, কাহিলিপাৰা, অসম

## সমন্বয়ক ঃ

ড° ছাজিদা বেগম, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, কাহিলিপাৰা, অসম
শ্ৰীমতী বৰ্ষা শইকীয়া, প্ৰবক্তা, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, কাহিলিপাৰা, অসম

## মুখ্য সমন্বয়ক ঃ

**ড° নিৰ্মালি হাজৰিকা**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, কাহিলিপাৰা, অসম

পুনৰীক্ষক ঃ ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা,
প্ৰাক্তন অধ্যাপক তথা উপ-নিৰ্দেশক,
ভাৰতীয় ভাষা সংস্থান, মহীশূৰ
আৰু
প্ৰাক্তন ক্ষেত্ৰ উপদেষ্টা, এন চি ই আৰ টি

ডিটিপি ঃ শ্ৰীউৎসৱ তালুকদাৰ

# সূচীপত্ৰ


১.০ বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যক্ৰম ১

১.১ NPSSEৰ মুখ্য উদ্দেশ্যসমূহ ২

১.২ ধাৰণাগত আৰু কাৰ্যকৰণগত পৰিকল্পনা ঃ NPSSE ৩

২.০ বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ (SSEF) ৫

২.১ SSEF ৰ গঠন প্ৰণালী ৫

২.২ ঘাই ক্ষেত্ৰসমূহ আৰু মুখ্য মানদণ্ডসমূহ ৬

২.৩ বিদ্যালয়ৰ মূল্যায়ন আৰু উন্নয়ন প্ৰক্ৰিয়া ৭

৩.০ প্ৰতিটো ঘাই ক্ষেত্ৰৰ গাঁথনি (Stucture of Each Key Domain) ৮-১১

৪.০ বিদ্যালয় মূল্যায়নৰ পন্থা (Approach to School Evaluation) ১২

৪.১ বিদ্যালয়-মূল্যায়নৰ নিৰ্দেশনাৱলী ঃ (Guidelines for Schools Evaluation) ১২

৫.০ বিদ্যালয় মূল্যায়নৰ ডাচবোৰ্ড বা ফলক (School Evaluation Dashboard) ১৩

৬.০ ৰাজ্য বিশেষৰ উপজীব্য, অভিযোজন, প্ৰাসংগিকীকৰণ আৰু অনুবাদ ১৪

৭.০ Web Portal (ৱেব পৰ্টেল বা মূলদ্বাৰ) ১৪

৮.০ ঘাই ক্ষেত্ৰ আৰু ঘাই মানদণ্ড

ঘাই ক্ষেত্ৰ - প্ৰথম

বিদ্যালয়ৰ সমলসমূহৰ সদ্ব্যৱহাৰ ঃ সহজলভ্যতা, পৰ্যাপ্ততা আৰু ব্যৱহাৰৰ উপযোগিতা ১৫

ঘাই ক্ষেত্ৰ - দ্বিতীয়

শিক্ষণ-শিকন আৰু মান নিৰূপণ ৩৫

ঘাই ক্ষেত্ৰ - তৃতীয়

শিক্ষাৰ্থীৰ প্ৰগতি, প্ৰাপ্তি আৰু বিকাশ ৪৯

ঘাই ক্ষেত্ৰ - চতুৰ্থ

শিক্ষকৰ পাৰদৰ্শিতাৰ ব্যৱস্থাপনা আৰু বৃত্তিগত বিকাশ ৬১

ঘাই ক্ষেত্ৰ - পঞ্চম

বিদ্যালয় নেতৃত্ব আৰু পৰিচালনা ৭৫

ঘাই ক্ষেত্ৰ - ষষ্ঠ

অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য আৰু নিৰাপত্তা ৮৯

ঘাই ক্ষেত্ৰ - সপ্তম

ৰাইজৰ গঠনমূলক সহযোগিতা ১০৩

# National Programme on School Standards and Evaluation (NPSSE)

# বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ বাবে ৰাষ্ট্ৰীয় কাৰ্যক্ৰম

*"বিদ্যালয় পৰ্যায়ত শিক্ষাৰ সৰ্বাংগীন উন্নতি সাধনৰ কাৰণে আমি পৰামৰ্শ দিব খোজোঁ যে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন আঁচনি প্ৰস্তুত কৰা উচিত, য'ত সকলো স্কুলৰ বাবে থাকিবলগীয়া ব্যৱস্থাসমূহ সঠিকভাৱে ঠাৱৰ কৰা হ'ব, যাৰ দ্বাৰা অবিৰতভাৱে কাৰ্যৰত হৈ বিদ্যালয়সমূহ নিজৰ ক্ষমতা অনুসৰি বাঞ্চিত ফলাফল লাভ কৰিবলৈ সমৰ্থ হ'ব পাৰে।"*

*শিক্ষা আয়োগ, ১৯৬৪-৬৬*

## ভৱিষ্যৎ ৰূপকল্প (Vision)

**"বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন ৰাষ্ট্ৰীয় আঁচনিখনক এটা ধনাত্মক পদক্ষেপ হিচাপে ধাৰণা কৰা হৈছে, য'ত সকলো বিদ্যালয়ে অবিৰতভাৱে জড়িত থাকি তেওঁলোকৰ স্ব-উন্নতি লাভ কৰিবলৈ সমৰ্থ হ'ব।"**

ভাৰতীয় শিক্ষা ব্যৱস্থাত সকলো ছাত্ৰ-ছাত্ৰীক গুণসম্পন্ন শিক্ষা প্ৰদান কৰা আৰু বিদ্যালয়সমূহৰ দ্বাৰা আৰু উন্নত ফলাফল প্ৰদৰ্শনৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰা হৈছে। বিদ্যালয়ৰ শিক্ষা খণ্ডত গুণসম্পন্ন শিক্ষা সুনিশ্চিত কৰিবৰ কাৰণে বিদ্যালয়, ইয়াৰ ফলাফল আৰু উন্নয়নৰ ওপৰত বিশেষভাৱে দৃষ্টি নিক্ষেপ কৰা প্ৰয়োজন। সেয়েহে বিদ্যালয়ৰ উন্নয়নৰ দিশটোক মুখ্য হিচাপে লৈ এটা সামগ্ৰিক আৰু সৰ্বাংগীন মূল্যায়ন ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰা হৈছে।

মানৱ সম্পদ উন্নয়নৰ মন্ত্ৰণালয়ৰ অধীনত (MHRD) থকা ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনিক বিশ্ববিদ্যালয়ে (NUEPA) ৰাষ্ট্ৰীয় বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ ৰাষ্ট্ৰীয় আঁচনিৰ (NPSSE) মুখ্য দায়িত্ব গ্ৰহণ কৰিছে।

এই NPSSEৰ লক্ষ্য হৈছে— প্ৰত্যেক বিদ্যালয়কে একোখন অনুষ্ঠান হিচাপে মূল্যায়ন কৰা আৰু স্বকীয় উন্নয়নৰ সৈতে দায়বদ্ধতাৰ সমন্বয়ৰ এটা সংস্কৃতি সৃষ্টি কৰা। NPSSEএ 'বিদ্যালয় মূল্যায়ন'ক এটা উপায় হিচাপে আৰু 'বিদ্যালয় উন্নয়ন'ক লক্ষ্য হিচাপে গণ্য কৰে।

এই আঁচনিৰ লক্ষ্য হৈছে দেশৰ প্ৰত্যেকখন বিদ্যালয়ত দীৰ্ঘদিন ধৰি বৰ্তি থাকিব পৰা আৰু অনুষ্ঠানৰ ভিতৰতে সোমাই থকা এক মূল্যায়ন ব্যৱস্থা গঢ়ি তোলা। সেয়ে এই আঁচনিয়ে অনুষ্ঠানৰ লগত জড়িত থকা ব্যক্তিসকলৰ মাজত বিদ্যালয়ৰ মূল্যায়ন কি, কিয় আৰু কেনেকৈ সম্ভৱ— সেই বিষয়ে এটা সহমত গঢ়ি তুলিব

বিচাৰে। বৰ্তমান বিদ্যালয় মূল্যায়ন সমীক্ষা চলি থকা গুজৰাটৰ 'গুণোৎসৱ', উৰিষ্যাৰ 'সমীক্ষা', কৰ্ণাটকৰ 'বিদ্যালয়ৰ গুণসম্পন্ন মান নিৰ্ধাৰণ আৰু কৃতিত্বৰ মূল্যাৰোপ' (Karnataka School Quality Assessment and Accreditation) আদিৰ ওপৰত ভিত্তি কৰি NPSSEএ এই কাৰ্যক্ৰমৰ বলিষ্ঠ ভেটি নিৰ্মাণ কৰিছে।। ইয়াত বিদ্যালয় মূল্যায়ন ব্যৱস্থাৰ আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ গৱেষণাৰ প্ৰমাণ সিদ্ধ আৰু গৱেষণালব্ধ জ্ঞানকো সামৰি লোৱা হৈছে।

## NPSSEৰ পথ প্ৰদৰ্শক মূলনীতি

- সাংবিধানিক মূল্যবোধৰ ভিত্তিত, ৰাষ্ট্ৰীয় শিক্ষানীতি, পাঠ্যক্ৰমৰ আধাৰ, শিশুৰ বিনামূলীয়া বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইন (২০০৯) আৰু সৰ্বশিক্ষা অভিযান আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা আঁচনিৰ নিচিনা ৰাষ্ট্ৰীয় আঁচনি।
- ছাত্ৰ-ছাত্ৰীক কেন্দ্ৰবিন্দু হিচাপে লৈ বিদ্যালয়সমূহক একোটা গোট হিচাপে মূল্যায়ন কৰাৰ কল্পনা কৰা।
- বিদ্যালয় মূল্যায়ন ব্যৱস্থাক অবিৰত প্ৰক্ৰিয়া হিচাবে গণ্য কৰি ক্ৰমাগত বিদ্যালয়ৰ উন্নয়নৰ দিশত গুৰুত্ব আৰোপ কৰা।
- বিদ্যালয় মূল্যায়ন ব্যৱস্থাটোক সংশ্লিষ্ট বেলেগ বেলেগ পৰ্যায়ৰ ব্যক্তিসকলৰ সামূহিক প্ৰচেষ্টা হিচাপে নিৰ্ধাৰণ কৰা।
- প্ৰত্যেকখন বিদ্যালয়ক নিজৰ নিজৰ ক্ষমতা প্ৰদৰ্শন তথা সফলতাৰ মান বুজিবলৈ সক্ষম কৰি তোলা যাতে স্বউন্নয়নৰ দিশত বিদ্যালয়সমূহ অবিৰতভাৱে আগবাঢ়ি যাব পাৰে।

## ১.১ NPSSEৰ মুখ্য উদ্দেশ্যসমূহ

- ভাৰতবৰ্ষৰ বিদ্যালয়সমূহৰ বৈষম্যৰ লগত সংগতি ৰাখি প্ৰযুক্তিগতভাৱে সক্ষম ধাৰণামূলক আধাৰ, পদ্ধতি, শিক্ষাৰ সঁজুলি আৰু বিদ্যালয় মূল্যায়ন প্ৰক্ৰিয়া গঢ়ি তোলা।

- ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিদ্যালয়ৰ মূল্যায়ন পৰিকল্পনা আৰু প্ৰচলিত ব্যৱস্থাৰ অভিযোজন, প্ৰাসংগীকিকৰণৰ যোগেদি এটা প্ৰতিষ্ঠানগত ব্যৱস্থা গঢ়ি তোলা।

- এক দীৰ্ঘকাল টিকি থকা আৰু অবিৰত মূল্যায়নক প্ৰতিষ্ঠানৰ অংগস্বৰূপ কৰি ল'ব পৰাকৈ বিদ্যালয়সমূহ আৰু বিদ্যালয় পৰ্যায়ৰ কৰ্মকৰ্তাসকলৰ সক্ষমতা বিকশাই তোলা।

- ভিন ভিন বিদ্যালয় ভিত্তিক প্ৰয়োজনীয়তা পূৰণ কৰা আৰু বিভিন্ন প্ৰণালীবদ্ধ পৰ্যায়ত কৰা বিদ্যালয় মূল্যায়ন প্ৰতিবেদনসমূহ বিশ্লেষণ কৰাৰ কাৰণে যথোপযুক্ত কাৰ্য নীতি যুগুতাই তোলা।

## ‘উপায় হিচাপে বিদ্যালয় মূল্যায়ন আৰু লক্ষ্য হিচাপে বিদ্যালয় উন্নয়ন’

- প্ৰত্যেকখন বিদ্যালয়েই ইয়াৰ আকাৰ, অৱস্থা আৰু সম্পদৰ ক্ষেত্ৰত সুকীয়া বৈশিষ্ট্য সম্পন্ন।
- ৰাষ্ট্ৰীয় দৃষ্টিভংগী যথাযথভাৱে কাৰ্যক্ষেত্ৰত ৰূপায়ণ কৰাৰ বাবে থকা বিদ্যালয়সমূহৰ দায়বদ্ধতা।
- বিদ্যালয় মূল্যায়নে বিদ্যালয় বিশেষৰ মূল্যায়ন— ইয়াৰ সৰ্বাংগীন আৰু অবিৰত ফলাফল প্ৰদৰ্শনক বুজায়।
- প্ৰত্যেক বিদ্যালয়ে তাৰ প্ৰচলিত কাৰ্য ব্যৱস্থাৰ গুণাত্মক বিশ্লেষণ কৰি তাত থকা সবলতা আৰু দুৰ্বলতাসমূহ নিৰ্ণয় কৰি প্ৰয়োজন সাপেক্ষে তাৎক্ষণিক উন্নয়ন ব্যৱস্থা অৱলম্বন কৰা।
- বিদ্যালয় মূল্যায়নে এনে শিক্ষাৰ লগত জড়িত ব্যক্তিসকলৰ সক্ৰিয় সহযোগৰ জৰিয়তে বৃত্তিগত বিচাৰ আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত বিভাগীয় কৰ্মকৰ্তাসকলৰ সৈতে এটা সহযোগৰ বাতাবৰণ সৃষ্টি কৰে।
- বিদ্যালয় মূল্যায়নে শিক্ষণ অভিজ্ঞতাৰ সমূহীয়া আলোচনা আৰু প্ৰয়োগৰ জৰিয়তে শিক্ষক আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সমৃদ্ধি সাধন কৰে।
- বিদ্যালয় মূল্যায়ন ব্যৱস্থাই অন্তৰ্নিহিত পুনৰীক্ষণ ব্যৱস্থাপনাৰ জৰিয়তে এটা উন্নত পৰিকল্পনা কৰা আৰু ফলপ্ৰসূ প্ৰয়োগৰ দিশত অগ্ৰসৰ হোৱাত সহায় কৰে।
- বিদ্যালয় মূল্যায়নে সামগ্ৰিকভাৱে পৰিবৰ্তনক আদৰণি জনোৱাৰ বাবে আৰু দীৰ্ঘকাল টিকি থকা পৰিবৰ্তনক উৎসাহিত কৰাৰ বাবে বিদ্যালয়সমূহক সক্ষমতা প্ৰদান কৰে।

## ১.২ ধাৰণাগত আৰু কাৰ্যকৰণগত পৰিকল্পনা ঃ NPSSE

NPSSEৰ উদ্দেশ্যসমূহৰ যথাযথভাৱে ৰূপায়ণ কৰিবলৈ হ'লে এই আঁচনিখনৰ মুখ্য কাৰ্যকৰণৰ উপাদানসমূহৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন, যেনে — সা-সঁজুলিসমূহৰ বিকাশ সাধন, বিশেষভাৱে অভিজ্ঞ মানৱ সম্পদৰ সক্ষমতা বৰ্ধিতকৰণ, আনুষ্ঠানিক বিধি ব্যৱস্থা আৰু গৱেষণালব্ধ সহযোগিতা। এইসমূহৰ জৰিয়তে আঁচনিখন কাৰ্যকৰীকৰণ কৰিব পাৰিব।

উপযুক্ত দিহা পৰামৰ্শ আৰু সহযোগিতা প্ৰদান কৰিবলৈ দেশৰ বিভিন্ন অনুষ্ঠানৰ পৰা লোৱা সদস্যৰ দ্বাৰা এটা ৰাষ্ট্ৰীয় প্ৰযুক্তি গোট National Technical Group (NTG) গঠন কৰা হৈছে। ৰাজ্যসমূহক NPSSEৰ কাৰ্যক্ৰমত সাঙুৰি লোৱাৰ উদ্যমৰ অংশ স্বৰূপে ৰাজ্যিক প্ৰযুক্তি গোট (State Technical Group) গঠন কৰি দিয়া হৈছে।




*ধাৰণাত্মক আৰু কাৰ্যকৰণ পৰিকল্পনা NPSSE*

## ২. ০ বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ (SSEF)

মূল্যায়নৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰক বিদ্যালয় মূল্যায়নৰ এক সৰ্বাংগীন আহিলা হিচাপে প্ৰস্তুত কৰা হৈছে। এই সঁজুলিয়ে বিদ্যালয়খনক ইয়াৰ জটিল কাৰ্য সম্পাদনৰ ক্ষেত্ৰসমূহত পূৰ্ব নিৰ্ধাৰিত নীতিৰ বিপৰীতে এক লক্ষ্য নিৰ্ধাৰিত আৰু কৌশলপূৰ্ণ পদ্ধতিৰে কাম কৰাৰ সামৰ্থ্য প্ৰদান কৰে।

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ (SSEF) ক সংশ্লিষ্ট ব্যক্তিৰ অংশগ্ৰহণৰ প্ৰক্ৰিয়াৰে যুগুতাই তোলা হৈছে। ইয়াত ৰাজ্যিক পৰ্যায়ৰ কৰ্মকৰ্তাসকল, জিলা আৰু খণ্ড পৰ্যায়ৰ শিক্ষা বিষয়াসকল, শিক্ষাবিদসকল, বিদ্যালয়ৰ প্ৰধান মুৰব্বীসকল, শিক্ষকৰ সন্থাসমূহ, শিক্ষক আদিক অন্তৰ্ভুক্ত কৰি লোৱা হৈছে। শিক্ষাৰ লগত সংশ্লিষ্ট সকলো পক্ষৰ ঐক্যমতৰ ভিত্তিত আমাৰ দেশৰ বিদ্যালয়সমূহৰ কাৰ্য-কুশলতা উন্নত কৰাৰ কাৰণে 'কিদৰে ভাৰতবৰ্ষৰ বিদ্যালয়সমূহৰ মূল্যায়ন কৰা হ'ব?' এই প্ৰশ্নৰ সমাধান দেখুৱাই এই আধাৰ সূত্ৰ প্ৰণয়ন কৰা হৈছে।

## বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ সূত্ৰ

- মূল্যায়ন আৰু উন্নতিসাধনৰ লক্ষ্য আগত ৰাখি জটিল কৃতি ক্ষেত্ৰসমূহ চিনাক্ত কৰে আৰু প্ৰতিটো ক্ষেত্ৰৰে কেন্দ্ৰীয় মানদণ্ড নিৰ্ণয় কৰে।
- স্ব-মূল্যায়ন আৰু বহিঃমূল্যায়নৰ এখন সৰ্বাত্মক আহিলা।
- বিভিন্ন পৰ্যায়ৰ বিদ্যালয়সমূহৰ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত ইয়াক সংকোচনশীল আৰু অভিৰোচিত ৰূপে গ্ৰহণ কৰিব পাৰি।
- প্ৰত্যেক বিদ্যালয়ে নিজে আৰু বহিঃমূল্যায়নকাৰীয়ে ইয়াক প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ই স্পষ্ট, যুক্তিপূৰ্ণ আৰু সহজেই ব্যৱহাৰ যোগ্য।
- মূল্যায়ন প্ৰক্ৰিয়াটোক সুস্থিৰতা আৰু স্বচ্ছতা প্ৰদান কৰে।

### ২. ১ SSEF ৰ গঠন প্ৰণালী

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়নৰ আধাৰ (SSEF) সূত্ৰত বিদ্যালয়ৰ মূল্যায়ন আৰু পাৰদৰ্শিতাৰ কাৰণে বৈশিষ্ট্যপূৰ্ণ বিষয় হিচাপে সাতটা মুখ্য বা ঘাই ক্ষেত্ৰ আছে। প্ৰত্যেকটো ঘাই ক্ষেত্ৰ (Key Domain) ৰ অধীনত একোটা 'ঘাই মাপকাঠি' (Core Standard)ৰ গোট আছে, যিটোৰে নিজ নিজ ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়ক প্ৰতিনিধিত্ব কৰে। প্ৰত্যেকটো মুখ্য ক্ষেত্ৰৰ মূল্যায়ন ব্যৱস্থাই কৰ্মভিত্তিক স্তৰৰ নীতি মানি চলে। এই স্তৰসমূহ হৈছে 'প্ৰতিফলক সংকেত' (Reflective prompts), 'ঘটনা সম্বন্ধীয় তথ্য প্ৰদান' (Factual information), 'ঘাই মাপকাঠি' (Core standards) (বিৱৰণমূলক বিষয়বস্তুৰ সৈতে) 'সমৰ্থনযোগ্য প্ৰমাণ (Supportive Evidences) যিয়ে বিদ্যালয়ৰ পাৰদৰ্শিতাৰ স্তৰৰ বিচাৰ আৰু যুক্তিযুক্ততা প্ৰদান কৰাত সহায় কৰে। মতামত সংৰক্ষণ কৰিবলৈ প্ৰত্যেকটো মুখ্য স্তৰৰ সামৰণিত একোখন 'সঁহাৰি আধাৰক' (Response Matrix) দিয়া আছে। প্ৰত্যেকখন বিদ্যালয়ে 'বিদ্যালয় মূল্যায়ন ফলক' (School Evaluation Dashboard)ত মূল্যায়নৰ ওপৰত এটা সাৰাংশমূলক প্ৰতিবেদন প্ৰস্তুত কৰিব বুলি আশা কৰা হৈছে।

## ২.২ ঘাই ক্ষেত্ৰসমূহ আৰু মুখ্য মানদণ্ডসমূহ

| ঘাই ক্ষেত্ৰসমূহ | মুখ্য মানদণ্ডসমূহ |
|---|---|
| বিদ্যালয়ৰ সমলসমূহৰ সদ্ব্যৱহাৰ — সহজলভ্যতা, প্ৰৰ্যাপ্ততা, ব্যৱহাৰ উপযোগিতা | ➢ বিদ্যালয়ৰ চৌহদ<br>➢ খেলৰ সামগ্ৰী, শিক্ষা সঁজুলি আৰু খেলপথাৰ<br>➢ শ্ৰেণী কোঠা আৰু অন্যান্য কোঠাসমূহ<br>➢ বিদ্যুৎ আৰু বৈদ্যুতিক অহিলাসমূহ<br>➢ গ্ৰন্থাগাৰ<br>➢ বিজ্ঞানাগাৰ<br>➢ কম্পিউটাৰ (সুবিধাৰ ব্যৱস্থা কৰা)<br>➢ ৰেম্প<br>➢ মধ্যাহ্ন ভোজন, ৰান্ধনীঘৰ আৰু ৰন্ধনৰ সঁজুলি<br>➢ খোৱা পানী<br>➢ হাত ধোৱাৰ সুবিধা<br>➢ প্ৰসাধন (Toilets) ব্যৱস্থা |
| শিক্ষণ-শিকন আৰু মান নিৰূপণ | ➢ শিকাৰুসকলৰ লগত শিক্ষকৰ বুজাবুজি<br>➢ বিষয় আৰু শিশু সম্পৰ্কে শিক্ষকৰ জ্ঞান<br>➢ শিক্ষাৰ পৰিকল্পনা<br>➢ শিক্ষাৰ পৰিৱেশ তৈয়াৰ কৰা<br>➢ শিক্ষণ-শিকন প্ৰক্ৰিয়া<br>➢ শ্ৰেণীকক্ষৰ ব্যৱস্থাপনা<br>➢ শিকাৰুৰ মূল্যাংকন<br>➢ শিক্ষণ-শিকন সঁজুলিৰ প্ৰয়োগ<br>➢ শিক্ষকৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত নিজৰ পাৰদৰ্শিতা |
| শিকাৰুৰ অগ্ৰগতি, অৰ্হতাপ্ৰাপ্তি আৰু বিকাশ | ➢ শিকাৰুৰ উপস্থিতি<br>➢ শিকাৰুৰ অংশগ্ৰহণ আৰু জড়িতকৰণ<br>➢ শিকাৰুৰ অগ্ৰগতি<br>➢ শিকাৰুৰ ব্যক্তিগত আৰু সামাজিক বিকাশ<br>➢ শিকাৰুৰ অৰ্হতাপ্ৰাপ্তি |
| শিক্ষকৰ পাৰদৰ্শিতাৰ ব্যৱস্থাপনা আৰু বৃত্তিগত বিকাশ | ➢ নতুন শিক্ষকৰ পৰিশীলিত কৰণ<br>➢ শিক্ষকৰ উপস্থিতি<br>➢ দায়িত্ব প্ৰদান আৰু পাৰদৰ্শিতাৰ লক্ষ্য নিৰ্ধাৰণ<br>➢ পাঠ্যক্ৰমৰ প্ৰত্যাশাৰ প্ৰতি শিক্ষকৰ প্ৰস্তুতি<br>➢ শিক্ষকৰ পাৰদৰ্শিতাৰ নিৰীক্ষণ<br>➢ শিক্ষকৰ বৃত্তিগত বিকাশ |
| বিদ্যালয়ৰ নেতৃত্ব আৰু ব্যৱস্থাপনা | ➢ লক্ষ্য নিৰ্ধাৰণ আৰু দিশ নিৰ্ণয়<br>➢ পৰিৱৰ্তন আৰু উন্নতি সাধনৰ নেতৃত্ব দিয়া<br>➢ শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিয়া<br>➢ বিদ্যালয় ব্যৱস্থাপনা আগবঢ়াই নিয়া |
| অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য আৰু সুৰক্ষা | ➢ সৰ্বাত্মক বাতাবৰণ<br>➢ বিশেষ প্ৰয়োজন সম্পন্ন শিশুৰ অন্তৰ্ভুক্তিকৰণ (CWSN)<br>➢ শাৰীৰিক সুৰক্ষা<br>➢ মানসিকভাৱে সুৰক্ষা<br>➢ শৰীৰ আৰু স্বাস্থ্য |
| ৰাইজৰ ফলপ্ৰসূ অংশগ্ৰহণ | ➢ SMC/SDMCৰ গঠন আৰু ব্যৱস্থাপনা<br>➢ বিদ্যালয় উন্নয়নত ভূমিকা<br>➢ বিদ্যালয়-ৰাইজৰ যোগাযোগ স্থাপন<br>➢ শিক্ষাৰ সমলৰূপে ৰাইজ<br>➢ ৰাইজৰ সজাগতাকৰণ/সমৰ্থকৰণ |

| ঘাই ক্ষেত্ৰসমূহ | মুখ্য মানদণ্ডসমূহ |
|---|---|
| বিদ্যালয়ৰ সমলসমূহৰ সামৰ্থ্য, সদ্ব্যৱহাৰ, সহজলভ্যতা, পৰ্যাপ্ততা, ব্যৱহাৰৰ উপযোগিতা | আন্তঃগাঁথনিৰ গুণাগুণ, মানৱ সম্পদ আৰু শিক্ষণ-শিকন সমল কিমান আছে? (দ্বাদশ শ্ৰেণী পৰ্যায়ত) |
| শিকন-শিক্ষণ আৰু মান নিৰূপণ | শিক্ষণ-শিকন মূল্যাংকন কিমান কাৰ্যকৰী? (নৱম শ্ৰেণী পৰ্যায়ত) |
| শিকাৰুৰ অগ্ৰগতি, অৰ্হতাপ্ৰাপ্তি আৰু পেছাগত বিকাশ | শিকাৰুৰ শিকনৰ অগ্ৰগতি, অৰ্হতা প্ৰাপ্তিৰ ফলাফল আৰু ব্যক্তিগত আৰু সামাজিক বিকাশ কেনেধৰণৰ? (পঞ্চম শ্ৰেণী পৰ্যায়ত) |
| শিক্ষকৰ পাৰদৰ্শিতা আৰু পেছাগত বিকাশৰ ব্যৱস্থাপনা | শিক্ষকৰ পাৰদৰ্শিতাৰ বিকাশ আৰু ব্যৱস্থাপনা কেনে ধৰণৰ? (ষষ্ঠ শ্ৰেণীৰ পৰ্যায়ত) |
| বিদ্যালয়ৰ নেতৃত্ব আৰু ব্যৱস্থাপনা | বিদ্যালয়ৰ নেতৃত্ব আৰু ব্যৱস্থাপনা কেনে ধৰণৰ? (চতুৰ্থ শ্ৰেণী পৰ্যায়ত) |
| অন্তৰ্ভুক্তিকৰণ, স্বাস্থ্য আৰু সুৰক্ষা | বিদ্যালয়ৰ অন্তৰ্ভুক্তিকৰণ আৰু সুৰক্ষা ব্যৱস্থা কেনে ধৰণৰ? (পঞ্চম শ্ৰেণী পৰ্যায়ত) |
| ৰাইজৰ ফলপ্ৰসূ অংশগ্ৰহণ | বিদ্যালয়ৰ কাৰণে ৰাইজৰ যোগাযোগ কেনে ধৰণৰ? (পঞ্চম শ্ৰেণী পৰ্যায়ত) |

## ২.৩ বিদ্যালয়ৰ মূল্যায়ন আৰু উন্নয়ন প্ৰক্ৰিয়া



# ৩.০ প্ৰতিটো ঘাই ক্ষেত্ৰৰ গাঁথনি (Stucture of Each Key Domain)

## ঘাই ক্ষেত্ৰৰ বিষয়ে (About the Key Domain)

বিদ্যালয় এখনৰ একোটা নিৰ্দিষ্ট কৃতি বা সাফল্যৰ ক্ষেত্ৰত (specific performance area) আলোকপাত কৰিবলৈ এটি চমু প্ৰস্তাৱনাৰে প্ৰতিটো ঘাই ক্ষেত্ৰত আৰম্ভ কৰা হৈছে। ঘাই ক্ষেত্ৰসমূহৰ (Key domains) তাৎপৰ্যৰ বৰ্ণনাও ইয়াত দিয়া হৈছে। স্ব আৰু বহিঃমূল্যায়নৰ বাবে তথা বস্তুনিষ্ঠ সিদ্ধান্ত (objective judgement)ত উপনীত হ'ব পৰাকৈ প্ৰতিবিম্বত/পৰ্যালোচনাত্মক সহায়ক বা সংকেত (Reflective prompts), বাস্তৱ তথ্য (Factual information), বৰ্ণনাত্মক তথা সমৰ্থক প্ৰমাণসহ ঘাই মানদণ্ড (Core standards with descriptors and supportive evidences)ৰ সমাহাৰত প্ৰতিটো ঘাই ক্ষেত্ৰ (key domain) কে এক অনুক্ৰমিক ধৰণে গঠন কৰা হৈছে। তদুপৰি প্ৰতিটো মূলক্ষেত্ৰৰ অন্তত সিদ্ধান্তসমূহ লিপিৱদ্ধ কৰাৰ বাবে একোটাকৈ সাঁহাৰি তথ্যাধাৰ বা আধাৰক (response matrix) ৰখা হৈছে।

## প্ৰতিফলক সংকেত (Reflective prompts)

এইবোৰ হৈছে কিছুমান প্ৰতিফলক সংকেত তথা প্ৰশ্নৰ একোটা গোট (a set of reflective questions) যিয়ে প্ৰতিটো ক্ষেত্ৰৰ (domain) মুখ্য বিষয়বস্তুৰ প্ৰাক্ কথন/আগ-কথাৰ কাম কৰে। এই বহল ভিত্তিক প্ৰশ্নাৱলীয়ে প্ৰতিটো ঘাই ক্ষেত্ৰৰ (key domain) বিপৰীতে মূল্যায়ন কৰিবলৈ আগবঢ়াৰ সময়ত বিদ্যালয় এখনক সামূহিকভাৱে আত্মসমালোচনা আৰু পৰ্যালোচনা (introspect and deliberate) কৰিবলৈ সাজু কৰি তোলে। এইবোৰে সমাধান কৰিবলগীয়া তথ্যৰ ভিতৰলৈ অন্তৰ্দৃষ্টি দিয়াত সহায় কৰে, তথা এনেদৰে বিদ্যালয়খনক আৰু অধিক কঠিন তথা জটিল (robust) মূল্যায়নৰ বাবে প্ৰস্তুত কৰে।

## বাস্তৱিক তথ্য (Factual information)

বাস্তৱভিত্তিক তথ্য হৈছে এখন বিদ্যালয়ৰ কোনো এক বিশেষ মূল ক্ষেত্ৰৰ (a particular key domain) সামগ্ৰিক স্থিতি (overall status) ধৰি ৰাখিবলৈ বা লিপিৱদ্ধ কৰিবলৈ কিছুমান প্ৰশ্ন অথবা তথ্য বিন্দু (data points) সম্বলিত এক গোট/সমষ্টি (a set)। এইবোৰ পাৰিসাংখ্যিক তথ্য (statistical data) চমু সাঁহাৰিৰ ৰূপত থাকে। এনেদৰে সংগৃহীত কোনো তথ্য হয়তো ঘাই মানদণ্ড (core standards) অনুসৰি অন্য প্ৰকাৰে লিপিৱদ্ধ কৰা নহয় আৰু সেই অৰ্থত ই মূল্যায়নৰ দিশত মূলভাৰ সংযোজন কৰে। বিদ্যালয়খনে ইয়াৰ লগত থকা তথ্য বা আন উৎসসমূহৰ পৰা পূৰ্বতে সংগ্ৰহ কৰা তথ্যসমূহ ব্যৱহাৰ কৰিব পাৰে। পিছলৈ যেতিয়া একোটা বিশেষ ঘাই মানদণ্ডৰ (a particular core standard) বিপৰীতে নিজকে অৱস্থিত কৰাবলগীয়া হয় তেতিয়া একোখন বিদ্যালয়ক একোটা যথাযথ সিদ্ধান্তত উপনীত হ'বলৈ এই বাস্তৱভিত্তিক তথ্যই (factual information) সহায় কৰে। ই বহিঃ মূল্যায়ন কৰোঁতা বিৱৰক/বৰ্ণনাত্মক উক্তি (descriptors)সমূহৰ বিপৰীতে পোৱা সিদ্ধান্ত নিশ্চিতকৰণত (to corroborate judgement) সহায় কৰাৰ উপৰি ঘাই মানদণ্ডসমূহৰ (core standards) বিপৰীতে মূল্যায়ন কৰি বিদ্যালয়খনক বেছি ভালকৈ বুজি পোৱাৰ ক্ষেত্ৰত পূৰ্বাভাস প্ৰদানক (precursor) হিচাপেও সহায় কৰে।

## ঘাই মানদণ্ডসমূহ (core standards)

প্ৰতিটো ঘাই ক্ষেত্ৰৰ (key domain) অন্তৰ্গত ঘাই মানদণ্ডসমূহে নিজ নিজ ঘাই ক্ষেত্ৰৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ দিশসমূহ সমাধা কৰে। এইবোৰে বিদ্যালয়-মূল্যায়নৰ বাবে পৰিমাপেয় আকাংক্ষাসমূহ (measurable expectations) নিৰ্ণয়, গুণগত মানাংক স্থিৰকৰণ তথা নিৰ্ণয় (setting benchmarks for quality), আৰু এক সাধাৰণ ভিত্তি গঢ়ি তোলে। এইবোৰে আকাংক্ষিত পৰ্যায়ৰ কৃতি বা সাফল্য (expected level of performance)ক তিনিটা স্তৰ যুক্ত এক সংবৰ্ধিত ৰূপ হিচাপে উপস্থাপন কৰে। কোনো এক বিশেষ ঘাই ক্ষেত্ৰৰ (a particulars key domain) সৰ্বাত্মক উন্নয়ন (holistic improvement) সাধিবলৈ প্ৰয়োজন হোৱা গুৰুত্বপূৰ্ণ উপাদানসমূহক (critical elements) এইবোৰে সামৰি লয়। ঘাই মানদণ্ডসমূহে উন্নয়নৰ পথত খোজ পেলোৱা একোখন বিদ্যালয়ক এক দিগ্‌দৰ্শনো বা দিক্ নিৰ্দেশনাও আগবঢ়ায়।

## ঘাই মানদণ্ডসমূহৰ বিৰৰক (Descriptors for core standards)

বিৰৰকসমূহ হৈছে সম্পূৰ্ণ বক্তব্য যিয়ে প্ৰতিটো স্তৰতে একোটা ঘাই মানদণ্ড প্ৰাপ্তিৰ বিস্তৃতিৰ সংজ্ঞা আগবঢ়ায়। এইবোৰে একোটা বিশেষ স্তৰৰ বাবে প্ৰতিটো মূল মানদণ্ডৰ পৰিসৰ নিৰ্ণয় কৰে। এই বিৰৰক বা উক্তিসমূহৰ প্ৰকৃতি নিৰ্দেশাত্মক (prescriptive) নহয় আৰু একোটা ঘাই মানদণ্ড প্ৰাপ্তিৰ অৰ্থে এইবোৰে নিজে বিভিন্ন পথৰ সন্ধান দিয়ে। এই বিৰৰকসমূহ তিনিটা স্তৰত একাদিক্ৰমে লিখা হয়। ই বিদ্যালয় এখনক এটা বিশেষ স্তৰত অৱস্থান লোৱাত আৰু লগতে ইয়াৰ পৰৱৰ্তী ঈপ্সিত স্তৰটো বুজি পোৱাত সহায় কৰে। বিৰৰকসমূহৰ বৰ্ধনশীল প্ৰকৃতিৰ (incremental nature) বাবে আশা কৰা যায় যে এখন বিদ্যালয়ে এক বিশেষ স্তৰত অৱস্থান কৰাৰ লগে লগে ই নিম্নতৰ স্তৰসমূহৰ দাবীসমূহো পূৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, এক নিৰ্দিষ্ট ঘাই মানদণ্ডৰ তৃতীয় স্তৰত (at level three for a defined core standard) থকা বিদ্যালয় এখনে লাহে লাহে একে ঘাই মানদণ্ডৰ প্ৰথম আৰু দ্বিতীয় স্তৰৰো আকাংক্ষিত মানদণ্ড লাভ কৰিব পাৰিব বুলি আশা কৰা হয়।

### প্ৰমাণৰ উৎসসমূহ (Sources of Evidence)

তথ্য-প্ৰমাণে এখন বিদ্যালয়ক এক বিশেষ স্তৰত (a particular level) নিজকে উপনীত কৰাবলৈ লোৱা সিদ্ধান্ত (judgement) ক সমৰ্থন জনোৱাত সহায় কৰে। প্ৰতিটো ঘাই মানদণ্ডৰ বিপৰীতে উপনীত হোৱাৰ দাবী পূৰণ কৰাৰ যথোপযুক্ত প্ৰমাণ বিদ্যালয়খনে দিয়াটো অনিবাৰ্য। প্ৰতিটো ঘাই ক্ষেত্ৰ (key domain)ৰ শেষভাগত সম্ভাব্য প্ৰমাণৰ উৎসসমূহৰ তালিকা দিয়া হৈছে। বিদ্যালয়খনে কোনো এটা স্তৰত উপনীত হোৱা বুলি জনোৱা দাবীৰ সমৰ্থনৰ ভিত্তিত এই তালিকাৰ পৰা উৎসসমূহ যথাযথভাৱে বাছি ল'ব পাৰে। তালিকাভুক্ত নোহোৱা বিকল্প প্ৰমাণো বিদ্যালয়খনে আগবঢ়াব পাৰে। বিদ্যালয়ত উপলব্ধ তথ্য-পাতি, ফটোগ্ৰাফ, পাৰিসাংখ্যিক তথ্য, শ্ৰব্য-দৃশ্য সামগ্ৰী (documents/ photographs/statistical data/audio-visual material) ইত্যাদিৰ ৰূপত প্ৰমাণৰ উৎসসমূহ পোৱা যায়। তথ্য ভিত্তি (data base) হিচাপে বিদ্যালয়খনে ইয়াৰ 'ইউ-ডাইছ বিদ্যালয় খতিয়ান পত্ৰ'ও (U-DISE School Report Card) ব্যৱহাৰ কৰিব পাৰে। তদুপৰি বিদ্যালয়ে নিজৰ তথ্য-প্ৰমাণৰ উৎস সৃষ্টি কৰা প্ৰয়োজন; যেনে- শিকাৰুসকলৰ মাত-কথা বাণীৱদ্ধকৰণৰ বাবে শ্ৰেণীকোঠা পৰ্যবেক্ষণ, পিতৃ-মাতৃসকলৰ মতামত আৰু বিদ্যালয় পৰিচালনা সমিতিৰ দিহা-পৰামৰ্শ ইত্যাদি।

**প্ৰমাণৰ উৎসসমূহ তলত দিয়া ধৰণে শ্ৰেণীৱদ্ধ কৰিব পাৰি—**

- প্ৰাসংগিক প্ৰমাণ (Referential Evidence)— নীতি/নিৰ্দেশনাৱলী আৰু ৰূপৰেখাসমূহ, পঞ্জীয়ন বহী, চৰকাৰী নিৰ্দেশসমূহ, ইত্যাদি (Norms/Guidelines and Frameworks, Registers, Government orders, etc.)
- সমৰ্থক প্ৰমাণ (Supportive Evidence)— বিদ্যালয়ত উপলব্ধ তথ্য-পাতি (Records available with the school)
- বিদ্যালয় এখনে সৃষ্টি কৰি ল'বলগীয়া প্ৰমাণসমূহ (Evidence that a school needs to create)

## সঁহাৰি আধাৰক (Response Matrix)

প্ৰত্যেক ঘাই ক্ষেত্ৰৰে (key domain) একোটাকৈ সঁহাৰি তথ্যাধাৰ (Response Matrix) আছে। এই 'সঁহাৰি তথ্যাধাৰ' (Response Matrix)ক বিদ্যালয় এখনে প্ৰতিটো ঘাই মানদণ্ড (Core Standard)ৰ বিপৰীতে দিয়া সঁহাৰি (response) লিপিৱদ্ধ কৰিবলৈ ব্যৱহাৰ কৰা উচিত। বিৰৰকসমূহৰ ওপৰত ভিত্তি কৰি যি আলোচনা কৰা হয় আৰু সিদ্ধান্তসমূহ গ্ৰহণ কৰা হয়, তদানুযায়ী সামূহিকভাৱে বিদ্যালয়খনে সঁহাৰিবোৰো বিবেচনা কৰিব লাগে। বিদ্যালয়খনে প্ৰতিটো ঘাই মানদণ্ডৰ বিপৰীতে কেৱল এটা স্তৰ বাছনি কৰা বা এটা মাত্ৰ সঁহাৰি জনোৱা উচিত।

সঁহাৰি আধাৰক (Response Matrix) হৈছে এনে এক সামগ্ৰিক তালিকা (a comprehensive table) যিয়ে বিদ্যালয়খনক প্ৰত্যেক ঘাই ক্ষেত্ৰৰ (key domain) প্ৰসংগত ইয়াৰ সাম্প্ৰতিক বা বৰ্তমান অৱস্থিতি (current status)ৰ এক সম্পূৰ্ণ ছবি দাঙি ধৰে। মূল্যায়ন প্ৰক্ৰিয়াৰ অন্ত পৰালৈকে বিদ্যালয়খনে এনেকুৱা সাতটা সঁহাৰি তথ্যাধাৰ (Response matrices) পূৰণ কৰিব বুলি আশা কৰা যায়।

## উদ্ভাৱন বা অভিনৱ কাৰ্য-কলাপ Innovation(s)

বিদ্যালয় এখনে যদিহে কিবা অভিযোজন বা অভিনৱ কাৰ্য-কলাপ (innovative practices) কৰিছে তাক আৰু ঘাই মানদণ্ডসমূহ বা সেই বিৱৰকসমূহৰ দ্বাৰা তেতিয়ালৈকে সামৰি নোলোৱা বিদ্যালয়খনৰ সবলতাসমূহ লিপিবদ্ধ (to record) কৰিবলৈ প্ৰত্যেকটো ক্ষেত্ৰই (domain) বিদ্যালয়খনক এটা সুযোগ প্ৰদান কৰে। ই প্ৰত্যেক বিদ্যালয়ৰ স্বকীয়তা (uniqueness) প্ৰতিষ্ঠা কৰিবলৈ সুবিধা দিয়ে। এই ৰূপৰেখাৰ সুবিধাৰ পৰিসৰৰ বাহিৰেও যে বিদ্যালয়খনে অন্যান্য অভ্যাস বা কাৰ্য-কলাপ কৰি আছে তাৰেই স্বীকৃতি দিয়ে। ই যে বিদ্যালয় এখনক ইয়াৰ প্ৰাসংগিকতা-বিশিষ্ট অনু-অভিনৱ/ক্ষুদ্ৰ অভিনৱজনিত কাৰ্য-কলাপ (context specific micro-innovations) জনাৰ বাবে এক আনুষ্ঠানিক স্থান প্ৰদান কৰে।

## উন্নতকৰণ তথা উত্তৰণৰ বাবে পৰিকল্পনা (Planning for improvement)

বিদ্যালয়খনে নিজস্ব সঁহাৰি তথ্যাধাৰক (Response Matrix) ব্যৱহাৰ কৰি 'উন্নয়নৰ বাবে পৰিকল্পনা'ত সংশ্লিষ্ট স্তৰটো বিশেষভাৱে উল্লেখ কৰি (অৰ্থাৎ I, II বা III) লিখা দৰকাৰ। উন্নয়নৰ পৰিসৰ (area of improvement)সমূহ চিনাক্তকৰণৰ বাবে বিদ্যালয়খনে এই স্তৰীকৰণ (levelling) ব্যৱহাৰ কৰিব পাৰে। ইয়াক সঁচাকৈয়ে সাৰ্থক কৰি তুলিবলৈ বিদ্যালয়খনে ইচ্ছা মতে কিছুমান পৰিসৰ (areas) সামুহিকভাৱে (collectively) নিৰ্বাচিত কৰিব পাৰে আৰু ইয়াৰ বৰ্তমানৰ সীমাৱদ্ধতাৰ ওপৰত নিৰ্ভৰ কৰি আন কিছুমান দিশ পৰিত্যাগ কৰিব পাৰে। তাৰ পিছত ই প্ৰাথমিকতাৰ যথাযথ মাত্ৰাৰ ওপৰত শুদ্ধ (✓) চিন দি নিৰ্বাচিত ক্ষেত্ৰসমূহক প্ৰাথমিকতা বা গুৰুত্বৰ ভিত্তিত তিনিটা মাত্ৰাত (degrees) অৰ্থাৎ নিম্ন, মধ্যম আৰু উচ্চ (low, medium and high) মাত্ৰাত ভাগ কৰি ল'ব পাৰে আৰু সেইবোৰক লৈ সময় সাপেক্ষে পৰ্যায়ক্ৰমে কামত ধৰিবলৈ ঠিৰাং কৰিব পাৰে। প্ৰাথমিকতা সম্পৰ্কীয় সিদ্ধান্তসমূহ নিৰ্ভৰ কৰিব বিদ্যালয়খনৰ তৎকালীন আৱশ্যকতা, নীতিসমূহৰ পৰা অহা দাবী, স্থানীয় প্ৰসংগসমূহ, বিদ্যালয়ৰ নিজস্ব বৈশিষ্ট্যপূৰ্ণ বিষয়সমূহ (state specific issues) ইত্যাদি। তদানুসৰি বিদ্যালয়খনে ইয়াৰ স্বকীয় বাছনিসমূহ (unique choices)ৰ ওপৰত ভিত্তি কৰি এক প্ৰাথমিক বা প্ৰাৰম্ভিক আঁচনি (preliminary plan) বাবে উন্নয়ন পৰিকল্পনা তালিকা (Planning for Improvement Table) কৰি ল'ব পাৰে। ই আগলৈ উন্নয়নৰ বাবে বাছি লোৱা প্ৰতিটো পৰিসৰৰ (chosen are of improvement) বিপৰীতে প্ৰস্তাৱিত কাৰ্য-ব্যৱস্থা সম্পৰ্কে বিস্তৃত বিৱৰণ দাঙি ধৰিব। একে সময়তে বা এক নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰত সকলো ঘাই মানদণ্ডৰ (core standards) সন্দৰ্ভত কাৰ্য-ব্যৱস্থা লোৱাৰ আৱশ্যকতা বিদ্যালয়খনৰ নাই। এই উদ্দেশ্যেৰে বিদ্যালয়খনে প্ৰতিটো ঘাই মানদণ্ডৰ বাবে বছৰ ১, ২ বা ৩ (y-1, y-2, y-3) ৰ বিপৰীতে এটাকৈ শুদ্ধ চিন (✓) দিয়া দৰকাৰ। এয়া নিৰ্ভৰ কৰিব বিদ্যালয়খনে ইয়াৰ সঁহাৰি আধাৰক (Response Matrix)ৰ ভিত্তিত কৰি লোৱা বাছনিসমূহৰ (informed choices) ওপৰত।

**ঘাই ক্ষেত্ৰৰ বিষয়ে (About the key domain)**

ঘাই ক্ষেত্ৰৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে।

**প্ৰতিফলক সংকেত (Reflective prompts)**

প্ৰতিটো ঘাই ক্ষেত্ৰৰ বিপৰীতে নিজকে মূল্যায়ন কৰিবলৈ প্ৰয়াস কৰাৰ আগতে বিদ্যালয়খনক সামূহিকভাৱে আত্মবিশ্লেষণ আৰু পৰ্যালোচনা কৰিবৰ কাৰণে এইবোৰ হৈছে বহলভিত্তিক প্ৰশ্নাৱলী।

**বাস্তৱসন্মত/বাস্তৱিক তথ্য (Factual information)**

বিদ্যালয়খনৰ কোনো এক বিশেষ ঘাই ক্ষেত্ৰৰ সামগ্ৰিক স্থিতি লিপিৱদ্ধ কৰিবলৈ কিছুমান প্ৰশ্ন বা তথ্য-বিন্দুৰ এক সমষ্টিয়েই হৈছে বাস্তৱিক তথ্য।

**ঘাই মানদণ্ডসমূহ (Core standards)**

এইবোৰে গুণগত দিশৰ বাবে মানাংক স্থিৰ কৰি পৰিমাণেৰে আকাংক্ষাসমূহৰ সূত্ৰ নিৰ্ণয় কৰে আৰু বিদ্যালয় মূল্যায়নৰ অৰ্থে এটা সাধাৰণ ভিত্তি প্ৰদান কৰে।

**বিৱৰক (Descriptors)**

প্ৰত্যেক স্তৰতে একোটা ঘাই মানদণ্ড প্ৰাপ্তিৰ পৰিসৰ নিৰ্ণয় কৰা সম্পূৰ্ণ বক্তব্যসমূহেই হৈছে বিৱৰক।

**প্ৰমাণৰ উৎসসমূহ (Sources of Evidence)**

প্ৰমাণে বিদ্যালয় এখনক একোটা বিশেষ/নিৰ্দিষ্ট স্তৰত উপনীত হোৱা বুলি লোৱা সিদ্ধান্তৰ সমৰ্থন কৰাত বিদ্যালয়খনক সহায় কৰে।

**উদ্ভাৱন বা অভিনৱ কাৰ্য-কলাপ (Innovation (s))**

প্ৰত্যেক ক্ষেত্ৰই (domain) বিদ্যালয়খনত যদিহে কিবা অভিনৱ কাৰ্য-কলাপ হৈছে সেয়া লিপিৱদ্ধ কৰিবলৈ এটা সুযোগ দিয়ে আৰু অথবা ঘাই মানদণ্ডসমূহ (core standards) আৰু সেইবোৰৰ বিৱৰকসমূহে (descriptors) এতিয়ালৈ সামৰি নোলোৱা বিদ্যালয়খনৰ সৱলতাখিনিও তথ্যভুক্ত কৰে।

**সঁহাৰি আধাৰক (Response Matrix)**

বিদ্যালয় এখনে প্ৰত্যেক ঘাই মানদণ্ডৰ (core standards) বিপৰীতে দিয়া সঁহাৰি লিপিৱদ্ধ কৰিবলৈ সঁহাৰি আধাৰক (Response Matrix) ব্যৱহাৰ কৰা উচিত।

**উত্তৰণৰ বাবে পৰিকল্পনা (Planning for improvement)**

বিদ্যালয়খনে ইয়াৰ উন্নয়নৰ/উত্তৰণৰ দিশসমূহ (areas of improvement) চিনাক্তকৰণৰ বাবে সঁহাৰি আধাৰক (Response Matrix) ব্যৱহাৰ কৰিব পাৰে। ইয়াক বাস্তৱিকতে প্ৰয়োজনীয় কৰি তুলিবলৈ বিদ্যালয়খনে কৰিবলৈ খোজা কিছুমান দিশ সামূহিকভাৱে বাছি ল'ব লাগিব আৰু ইয়াৰ সাম্প্ৰতিক সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি আন কিছুমান দিশ বাদ দিব পাৰে।

*ঘাই ক্ষেত্ৰসমূহৰ গাঁথনি (Structure of key Domain)*

## ৪.০ বিদ্যালয় মূল্যায়নৰ পন্থা (Approach to School Evaluation)

বিদ্যালয়ৰ মানদণ্ড আৰু মূল্যায়ন আধাৰ (School standard and Evaluation Framework) হৈছে স্বমূল্যায়ন আৰু বহিঃ মূল্যায়ন (Self and external evaluation)- দুয়োটাৰে বাবে এক কৌশলগত (strategic) সংমিশ্ৰণ। স্ব-মূল্যায়নক বিদ্যালয় মূল্যায়ন প্ৰক্ৰিয়াৰ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়। ইয়াৰ জৰিয়তে বিদ্যালয়খনৰ সামগ্ৰিক কাম-কাজ সফলতা (Performance) সম্যকভাৱে বুজি পোৱা আৰু উন্নয়নৰ অৰ্থে প্ৰাধান্য দিবলগীয়া ক্ষেত্ৰসমূহ চিনাক্তকৰণৰ বাবে বিদ্যালয়ৰ কৰ্ম-কৰ্তাসকলক সহায় কৰিবলৈ বিচৰা হয়। স্ব-মূল্যায়নৰ এক পৰিপূৰক অনুশীলন ৰূপে বহিঃমূল্যায়ন কৰা হয় যাতে দুয়োটা প্ৰক্ৰিয়াই সহযোগিতাৰে কৰ্ম সম্পাদন কৰাটো নিশ্চিত কৰিব পাৰে। সামগ্ৰিক মূল্যায়নৰ প্ৰতিটো প্ৰক্ৰিয়াই অনা সবলতা আৰু অন্তৰ্দৃষ্টিকোণক গুৰুত্ব দিয়া হয়। বিদ্যালয় এখনৰ সামগ্ৰিক উন্নয়নৰ বাবে সহায়ক হোৱাকৈ এক সম্পূৰ্ণ প্ৰতিচ্ছবি গঢ়ি তোলাই হৈছে ইয়াৰ লক্ষ্য।

| | স্ব-মূল্যায়ন | বহিঃ মূল্যায়ন |
|---|---|---|
| কি | এক অবিৰত আৰু চক্ৰৱৎ প্ৰক্ৰিয়া, ই বিদ্যালয়ৰ দৈনন্দিন ক্ৰিয়া-কলাপত অন্তৰ্নিহিত। | বিদ্যালয়ৰ কাম-কাজৰ এক সম্পূৰ্ণ আৰু বস্তুনিষ্ঠ প্ৰতিচ্ছবি গঢ়ি তুলিবলৈ ই বহিঃমূল্যায়নৰ এক পৰিপূৰক অনুশীলন |
| কোনে | সামগ্ৰিকভাৱে বিদ্যালয়ে ইয়াৰ 'বিদ্যালয় পৰিচালনা সমিতি' (SMC) 'বিদ্যালয় উন্নয়ন আৰু পৰিচালনা সমিতি' (SMDC) কে ধৰি সংশ্লিষ্ট সকলো লোকক (Stake holders) জড়িত কৰি সহযোগিতামূলকভাৱে সম্পাদন কৰে। — | মূল্যায়ন কৰোঁতাসকল বিদ্যালয়ৰ বাবে বাহিৰৰ ব্যক্তি আৰু ব্যৱস্থাটোৰ বাবে আভ্যন্তৰীণ, যেনে - শিক্ষা বিষয়াবৰ্গ, আন বিদ্যালয়ৰ প্ৰধান শিক্ষকসকল, আন চৰকাৰী প্ৰশাসকসকল ইত্যাদি। |
| কেনেকৈ | স্ব-মূল্যায়নৰ প্ৰক্ৰিয়াই কেইবাটাও স্তৰ সামৰি লয়, যেনে, সংশ্লিষ্ট সকলো লোকৰ মাজত প্ৰস্তুতিমূলক ব্যৱস্থা, তথ্য-প্ৰমাণসমূহ সংগ্ৰহ আৰু বিশ্লেষণ, 'সঁহাৰি-আধাৰক' (Response Matrix)ত সিদ্ধান্ত (judgement) সমূহ লিপিবদ্ধকৰণ, বিদ্যালয় মূল্যায়ন নিৰ্ণায়ক ফলক (Dask board)ত সংকলিত একত্ৰীকৃত (Consolidated) প্ৰতিবেদন প্ৰস্তুতকৰণ। | মূল্যায়ন কৰোঁতাসকলে বিদ্যালয়ৰ 'সমালোচক বন্ধু' (Critical friend)ৰ কাম কৰে; স্ব-শিকন নথি /লেখাসমূহ (Self evaluation documents) বিশ্লেষণ আৰু পৰ্যালোচনা কৰে; শিক্ষকসকল, পিতৃ-মাতৃসকল, শিশুসকল আৰু আন সংশ্লিষ্ট লোকসকলৰ পৰা অতিৰিক্ত তথ্য বিচাৰে; শ্ৰেণীকোঠাৰ কাম-কাজ আৰু বিদ্যালয়ৰ কৰ্মৰ ৰেহৰূপ পৰ্যৱেক্ষণ কৰে; বিদ্যালয়লৈ বস্তুনিষ্ঠ প্ৰতি পুষ্টি (objective feedback) আগবঢ়ায়, সিদ্ধান্ত (Judement) লিপিবদ্ধ কৰে আৰু মূল্যায়ন প্ৰতিবেদন যুগুতায়, উন্নয়নৰ বাবে প্ৰাথমিকতা দিয়া ক্ষেত্ৰসমূহলৈ সহায় আগবঢ়ায়। |
| কেতিয়া | গোটেই শিক্ষাবৰ্ষৰ কালচোৰাৰ (জুলাই-জুন) ভিতৰত চলাই থকা হয়। (শিক্ষাবৰ্ষৰ অন্তত 'বিদ্যালয় মূল্যায়ন নিৰ্ণায়ক ফলক' (School Evaluation Daskboard)ত সংকলিত প্ৰতিবেদন জমা দিয়াটো আৱশ্যক।) | সাধাৰণতে মধ্যকালীন আৰু শিক্ষান্তকালীন কাৰ্য (Mid-term and end-term exercise) হিচাপে বছৰেকত দুবাৰকৈ পৰিকল্পিত কৰা হয়। (ৰাজ্যসমূহে নিজ নিজ নিৰ্ণায়ক- নীতি (criteria) অনুসৰি বহিঃ মূল্যায়নৰ কাল-ব্যৱধান (frequency) নিৰ্ধাৰণ কৰি ল'ব পাৰে। |

পৰিপূৰক মূল্যায়ন

## ৪.১ বিদ্যালয়-মূল্যায়নৰ নিৰ্দেশনাৱলী ঃ (Guidelines for schools Evaluation)

বিদ্যালয় মূল্যায়নৰ নিৰ্দেশনাৱলীৰ দ্বাৰা এক যথাক্ৰমিক আৰু বৃত্তিগত দৃষ্টিভংগীৰে (a sequential and professional manner) স্ব আৰু বহিঃমূল্যায়ন প্ৰক্ৰিয়াসমূহক সহায় কৰিব/সমৰ্থন জনাব খোজা হৈছে। সকলো বিদ্যালয় আৰু বহিঃমূল্যায়ন কৰোঁতাই (external evaluators) তেওঁলোকৰ বিচাৰ (judgement) অধিক যথোচিত কৰিবলৈ এই নিৰ্দেশনাৱলী অনুসৰণ কৰিব বুলি আশা কৰা হৈছে।

**স্ব-মূল্যায়নৰ নিৰ্দেশনাৱলী**

- প্ৰস্তুতিমূলক ব্যৱস্থা/প্ৰস্তুতকৰণ
- তথ্য-প্ৰমাণ সংগ্ৰহ
  - সংশ্লিষ্ট লোক (stakeholder) সকলৰ কথা বাণীবদ্ধকৰণ
  - বিদ্যালয় পৰ্যবেক্ষণ
  - শ্ৰেণীকোঠা পৰ্যবেক্ষণ
  - তথ্য-পাতি পুনৰীক্ষণ/পৰ্যালোচনা
- বিদ্যালয়ৰ কাম-কাজৰ স্থিতি চিনাক্তকৰণ আৰু তথ্যভুক্তকৰণ
- উন্নতকৰণৰ বাবে সবলতা আৰু সুযোগসমূহ চিনাক্তকৰণ
- অবিৰত উন্নতকৰণ/উন্নয়ন আঁচনিৰ বাবে কাৰ্য ব্যৱস্থাৰ সূত্ৰ নিৰ্ধাৰণ
- বিদ্যালয় উন্নয়ন আঁচনিৰ সৈতে অবিৰত উন্নয়ন আঁচনিৰ কাৰ্য-ব্যৱস্থাৰ সমন্বয় সাধন

**পৰিপূৰক মূল্যায়ন**

**বহিঃমূল্যায়নৰ নিৰ্দেশনাৱলী**

- প্ৰস্তুতিমূলক ব্যৱস্থা/প্ৰস্তুতকৰণ
- তথ্য-প্ৰমাণ সংগ্ৰহ
  - সংশ্লিষ্ট লোকৰ কথা বাণীবদ্ধকৰণ
  - বিদ্যালয় পৰ্যৱেক্ষণ
  - শ্ৰেণীকোঠা পৰ্যৱেক্ষণ
  - তথ্য-পাতি পুনৰীক্ষণ/পৰ্যালোচনা
- বিদ্যালয়ৰ কাম-কাজৰ স্থিতি চিনাক্তকৰণ আৰু তথ্যভুক্তকৰণ
- উন্নতকৰণৰ বাবে সবলতা আৰু সুযোগসমূহ চিনাক্তকৰণ
- অবিৰত উন্নয়ন আঁচনিৰ কাৰ্য ব্যৱস্থা পৰীক্ষণ
- বিদ্যালয় উন্নয়ন আঁচনিৰ সৈতে অবিৰত উন্নয়ন আঁচনি কাৰ্য ব্যৱস্থা (ACIP)ৰ সমন্বয়ৰ পৰীক্ষণ

*বিদ্যালয়/মূল্যায়নৰ নিৰ্দেশনাৱলী চাওক।*

## ৫.০ বিদ্যালয় মূল্যায়নৰ ডাচবোৰ্ড বা ফলক (School Evaluation Dashboard)

বিদ্যালয় মূল্যায়নৰ ফলকে (ডাচবোৰ্ড) বিদ্যালয়ৰ উন্নয়নৰ কাৰ্য ৰূপায়ণকে ধৰি প্ৰধান প্ৰধান কৃতি আৰু মূল মানদণ্ডৰ স্বমূল্যায়নৰ প্ৰতিবেদন পোৱাৰ সুবিধা প্ৰদান কৰে। ইয়াৰ তিনিটা ভাগ — (i) শিক্ষক আৰু শিকাৰুৰ বুনিয়াদী তথ্য, (ii) বিদ্যালয় মূল্যায়নৰ সংযুক্ত আধাৰক (matrix), যিয়ে বিদ্যালয়ৰ ৭টা প্ৰধান ক্ষেত্ৰত (domain)কে ধৰি সিহঁতৰ মূল মানদণ্ডৰ সৰ্বাত্মক সফলতাৰ ছবিখন দেখুৱায়। (iii) বিদ্যালয়ৰ অবিৰত উন্নয়নৰ কাৰ্য ৰূপায়ণ পৰিকল্পনা। মূল্যায়ন ফলকৰ বহিঃমূল্যায়ন প্ৰতিবেদনৰো ব্যৱস্থা থাকিব। বিদ্যালয় মূল্যায়ন ডাচবোৰ্ড (dashboard) অনলাইন যোগে মূলদ্বাৰ (portal) প্ৰাপ্ত হয়। প্ৰতিখন বিদ্যালয়ে ইয়াৰ স্বমূল্যায়ন প্ৰতিবেদন পাৰস্পৰিকভাৱে ইণ্টাৰনেট যোগে দাখিল কৰিব পাৰে। বহিঃভাৱে মূল্যায়ন কৰোঁতাই মূল্যায়ন প্ৰতিবেদন দাখিল কৰিবলৈ ইণ্টাৰনেট যোগে একে ধৰণৰ মূলদ্বাৰ (portal) ব্যৱহাৰ কৰিব লাগিব। আত্ম মূল্যায়ন আৰু বহিঃমূল্যায়নক সামৰি অনলাইনযোগে ৱেব পৰ্টেল অৰ্থাৎ ইণ্টাৰনেট মূলদ্বাৰ প্ৰস্তুত কৰা হয়।

বিদ্যালয় মূল্যায়নৰ ফলক সংশ্লিষ্ট বিদ্যালয়ৰ প্ৰতিবেদন চাবৰ কাৰণে আৰু বিশ্লেষণৰ কাৰণে আৰু তথ্য সংগ্ৰহৰ কাৰণে উপাদেয়। এইবোৰ পিছত খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত একত্ৰিত কৰিব পাৰি। তাৰ পৰা যথোপযুক্ত দিকদৰ্শন বিদ্যালয়লৈ সম্প্ৰসাৰিত কৰিব পৰা যায়। ই নিৰীক্ষণৰ জৰিয়তে বিদ্যালয়ৰ বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত সহযোগিতা তথা সুবিধা আগবঢ়াব। ইয়ে বিদ্যালয়ক অবিৰত উন্নয়নৰ হকে যথোচিত কাৰ্য ৰূপায়ণ কৰিবলৈ নিৰ্দেশনা আগবঢ়াব আৰু তেওঁলোকৰ কৰণীয়খিনি পুনৰ পৰিদৰ্শন কৰিবলৈ সুবিধা প্ৰদান কৰে। এই একত্ৰিকৃত তথ্যসমূহে খণ্ড, জিলা আৰু ৰাজ্যিক ক্ষেত্ৰত আঁচনি পৰ্যায়ত সিদ্ধান্ত লোৱাৰ নিৰ্দেশনা দিব পৰা যায়।

## ৬.০ ৰাজ্য বিশেষৰ উপজীব্য, অভিযোজন, প্ৰাসংগিকীকৰণ আৰু অনুবাদ

এছ এছ ই এফ (SSEF) ৰ নিজ নিজ ৰাজ্যসমূহৰ জৰিয়তে বিদ্যালয়ৰ মূল্যায়নক আনুষ্ঠানিক ভাবে গঢ় দিবলৈ বিস্তৃত নীতি নিৰ্দেশনা দিছে। ইয়ে ৰাজ্যসমূহৰ দ্বাৰা ৰাজ্যভিত্তিক নীতি ব্যৱস্থা আৰু আৰ্থ-সামাজিক ক্ষেত্ৰক ভিত্তি কৰি স্থানীয়ভাৱে কৰা অভিযোজনক উৎসাহ যোগায়।

## ৭.০ Web Portal (ৱেব পৰ্টেল বা মূলদ্বাৰ)



বিদ্যালয় মানদণ্ড আৰু মূল্যায়নৰ ৰাষ্ট্ৰীয় কাৰ্যক্ৰম (The National Programm on School Standards and Evaluation) বহু পৰিমাণে আন্তঃসম্পৰ্কীত আৰু উৎসৰ্গিত ৱেব পৰ্টেলৰ সহযোগিতাৰ ওপৰত নিৰ্ভৰশীল। ব্যৱহাৰকাৰীয়ে ডাউনলোড কৰি ল'ব পৰা সংশ্লিষ্ট সকলো নথি ৱেব পৰ্টেলত আছে।

ৱেব পৰ্টেল হ'ল এখন পাৰস্পৰিক ভাব বিনিময়ৰ মঞ্চ, য'ত প্ৰতিখন বিদ্যালয়ে স্ব-মূল্যায়নৰ প্ৰতিবেদন অন লাইন যোগে দাখিল কৰিব পাৰে। বহিঃমূল্যায়নকাৰীয়ে মূল্যায়ন প্ৰতিবেদন দিবলৈ একে ৱেব পৰ্টেল ব্যৱহাৰ কৰিব পাৰে। অনলাইনযোগে স্ব-মূল্যায়ন আৰু বহিঃমূল্যায়ন প্ৰতিবেদনক সামৰি এক সমন্বিত ৰূপত 'বিদ্যালয় মূল্যায়ন প্ৰতিবেদন' প্ৰস্তুত কৰা হৈছে।

**সকলো কৰ্মকৰ্তাই ৱেব পৰ্টেল নিম্নোক্ত ধৰণে ব্যৱহাৰ কৰিব পাৰে ঃ**

১. বিদ্যালয় ঃ

- ইউ ডি আই এছ ই (UDISE)ৰ ক'ডক কম্পিউটাৰৰ কাম আৰম্ভ কৰাৰ পৰিচয় সূচক (log in id) হিচাপে ব্যৱহাৰ কৰি নিজস্ব লগ্ ইন আই ডি তৈয়াৰ কৰি ল'ব পাৰে আৰু নিজস্ব পাচৱাৰ্ড (passward) বনাব পাৰে।
- বিদ্যালয় উন্নয়ন ৰূপায়ণৰ বাবে ৱেব পৰ্টেলে বিদ্যালয়ৰ স্ব-মূল্যায়নৰ তথ্য আৰু কাৰ্য প্ৰণালী অনলাইনযোগে যোগান ধৰে।
- চূড়ান্তভাৱে দাখিল কৰা স্ব-মূল্যায়নৰ তথ্যই বিদ্যালয়ৰ স্ব-মূল্যায়নৰ প্ৰতিবেদন সৃজন কৰাত সহায় কৰে।

২. **বহিঃমূল্যায়নকাৰী**

- সংশ্লিষ্ট বিদ্যালয়ৰ কাৰণে লগ ইন আই ডি (login id) আৰু পাছৱৰ্ড বনোৱা
- সংশ্লিষ্ট বিদ্যালয়ৰ স্ব-মূল্যায়নৰ প্ৰতিবেদনক সহজলভ্যতা ।
- বিদ্যালয়ৰ বহিঃমূল্যায়ন তথ্য কম্পিউটাৰত অন্তৰ্ভুক্তি আৰু বহিঃমূল্যায়নৰ প্ৰতিবেদন প্ৰস্তুতি।

৩. **একত্ৰিকৃত বিদ্যালয় মূল্যায়ন প্ৰতিবেদন ঃ**

- স্ব-মূল্যায়ন আৰু বহিঃমূল্যায়ন দুয়োকে সামৰি বিদ্যালয়ৰ অনলাইন বিদ্যালয় মূল্যায়ন প্ৰতিবেদন প্ৰস্তুত কৰা।

৪. **খণ্ড, জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয়**

- খণ্ড, জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাবে লগ ইন আই ডি (login id) প্ৰস্তুত কৰা।
- খণ্ড আৰু জিলা পৰ্যায়ত প্ৰতিখন বিদ্যালয়ৰ মূল্যায়ন প্ৰতিবেদন, প্ৰত্যক্ষ কৰা প্ৰক্ৰিয়া আৰু প্ৰগতিৰ নিয়ন্ত্ৰণ কৰা।
- খণ্ড, জিলা, ৰাজ্য আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিদ্যালয়ৰ সফলতাৰ থূলমূল মূল্যায়ন প্ৰস্তুত কৰা আৰু মূল্য মান আৰু সংশ্লিষ্ট ক্ষেত্ৰ (domain) সমূহৰ পৰ্যায় বিশ্লেষণ কৰা।